

# সোঁৱৰণীৰ সোণচেঁকুৰা

সম্পাদনা

ড° গীতাঞ্জলি হাজৰিকা

পণ্ডিত গিৰিধৰ শৰ্মা ন্যাস

# শ্ৰদ্ধাৰ্ঘ ঃ গিৰিধৰ শৰ্মাদেৱৰ সজল স্মৃতিত
## ৰচনাকাল ঃ ১৯৮১ চন

ডঃ বিৰিঞ্চি কুমাৰ মেধি

'কৰ্ত্তব্যমাচৰণ কৰ্মকৰ্ত্তব্যামনাচৰেৎ।
তিষ্ঠতি প্ৰকৃতাচাৰে যঃ স আৰ্য ইতি স্মৃতঃ।।"

কতনা ফুলৰ গুটি সিঁচিছিলা
হৃদয় মৃত্তিকাত
বাৰে ৰহণীয়া কুসুম ফুলালা
তৰু তৃণ বীথিকাত।

ক্লেদ-জৰ্জৰ চহৰ কোণত
কোন প্ৰাতসৰ শুভ লগনত
দৃঢ় তাৰে তুমি গঢ়ি তুলিছিলা
তাপসৰ বুনিয়াদ।

সত্য নিষ্ঠা শ্ৰদ্ধা ত্যাগৰ
শুনি প্ৰাণময় গীত
প্ৰাপৰ প্ৰাচীৰ ভাঙি থিয় হ'ল
আৰ্য বিদ্যা পীঠ
কিযে অমল ৰ'দ জলমল
তোমাৰ প্ৰাণৰ গীত।

আকাশ বতাহ খলকি উঠিল
প্ৰোজ্বল জ্যোতি বিয়পি পৰিল
কণ্ঠত নৱ লহৰ জাগিল
উতবোল হ'ল হ'ল চিত
পূত লগনত শ্ৰদ্ধা জনাওঁ
প্ৰণাম হে ঋত্বিক।

# সোঁৱৰণিৰ সোণচেঁকুৰা

*সম্পাদনা*

ড° গীতাঞ্জলি হাজৰিকা

প্ৰকাশক

পণ্ডিত গিৰিধৰ শৰ্মা ন্যাস

# পণ্ডিত গিৰিধিৰ শৰ্মা ন্যাসৰ সভাপতিৰ একাষাৰ

আৰ্য্য বিদ্যাপীঠৰ প্ৰতিষ্ঠাতা পণ্ডিত গিৰিধৰ শৰ্মাদেৱ আছিল অনন্য প্ৰতিভাৰ ব্যক্তি। তেখেতৰ ব্যক্তিত্ব অতুলনীয় আৰু মোহনীয়। তেখেত আছিল প্ৰকৃততে এজন শিক্ষাবিদ, ত্যাগী আৰু কৰ্মবীৰ। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক অতুল চন্দ্ৰ হাজৰিকাদেৱৰ ভাষাত গিৰিধৰ শৰ্মাদেৱ আছিল 'ভীম কৰ্মা'। বাল্যকালতেই পিতৃহাৰা হোৱা ল'ৰা এজনে আনুষ্ঠানিক শিক্ষা গ্ৰহণ নকৰাকৈয়ে কটন মহাবিদ্যালয়ৰ অধ্যাপক হোৱা, আৰু কটন মহাবিদ্যালয়ৰ চৰকাৰী চাকৰিও পৰিত্যাগ কৰি আৰ্য্য বিদ্যাপীঠৰ নিচিনা এখন শিক্ষানুষ্ঠান গঢ়িব পৰা ব্যক্তিজন সঁচাকৈয়ে ভীমকৰ্মা। তাৰ মাজতেই সাহিত্য কৰ্ম। অসম সাহিত্য সভাৰ সভাপতি হিচাপে সভাৰ সাংগঠনিক দিশত এক যুগান্তকাৰী পৰিৱৰ্তন অনা ব্যক্তিজনেই আছিল গিৰিধৰ শৰ্মাদেৱ। আজি অসমৰ চুকে-কোণে এই মহান ব্যক্তিজনৰ গুণগ্ৰাহী অলেখ। আৰ্য্য বিদ্যাপীঠ বুলি ক'লেই গিৰিধৰ শৰ্মা আৰু গিৰিধৰ শৰ্মা বুলি ক'লেই সততে আৰ্য্য বিদ্যাপীঠকেই বুজা যায়। তেখেতৰ গুণগ্ৰাহীসকলে তেখেতৰ স্মৃতি যুগমীয়া কৰিবলৈ 'পণ্ডিত গিৰিধৰ শৰ্মা ন্যাস' গঠন কৰিছে। উদ্দেশ্য গোটেই ভাৰতবৰ্ষতে তেখেতৰ কৰ্মৰাজিৰ প্ৰচাৰ ঘটোৱা। এই উদ্দেশ্যে এটা বঁটা প্ৰদানৰো সিদ্ধান্ত ন্যাসে গ্ৰহণ কৰিছে।

আৰ্য্য বিদ্যাপীঠে যাঠি বছৰ পূৰ্ণ কৰিলে। ছেপ্টেম্বৰ মাহৰ ২১-২৩ তাৰিখে তিনিদিনীয়া কাৰ্যসূচীৰে হীৰক জয়ন্তী উৎসৱ পালন কৰা হ'ব। হীৰক জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি ন্যাসেও গিৰিধৰ শৰ্মাদেৱৰ স্মৃতিত এখন পুথি প্ৰকাশ কৰাৰ যো-জা কৰিছে। ই এক প্ৰশংসনীয় পদক্ষেপ। কামনা কৰিছোঁ পণ্ডিত গিৰিধৰ শৰ্মা ন্যাসৰ উদ্দেশ্য সফল হওক।

জয়তু আৰ্য্য বিদ্যাপীঠ।

**ড° গিৰীশ চন্দ্ৰ শৰ্মা**

# পণ্ডিত গিৰিধৰ শৰ্মা ন্যাসৰ কাৰ্যকীৰ সভাপতি তথা মহাবিদ্যালয়ৰ অধ্যক্ষৰ একাষাৰ

৩০, জুলাই ১৯৫৮ চন। ঊনবিংশ শতিকাৰ ষাঠিৰ দশকৰ গুৱাহাটীৰ এক আওহতীয়া আৰু অনুন্নত অঞ্চল এটাত ৰোপিত হৈছিল জ্ঞানৰ এটি বীজ, যি আজি ফলে-ফুলে জাতিষ্কাৰ এক বিৰাট বৃক্ষত পৰিণত হৈছে। ঋষিসদৃশ এজন মনীষীয়ে এই বীজটো ৰোপণ কৰিছিল। কটন মহাবিদ্যালয়ৰ প্ৰবক্তাৰ দৰে চৰকাৰী চাকৰি এৰি অহা সেই ত্যাগী ব্যক্তিজন হ'ল পণ্ডিত গিৰিধৰ শৰ্মা। শৰ্মাদেৱ আছিল একাধাৰে শিক্ষক, সাহিত্যিক, সমাজসেৱক, পুথি প্ৰকাশক, সংগঠক, সুদক্ষ প্ৰশাসক ইত্যাদি। প্ৰাথমিক বিদ্যালয়ৰ পৰা মহাবিদ্যালয়লৈকে তেখেতে শিক্ষক হিচাপে কীৰ্তি অৰ্জন কৰিছিল। আৰ্য্য পাঠশালা, ৰিহাবাৰী নামঘৰ, কেশৱ ধাম, আৰ্য্য বিদ্যাপীঠ উচ্চতৰ আৰু বহুমুখী বিদ্যালয়, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ইত্যাদি অনুষ্ঠান প্ৰতিষ্ঠাৰে তেখেতে সমাজৰ বিকাশত বিপুল অৰিহণা যোগাইছিল। গিৰিধৰ শৰ্মাদেৱে প্ৰতিষ্ঠা কৰা প্ৰকাশন প্ৰতিষ্ঠান 'পূৰ্বদেশ মুদ্ৰণ' সমগ্ৰ উত্তৰ-পূব ভাৰতৰে এক সম্ভ্ৰান্ত প্ৰতিষ্ঠানৰূপে পৰিচিত হৈছিল। এই সকলোবোৰ অনুষ্ঠানৰ ওপৰত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় আছিল তেখেতৰ মানসসন্তান। ৰবীন্দ্ৰনাথৰ শান্তি নিকেতনৰ আদৰ্শত তেখেতে আৰ্য্য বিদ্যাপীঠক গঢ়িব বিচাৰিছিল। গিৰিধৰ শৰ্মাদেৱৰ আশা আৰু স্বপ্নক বাস্তৱায়িত কৰাৰ পথত অগ্ৰসৰ আৰ্য্য বিদ্যাপীঠে এই বছৰ সগৌৰৱে ষাঠিটা বছৰ অতিক্ৰম কৰিলে। হীৰক জয়ন্তী বৰ্ষৰ এই ক্ষণত মহাবিদ্যালয়ত প্ৰতিষ্ঠা কৰা হ'ল 'পণ্ডিত গিৰিধৰ শৰ্মা ন্যাস'। ন্যাসৰ উদ্দেশ্য 'ভীম কৰ্মা' গিৰিধৰ শৰ্মাদেৱৰ কৰ্মৰাজিৰ বিষয়ে নৱপ্ৰজন্মক অৱগত কৰি কৰ্ম প্ৰেৰণাৰে তেওঁলোকক উদ্বুদ্ধ কৰা। এই উদ্দেশ্য সফল কৰি তুলিবৰ বাবে ন্যাসে তেখেতৰ নামেৰে এটি বাৰ্ষিক বঁটা প্ৰদানৰো ব্যৱস্থা কৰিছে।

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি ন্যাসে এখনি প্ৰবন্ধ সংকলন প্ৰকাশ কৰিবলৈ ওলাইছে। এই প্ৰবন্ধ সংকলনত পণ্ডিত গিৰিধৰ শৰ্মাদেৱৰ জীৱন আৰু কৰ্মৰ আৰু বহুদিশ উন্মোচিত হ'ব বুলি আমি আশা কৰিছোঁ।

**ড° প্ৰদীপ কুমাৰ ভট্টাচাৰ্য**

# সূচীপত্ৰ


- সোঁৱৰণ — বাহাৰুল ইছলাম/১
- ব্যক্তিত্বৰ প্ৰসংগত — ত্ৰৈলোক্যনাথ গোস্বামী/৪
- কৰ্মীপুৰুষ গিৰিধৰ শৰ্মা — বিনয় ভূষণ চৌধুৰী/৭
- আপুনি জানে নে — অতুল বৰুৱা/১১
- গিৰিধৰ শৰ্মা ছাৰৰ সোঁৱৰণীত — দেৱানন্দ শইকীয়া/১৪
- গুৰৱে নমঃ — ড° দীনেশ বৈশ্য/১৯
- মোৰ শ্ৰদ্ধাঞ্জলি — ড° কালীনাথ শৰ্মা/২৫
- আৰ্য্য বিদ্যাপীঠ আৰু গিৰিধৰ শৰ্মা — নীলমণি ফুকন/৩০
- স্মৃতিৰ সঁফুৰা — ড° ধৰণীধৰ গোস্বামী/৩১
- মই দেখা অধ্যক্ষগৰাকী — ড° দেৱব্ৰত ঘোষ/৩৭
- অধ্যক্ষ গিৰিধৰ শৰ্মাদেৱ আৰু মই — ড গিৰীশ চন্দ্ৰ শৰ্মা/৪৫
- মোৰ স্মৃতিৰ সঁফুৰাত অধ্যক্ষ গিৰিধৰ শৰ্মা — দীনেশ চন্দ্ৰ বৰুৱা/৫৩
- ছাৰ থকা হ'লে — ধীৰেন্দ্ৰ দেৱ অধিকাৰী/৫৭
- এজন মানুহ আছিল — শ্ৰীঅজিত কুমাৰ মিশ্ৰ/৬১
- কৰ্মই ধৰ্ম ঃ সৃষ্টিৰ আকুলতাই সদা ব্যাকুল কৰা শিক্ষাব্ৰতী গিৰিধৰ শৰ্মা — ড° ৰুমা বৰদলৈ/৬৬
- আৰ্য্যবিদ্যাপীঠ আৰু গিৰিধৰ শৰ্মা — দুৰ্গেশ্বৰ শৰ্মা/৭২
- আৰ্য্য বিদ্যাপীঠত যৌৱনৰ কেইটামান সোণোৱালী দিন — ড° জয়কান্ত শৰ্মা/৮৫
- পিতাৰ পৱিত্ৰ স্মৃতিত — প্ৰশান্ত শৰ্মা/৯১
- ১৯৬৭ চনৰ সদৌ অসম অধ্যক্ষ পৰিষদৰ মুকলি অধিৱেশনত গিৰিধৰ শৰ্মাদেৱে প্ৰদান কৰা সভাপতিৰ অভিভাষণ /১০৫
- শৰ্মাদেৱৰ জীৱনৰ বিশেষ ঘটনা-পঞ্জী /১১২
- পণ্ডিত গিৰিধিৰ শৰ্মাদেৱৰ হস্তাক্ষৰ /১১৪
- গিৰিধৰ শৰ্মাদেৱৰ কেইখনমান বিশেষ ফটো /১১৬

# সোঁৱৰণ

বাহাৰুল ইছলাম

গিৰিধৰ শৰ্মাৰ বিষয়ে কিবা এটা লিখাটো মোৰ কাৰণে কষ্টদায়ক কাৰণ, তেখেতে অসময়তে হঠাৎ আমাক এৰি আঁতৰি গৈছিল। ১৯৩০ চনৰ পৰাই তেখেতৰ লগত মোৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। সেই সময়ত শৰ্মা ডাঙৰীয়া চামতা হাইস্কুলৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ আছিল আৰু মই শৰ্মাদেৱৰ কনিষ্ঠ ভাতৃ উমাকান্ত শৰ্মাৰ লগতে নলবাৰী গৰ্ডন হাইস্কুলৰ সপ্তম মান শ্ৰেণীৰ ছাত্ৰ আছিলো। স্কুলীয়া জীৱনৰ পৰাই মই তেখেতসকলৰ ককয়াস্থিত ঘৰলৈ মাজে সময়ে গৈছিলো।

শৰ্মাদেৱে ১৯৩৩ চনত চামতা হাইস্কুলৰপৰা প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। সৰুৰে পৰাই তেখেত এজন প্ৰখৰ বুদ্ধিৰ ছাত্ৰ আছিল। পৰিয়ালৰ অৰ্থনৈতিক দুৰৱস্থাৰ বাবে ছাত্ৰ জীৱন আধৰুৱা কৰি থৈ তেখেতে জীৱিকাৰ সন্ধান কৰিবলগীয়া হৈছিল। বিধবা মাকৰে সৈতে তেখেতৰ পৰিয়ালটোৰ ভৰণ পোষণ আৰু ভাতৃ উমাকান্ত শৰ্মাৰ উচ্চ শিক্ষাৰ দায়িত্ব মূৰ পাতি লোৱাৰ উদ্দেশ্যে সেয়েহে তেখেতে শিক্ষকতা সম্পৰ্কীয় এটা প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হৈছিল। এই পৰীক্ষাটোত অসমৰ ভিতৰতে প্ৰথম স্থান অধিকাৰ কৰি তেখেতে গন্ধীয়া মজলীয়া বিদ্যালয়ত শিক্ষক হিচাপে যোগদান কৰি চাকৰি জীৱনৰ পাতনি মেলিছিল। ইয়াৰ কিছুদিন পিছত তেখেতে নলবাৰী ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক হিচাপে কামত যোগ দিছিল। তেখেতৰ সহধৰ্মিনী সেই স্কুলৰে সহকাৰী শিক্ষয়ত্ৰী আছিল। সংস্কৃত বিষয়তো তেখেত এজন বিদগ্ধ পণ্ডিত আছিল। সংস্কৃত বিষয়ত কেইবাটাও উপাধি লৈ তেখেতে শিৱসাগৰ, ধুবুৰী ইত্যাদি অসমৰ বিভিন্ন ঠাইত শিক্ষকতা কৰিছিল। চাকৰি জীৱনতে তেখেতে প্ৰাইভেট্ প্ৰাৰ্থী হিচাপে অৱতীৰ্ণ হৈ আই. এ., বি. এ., আৰু এম. এ. পৰীক্ষাত উত্তীৰ্ণ হৈছিল। অসমীয়া বিষয়ত এম. এ. পাছ কৰাৰ পিছত তেখেতে কটন মহাবিদ্যালয়ত অসমীয়া বিষয়ৰ

অধ্যাপক হিচাপে যোগদান কৰিছিল। কটন মহাবিদ্যালয়ত অধ্যাপক হিচাপে নিয়োজিত হৈ থাকোতে তেখেতে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় স্থাপন কৰিছিল আৰু মৃত্যুৰ আগমুহূৰ্তলৈকে এই মহান অনুষ্ঠানটোৰ লগতে জড়িত হৈ আছিল। প্ৰথম অৱস্থাত তেখেত মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সম্পাদক আছিল। পিছত যেতিয়া পৰিচালনা সমিতিয়ে তেখেতক মহাবিদ্যালয়খনৰ অধ্যক্ষ হোৱাৰ বাবে টানি অনুৰোধ কৰিছিল তেতিয়া তেখেতে বিষয়টো মোৰ লগত আলোচনা কৰিছিল। মইও লগে লগে তেখেতক কটন মহাবিদ্যালয়ৰ চাকৰিটো বাদ দি আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ অধ্যক্ষ পদটো লবলৈ অনুৰোধ কৰিছিলো আৰু তেখেতৰ নিচিনা মহান শিক্ষাবিদ এজনৰ বৰ্তমানত চালুকীয়া মহাবিদ্যালয়খন ঠন ধৰি উঠিব বুলি আশা কৰিছিলো।

শৰ্মাদেৱ একেধাৰে কৰ্মযোগী আৰু জনযোগী আছিল। অসমৰ শিক্ষা জগতখনৰ উন্নয়নৰ বাবে তেখেতে নিজৰ জীৱন উছৰ্গা কৰিছিল। তেখেতে নিজেই এজন বিদগ্ধ পণ্ডিত আছিল আৰু ছাত্ৰসকলক সদায় উচ্চ মানৰ শিক্ষাদানৰ সপক্ষে মতপোষণ কৰিছিল। শৰ্মাদেৱ যেতিয়া আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ অধ্যক্ষ / সম্পাদক আছিল, তেতিয়া মইও কিছুবছৰৰ বাবে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সদস্য আছিলো। মহাবিদ্যালয়খনৰ প্ৰতি থকা তেখেতৰ অসীম ত্যাগ আৰু তেখেতৰ অসাধাৰণ শ্ৰমৰ বিনিময়তে পিছলৈ এই শিক্ষা প্ৰতিষ্ঠানটোৱে অসম তথা ভাৰতবৰ্ষৰ ভিতৰতেই এখন আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান হিচাপে মূৰ দাঙি ঠিয় হ'ব পাৰিছিল। অৱশ্যে এইটো ঠিক যে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ উন্নতিৰ ক্ষেত্ৰত আন শিক্ষকসকলৰ যে কোনো ভূমিকা নাই সেইটো নহয়। কিন্তু পণ্ডিত গিৰিধৰ শৰ্মাৰ হাতৰ পৰশ নাপালে নিশ্চয় মহাবিদ্যালয়খনে আজিৰ এই স্থান পাবলৈ আৰু বহু বছৰ অপেক্ষা কৰিব লাগিলহেঁতেন।

তেখেতে আৰ্য্য বিদ্যাপীঠক ইমানেই ভাল পাইছিল যে বন্ধৰ দিনতো মই কেতিয়াবা টেলিফোনত কথা হ'ব বিচাৰিলে তেখেতক বহু ৰাতিলৈকে মহাবিদ্যালয়তে ব্যস্ত হৈ থকাটো গম পাইছিলো।

মই যেতিয়া সাংসদ আছিলো তেতিয়া এবাৰ মই শৰ্মাদেৱক দিল্লীলৈ আহি দিল্লীৰ আগশাৰীৰ শিক্ষানুষ্ঠানবোৰ চাবলৈ অনুৰোধ কৰিছিলো। মোৰ এই অনুৰোধ পোৱাৰ লগে লগেই এদিন তেখেতে মোৰ লগত দিল্লীলৈ আহি ইয়াৰ

সকলোবোৰ আগশাৰীৰ শিক্ষানুষ্ঠান পৰিদৰ্শন কৰিছিল আৰু আমি দুয়োজনে বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰলৈ গৈ আৰ্য্য বিদ্যাপীঠৰ উন্নয়নৰ বাবে বিত্তীয় সহায় বিচাৰিছিলো। আমাৰ এই কামত আমি সুন্দৰভাৱে কৃতকাৰ্য্য হৈছিলো। তেখেতে দিল্লীলৈ আহোতে সেই সময়ৰ দিল্লীৰ নামজ্বলা শিক্ষানুষ্ঠান 'মডাৰ্ণ স্কুল' পৰিদৰ্শন কৰিছিল আৰু স্কুলখনৰ অধ্যক্ষ এম. এন. কাপুৰৰ লগতো কথা পাতিছিল।

অসমৰ শিক্ষাজগত আৰু অসমৰ সাহিত্য জগতৰ প্ৰতি শৰ্মাদেৱৰ অৱদান অতুলনীয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰ্য্যবাহী পৰিষদৰ সদস্য হিচাপেই হওঁক বা অসম সাহিত্য সভাৰ সভাপতি হিচাপেই হওঁক নাইবা অসমৰ শিক্ষাজগতৰ প্ৰতি তেখেতৰ ত্যাগৰ কাৰণেই হওঁক, মুঠতে সকলো দিশতে তেখেত আছিল এটা চলন্ত শক্তি। এই মহান শিক্ষাবিদজনৰ অনুপস্থিতিত অসমৰ শিক্ষাজগত খনত নিশ্চয় এক অপূৰণীয় ক্ষতি হ'ব। ❖

# ব্যক্তিত্বৰ প্ৰসংগত

ত্ৰৈলোক্যনাথ গোস্বামী

এজন অধ্যৱসায়ী, কৰ্মপটু আৰু বলিষ্ঠ আশাবাদী মানুহৰ কথা মনলৈ আহিলে স্বৰ্গীয় গিৰিধৰ শৰ্মাৰ ছবিটো মানসপটত স্পষ্ট ৰূপত জিলিকি উঠে। ৰূপৰ চামুচ মুখত লৈ শৰ্মাই জন্ম গ্ৰহণ কৰা নাছিল আৰু ল'ৰা কালত পোৱা নাছিল শিক্ষা-সংস্কৃতিৰ অনুকূল পৰিৱেশ। নিজৰ চেষ্টা, অদমনীয় উৎসাহ আৰু ভৱিষ্যত লক্ষ্যৰ প্ৰতি থকা স্থিৰ আৰু অচঞ্চল দৃষ্টিৰ ফলত তেওঁ গঢ়ি তুলিবলৈ সমৰ্থ হৈছিল আৱশ্যকীয় বাতাবৰণ। শিক্ষকতা কাম কৰি থকা অৱস্থাতে উচ্চ মাধ্যমিক স্তৰৰপৰা এম. এ. উপাধি লাভলৈকে যেনে নিৰৱচ্ছিন্ন সাধনাৰ আৱশ্যক হয় তেনে সাধনাত ৰত হোৱা দুই-চাৰিজন অসমীয়া লোক আছে ; কিন্তু নিজৰ চেষ্টাৰ বলত লাহে-ধীৰে পৰীক্ষাৰ দুৱাৰ দলি পাৰ হোৱা যোগ্যতাৰ আদৰ্শই গিৰিধৰ শৰ্মাৰ ক্ষেত্ৰত শেষ কথা নহয়। তেওঁৰ মনোবল, বলিষ্ঠ কৰ্মনিষ্ঠা আৰু অধ্যৱসায়ৰ দীপ্তিৰ তুলনাত পৰীক্ষাৰ কৃতকাৰ্যতাৰ জ্যোতি মলিন। আচলতে গিৰিধৰ শৰ্মাৰ জীৱনৰ বৈশিষ্ট্য পৰিস্ফুট হৈছে তেওঁৰ কৰ্মোদ্যমৰ মাজত। পাৰিবাৰিক দিশতেই হওক, নাইবা সামাজিক দিশতেই হওক, তেওঁৰ পৰিকল্পনা মনৰ অৱসৰ-বিনোদনৰ বিলাস নহয়, কৰ্মযোগীৰ অক্লান্ত অগ্ৰগতিৰ উদ্দীপনাহে।

গিৰিধৰ শৰ্মাক ঘনিষ্ঠভাৱে জনাৰ সুযোগ মই পাইছিলোঁ। প্ৰথমতে মই তেওঁক লগ পাইছিলোঁ নলবাৰীত ; যেতিয়া তেওঁ প্ৰাথমিক স্কুলৰ শিক্ষক। ময়ো কিছু দিনৰ কাৰণে নলবাৰী গৰ্ডন হাইস্কুলত শিক্ষকতা কাম কৰিছিলোঁ। গিৰিধৰ শৰ্মা তেতিয়া লাজকুৰীয়া ডেকা হ'লেও তেওঁৰ আছিল চকুৱে-মুখে প্ৰতিভাৰ জ্যোতি। বয়সত মই শৰ্মাতকৈ ডাঙৰ। গতিকে আমাৰ মাজত সৌহাৰ্দ্য গঢ়ি উঠা সুযোগ কম আছিল। তদুপৰি, নলবাৰীত এবছৰমান থকাৰ পিছতে মই উত্তৰ গুৱাহাটীলৈ গুচি আহিছিলোঁ।

১৯৪১ চনত মই গিৰিধৰ শৰ্মাক লগ পাওঁ ধুবুৰীত। ধুবুৰীৰ চৰকাৰী হাইস্কুলৰ তেওঁ শিক্ষক আৰু সেই স্কুলৰে ময়ো শিক্ষক। অকল সেয়েই নহয়। আমি দুয়ো এটা সৰু ঘৰ ভাৰা লৈ একেলগে খোৱা-থকাও কৰিছিলোঁ। আহৰি সময় খিনিত মই শৰ্মাৰ লগত কথা পাতোঁ, গল্প-প্ৰবন্ধ লিখোঁ আৰু কেতিয়াবা কেতিয়াবা হাৰমোনিয়াম লৈ দুটা এটা গান গাওঁ। গানৰ প্ৰতি শৰ্মাৰ অনুৰাগ কম, কিন্তু আলাপ-আলোচনাত যোগ দিয়াৰ আগ্ৰহ তেওঁৰ আছে। গিৰিধৰ শৰ্মাই তেতিয়া বি. এ. পৰীক্ষাৰ কাৰণে পঢ়াশুনা আৰম্ভ কৰিছিল। পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে শৰ্মাই যেনেভাৱে পঢ়াশুনা কৰিছিল তালৈ লক্ষ্য কৰিলে বুজিব পৰা গৈছিল কেনে অবিচলিত চিত্তে তেওঁ পুথিৰ পাতৰ মাজত সোমাই পৰিব পাৰে। মনৰ গতি একমুখী কৰিব নোৱাৰিলে বিক্ষিপ্ততাৰ মাজত প্ৰতিভা হেৰাই যোৱাৰ দৃষ্টান্ত আছে ; কিন্তু যিসকল লোকে নিজৰ শক্তিক বিক্ষিপ্ত হৈ পৰিবলৈ নিদি উদ্দেশ্য সাধনৰ বাটত লাহে ধীৰে আগবাঢ়ে, সেইসকল লোকেই জীৱনত কৃতকাৰ্য হোৱাৰ সুযোগ পায়। গিৰিধৰ শৰ্মাৰ লক্ষ্য স্থিৰ আছিল আৰু লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত তেওঁ কেতিয়াও পশ্চাৎপদ হোৱা নাছিল। জীৱনৰ বাধা-বিঘিনিয়ে আগুৰি ধৰিলেও তেওঁ সেইবোৰৰ ওপৰলৈ উঠাৰ চেষ্টা সদায় কৰিছিল।

নলবাৰী কলেজৰ অধ্যক্ষ হিচাপে কাম কৰাৰ কেইবছৰমান পিছতে গিৰিধৰ শৰ্মাৰ উৎসাহ আৰু যত্নৰ ফলত আৰ্যবিদ্যাপীঠ কলেজে জন্ম লাভ কৰে। কলেজ আৰম্ভ কৰা সময়ত শৰ্মাই কটন কলেজৰ অসমীয়া বিভাগত অধ্যাপনা কৰিছিল। পিছলৈ তেওঁ আৰ্য্য বিদ্যাপীঠ কলেজৰ অধ্যক্ষ হৈ কলেজখনৰ দ্ৰুত সম্প্ৰসাৰণ কৰিবলৈ সচেষ্ট হৈছিল। আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়খন গিৰিধৰ শৰ্মাৰ কীৰ্তিস্তম্ভ বুলি ক'লে নিশ্চয় অত্যুক্তি নহ'ব। মহাবিদ্যালয়খন জাকত জিলিকা কৰি তোলাৰ চেষ্টাতে গিৰিধৰ শৰ্মাৰ জীৱনৰ এটা মূল্যবান অধ্যায় শেষ হৈছে। কিন্তু কলেজ সংগঠনৰ কামতে গিৰিধৰ শৰ্মাৰ সকলো শক্তি নিঃশেষ হৈ যোৱা নাছিল। তেওঁ পুথি লিখিছিল, সভা সমিতিত বক্তৃতা দি ফুৰিছিল। বন্ধু-বান্ধৱ আৰু আত্মীয়-স্বজনৰ লগতো সম্পৰ্ক ৰক্ষা কৰিবলৈ পাহৰা নাছিল। এজন গৃহীলোক হিচাপে যিবোৰ সামাজিক দায়িত্ব পালন কৰাৰ আৱশ্যক হয়, সেইবোৰ দায়িত্ব পালনৰ ক্ষেত্ৰত বহুতো কৰ্মব্যস্ত লোকে কোনো গুৰুত্ব আৰোপ কৰা দেখা নাযায় ; কিন্তু কৰ্মব্যস্তলোক হ'লেও গিৰিধৰ শৰ্মা আছিল এইশ্ৰেণী লোকৰ বাহিৰত। সংগঠনৰ কাৰ্যত পিছ ভৰি নোহোৱাৰ নিচিনাকৈ সামাজিক দায়িত্ব পালনৰ ক্ষেত্ৰতো তেওঁ আছিল আগ্ৰহী।

গিৰিধৰ শৰ্মা আছিল অসমীয়া অধ্যাপক। তথাপি তেওঁৰ জীৱনত কাব্যিক ভাববিলাসৰ তুলনাত গাণিতিক বিচাৰ-ধাৰাৰ প্ৰাধান্য পৰিলক্ষিত হয়। তেওঁৰ

যোগ্য ভায়েক উমাকান্ত দৰ্শনৰ ছাত্ৰ। অথচ, তেওঁ ৰচনা কৰা পুথিসমূহৰ মাজত যেনেদৰে কাব্যিক অনুভূতিৰ প্ৰকাশ ঘটিছে, গিৰিধৰ শৰ্মাৰ জীৱন আৰু ৰচনাতো তেনে ধৰণৰ অনুভূতি-প্ৰৱণতা দেখা পোৱা নাযায়। শৰ্মাৰ বক্তৃতাবোৰো সাধাৰণতে আছিল উচ্ছ্বাসবৰ্জিত বিশ্লেষণ-প্ৰচেষ্টাহে। ৰোমাণ্টিক সাহিত্যৰ পঠন-পাঠনৰ মাজত ভালেমান দিন অতিবাহিত হোৱা সত্বেও শৰ্মাৰ মনটোৰ ওপৰত যেন ধ্ৰুপদী আদৰ্শই আধিপত্য বিস্তাৰ কৰি আছিল।

নিজৰ যোগ্যতা আৰু কৰ্ম-পটুতাৰ কাৰণে অসম সাহিত্য সভাৰ সভাপতি পদত গিৰিধৰ শৰ্মা অধিষ্ঠিত হয়। সভাৰ সভাপতি হিচাপে থকা চুটি কালছোৱাত যিটো উদ্যমেৰে শৰ্মাই অসমৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰি সাহিত্য সভাৰ সংগঠন-কাৰ্য শক্তিশালী কৰিবলৈ যত্নপৰ হৈছিল, সেই উদ্যম নিচেই কমসংখ্যক সভাপতিয়েহে দেখুৱাবলৈ সমৰ্থ হৈছে। তেওঁৰ চেষ্টাৰ ফলতে কেইখনমান মূল্যবান পুথিও সভাৰ তৰফৰপৰা ছপা হৈ ওলায়। অসম সাহিত্য সভাৰ সভাপতি আৰু পৰিচালনা কমিটিৰ অনুসৰি কাম কৰাত নিশ্চয় কিছু অসুবিধা হৈছে। গিৰিধৰ শৰ্মায়ো এই অসুবিধা ভোগ কৰিছে। ফলত হাতত লোৱা কোনো কোনো কামো তেওঁ কৰাৰ সুবিধা পোৱা নাই।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যমৰ প্ৰশ্নত গোটেই অসম জুৰি আন্দোলন আৰম্ভ হৈছিল। এই আন্দোলনত আগভাগ লৈছিল ছাত্ৰ-ছাত্ৰীসকলে ; কিন্তু এনে এটা আৱশ্যকীয় প্ৰশ্নত সমূহ ৰাইজৰ কৰণীয় নিশ্চয় কিছু আছিল। এই উদ্দেশ্যে অসমৰ বিভিন্ন অঞ্চলৰ প্ৰতিনিধিসকলক লৈ গুৱাহাটী জিলা পুথিভঁৰালত এখন ৰাজহুৱা সভা আহ্বান কৰা হৈছিল। এই সভাত গঠিত হৈছিল এটা কাৰ্যকৰী কমিটি আৰু এই কমিটিৰ উপ সভাপতি আছিল গিৰিধৰ শৰ্মা। এই দায়িত্বও শৰ্মাই নিষ্ঠাৰে পালন কৰিবলৈ যত্ন কৰিছিল।

গিৰিধৰ শৰ্মা এজন কৰ্মযোগী। বিক্ষিপ্ততাৰ অপাৰ সমুদ্ৰত সাতুৰি-নাদুৰি ফুৰা লোক তেওঁ নহয়। জীৱনৰ কেইটামান লক্ষ্যৰ প্ৰতি তেওঁ আকৃষ্ট হৈ পৰিছিল আৰু সেইবোৰ লক্ষ্যত উপনীত হোৱাৰ বাবে তেওঁ কোনো দিনেই যত্নৰ ত্ৰুটী কৰা দেখা নগৈছিল। অদম্য বাসনাৰ সাফল্য লাভত গিৰিধৰ শৰ্মাৰ জীৱনৰ সাৰ্থকতা। জীৱন-যুদ্ধত বহুতো লোক পিছলি পৰে আৰু কিছুমান হয় ক্লান্ত আৰু অৱসাদগ্ৰস্ত। কিন্তু গিৰিধৰ শৰ্মা পিছলি পৰা নাই, হতাশায়ো তেওঁক আগুৰি ধৰিব পৰা নাই। বলিষ্ঠ আশাবাদে তেওঁক আগুৱাই লৈ গৈছে। তেওঁৰ কৰ্মজীৱন বেছি দীঘলীয়া হোৱাহেঁতেন সমাজ তাৰপৰা উপকৃত হ'লহেঁতেন সন্দেহ নাই। কিন্তু তেওঁৰ প্ৰয়োজন হয়তো আন কোনো ঠাইত আছে। সেইবাবে তেওঁ আঁতৰি গুচি গ'ল। তেওঁৰ কৰ্মনিষ্ঠাই আনক অনুপ্ৰাণিত কৰক এয়ে আশা। ❖

# কৰ্মীপুৰুষ গিৰিধৰ শৰ্মা

**বিনয় ভূষণ চৌধুৰী**

স্বৰ্গীয় গিৰিধৰ শৰ্মাৰ লগত মোৰ পৰিচয় ঘটে ১৯৪৬ চনত। সেই সময়ত মই তেখেতৰ সুযোগ্য ভাতৃ উমাকান্ত শৰ্মাৰ সৈতে সন্দিকৈ ছোৱালী কলেজত অধ্যাপনা কৰোঁ ; আৰু আমি দুয়ো ৰিহাবাৰীতে থাকোঁ। শৰ্মাদেৱে তেতিয়া উত্তৰ লক্ষীমপুৰ হাইস্কুলত চাকৰি কৰিছিল। তেখেতে এবাৰ গুৱাহাটীলৈ আহি ভায়েক উমাকান্ত শৰ্মাৰ লগতে আছিল। এদিন মই আৰু উমাকান্ত শৰ্মা কলেজৰ পৰা আহি তেওঁৰ ঘৰত সোমাওঁ। তাতে মোৰ লগত শৰ্মাৰ প্ৰথম পৰিচয় হয়। তেখেতে অসমীয়া বিভাগত এম. এ. পৰীক্ষা দিয়াৰ কথা ব্যক্ত কৰি পাঠ্যক্ৰমৰ বাহিৰে অইন কি কি কিতাপ পৰীক্ষা সংক্ৰান্তত পঢ়াৰ দৰ্কাৰ তাৰে এটি আভাস মোৰ পৰা লয়। লগতে ৰিহাবাৰীত মাটিৰ কেনে দাম সেই বিষয়েও মোৰপৰা বুজ লয়। ১৯৪৮ চনত অসমীয়াত এম. এ. পাছ কৰি কিছুদিনৰ পাছত তেওঁ কলেজিয়েট স্কুললৈ বদলি হৈ আহে। ১৯৪৯ চনত মই কটন কলেজত নিযুক্তি পাই অহাৰ পাছত ১৯৫০ চনত শৰ্মাদেৱে সন্দিকৈ কলেজত অধ্যাপক হয় ; কিন্তু বেছিদিন তেওঁ সন্দিকৈ কলেজত থাকিব নালাগিল। অলপ দিনৰ ভিতৰতে তেখেতে কটন কলেজত চাকৰি পাই মোৰ সহকৰ্মী হিচাপে যোগদান কৰে ; আৰু ১৯৬২ চনত কটন কলেজৰ চাকৰি ইস্তাফা দি তেওঁ নিজে গঢ়া আৰ্য বিদ্যাপীঠ কলেজৰ অধ্যক্ষ হয়। ১৯৭৫ চনত তেওঁ সেই কলেজৰপৰা অৱসৰ গ্ৰহণ কৰে।

শৰ্মা ডাঙৰীয়া এজন অতি উৎসাহী কৰ্মীপুৰুষ আছিল। কিবা নহয় কিবা এটা কামত ব্যস্ত থকাটো তেওঁৰ অভ্যাসত পৰিণত হৈছিল। তেওঁ যে কেৱল নিজৰ কামতে ব্যস্ত আছিল এনে নহয় ; বৰং বেছিভাগ কাম কৰিছিল সমাজৰ উন্নতিৰ কাৰণেহে। তেওঁ ৰিহাবাৰীত স্থায়ী বাসিন্দা হিচাপে যেতিয়া থাকিবলৈ ল'লে তেতিয়া তেওঁৰ একমাত্ৰ চিন্তা হৈ পৰিল—কেনেকৈ ৰিহাবাৰীৰ উন্নতি

কৰিব পাৰি। ৰিহাবাৰীত তেতিয়া এটা খেৰ বাঁহেৰে সজা পাঠশালা মাত্ৰ আছিল। ঘৰটোৰ অৱস্থা বৰ দুখলগা আছিল। সেই ঘৰটোৰ উন্নতি কৰি এটি টিনৰ ঘৰ-নিৰ্মাণ কৰিবলৈ তেওঁ দৃঢ়সংকল্প হ'ল। ইয়াত থকা পুৰণি বাসিন্দা শ্ৰীযুত ৰাধাকান্ত দাস প্ৰমুখ্যে সকলোৰে সহায়-সহযোগত তেওঁ আগৰণুৱা হৈ দান-বৰঙণি তুলি চৰকাৰৰ ওচৰত আবেদন-নিবেদন কৰি এই স্কুল ঘৰটো নিৰ্মাণ কৰে।

যি সময়ৰ কথা আমি কৈছোঁ, সেই সময়ত ৰিহাবাৰী গুৱাহাটীৰ এমূৰীয়া ঠাই আছিল ; আৰু ইয়াত বসতি কৰা মানুহৰ সংখ্যাও বৰ তাকৰ আছিল। দুই এঘৰকৈ মানুহে মাটি কিনি ঘৰ সজাইছিল। গতিকে ইয়াৰ মানুহখিনিৰ মাজত সংহতি স্থাপন কৰিবলৈ শৰ্মাদেৱৰ প্ৰচেষ্টাতে 'ৰিহাবাৰী উন্নয়ন সমিতি' গঠন কৰা হয়। এই সমিতিৰ যোগেদি শৰ্মাদেৱে অশেষ যত্ন কৰি ৰিহাবাৰীত এটি হৰিমন্দিৰ স্থাপন কৰে। ইয়াৰ বাবে তেখেতে সকলোৰে পৰা দান বৰঙণি আদায় কৰিছিল। এই কামত অভিযন্তা হৰেশ্বৰ কাকতি, শ্ৰীপদ্মৰাম দাস আৰু গজেন দাসে বিশেষভাৱে সহায় কৰিছিল। এই প্ৰসংগতে উল্লেখ কৰি যোৱাটো উচিত শৰ্মাদেৱৰ প্ৰচেষ্টাতে গজেন দাস আৰু শ্ৰীপদ্মৰাম দাসে হৰিমন্দিৰৰ লগতে এটি মঞ্চও সাজি দিছিল। এই হৰি মন্দিৰতে ৰিহাবাৰীত শংকৰদেৱ, দামোদৰ দেৱ আদিৰ তিথি পালন আদি আনুষ্ঠানিক কামবোৰ হ'বলৈ ধৰে। তদুপৰি ৰিহাবাৰীত আগতে দুৰ্গাপূজা নহৈছিল ; কিন্তু এই মন্দিৰ স্থাপন হোৱাৰ পাছৰপৰাই ইয়াত প্ৰত্যেক বছৰে দুৰ্গাপূজা হ'বলৈ ধৰে। শৰ্মাদেৱে নিজে আগভাগ লৈ ঘৰে ঘৰে গৈ চান্দা তুলি দুৰ্গাপূজাৰ পাতনি মেলিছিল।

ৰিহাবাৰী তথা দক্ষিণ গুৱাহাটীত দেশ বিভাজনৰ পাছত বহুতো তেতিয়াৰ পূব পাকিস্তানৰ শৰণাৰ্থী আহি বসবাস কৰিবলৈ লয়। লগতে পুৰণি গুৱাহাটীত ঠাই নোপোৱাৰ বাবে অসমৰ বিভিন্ন ঠাইৰ থলুৱা মানুহেও ৰিহাবাৰী আৰু দক্ষিণ গুৱাহাটীৰ বিৰুবাৰী, ৰূপনগৰ, আমবাৰী-ফটাশিল আদি ঠাইত স্থায়ীভাৱে ঘৰ-বাৰী সাজি থাকিবলৈ লয়। শৰ্মাদেৱে অনুভৱ কৰিলে যে এই ক্ৰমবৰ্ধমান জনতাৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ কাৰণে এখন এম. ই স্কুল লাগে। ৰিহাবাৰীৰ নাম ঘৰতে স্কুল খন আৰম্ভ কৰিলে। কিন্তু এনে অস্থায়ী স্কুল এখন বেছিদিন নামঘৰত চলি থাকিব নোৱাৰে। সেই কাৰণে এটা স্থায়ী স্কুল পতাৰ কাৰণে মাটি বিচাৰি চৰকাৰৰ বিষয়া সকলক লগ ধৰি বৰ্তমান প্ৰতিষ্ঠাপিত আৰ্য্য বিদ্যাপীঠ স্কুলৰ মাটিখিনি স্কুলৰ বাবে পত্তন বিচাৰিলে। লগতে কিছু ম্যাদী মাটিও কিনিলৈ আৰ্য্য বিদ্যাপীঠ বহুমুখী উচ্চতৰ মাধ্যমিক স্কুল প্ৰতিষ্ঠা কৰে। এই কামত নিজে আগৰণুৱা হৈ

মানুহৰপৰা দান-বৰঙণি গ্ৰহণ কৰি আৰু চৰকাৰৰপৰা যথেষ্ট অনুদান লাভ কৰি এই স্কুলখন গঢ়ি তোলে। আজি যি ঠাইত স্কুল পতা হৈছে, সেই ঠাইত স্কুল পতাৰ আগলৈকে তাৰ দাঁতি-কাষৰত কোনো মানুহ নাছিল আৰু অতি দ' ঠাই আছিল। ওচৰে পাঁজৰে দুই এজন বিহাৰী সম্প্ৰদায়ৰ মানুহে চৰকাৰী মাটিৰ একচনীয়া পট্টালৈ ঘৰ সাজি আছিল। এই স্কুললৈকে নামঘৰত থকা এম. ই. স্কুলখন তুলি নিয়া হৈছিল। ক্ৰমে এই স্কুলত ওচৰে পাজৰে থকা ঠাইৰপৰা বহুতো ছাত্ৰ-ছাত্ৰী ভৰ্তি হ'বলৈ ধৰে আৰু এখন পূৰ্ণাংগ উচ্চতৰ বহুমুখী মাধ্যমিক স্কুলত পৰিণত হয়গৈ। এই কামত তেখেতক তেতিয়াৰ কামৰূপৰ স্কুল পৰিদৰ্শক (পিছত শিক্ষাব'ৰ্ডৰ সঞ্চালক) শ্ৰীযুত দণ্ডেশ্বৰ গগৈদেৱে বিশেষভাৱে সহায় কৰিছিল।

শৰ্মাদেৱ কেৱল যে এজন অক্লান্ত সমাজকৰ্মীয়ে আছিল—এনে নহয়, তেওঁ এজন দূৰদৰ্শী পুৰুষো আছিল।

গুৱাহাটীৰ ক্ৰমবৰ্ধমান জনসংখ্যালৈ লক্ষ্য ৰাখিয়ে তেওঁ আৰ্য্য বিদ্যাপীঠ স্কুলৰ চৌহদতে এখন কলেজ পতাৰ আঁচনি পাঙিলে। এবাৰ তেওঁৰ মনত যিটো কথাই সম্ভৱ বুলি ধাৰণা হয়, তেওঁ তাক কাৰ্যকৰী নকৰাকৈ অলপো পিছুহোঁকা নিদিছিল। এই উদ্দেশ্যে তেওঁ আৰ্য্য বিদ্যাপীঠ স্কুলতে কলেজ পাতিবলৈ স্থিৰ কৰে। প্ৰথমে বহু অধ্যাপকক সামান্য দৰমহা দি কলেজৰ কাম চলাইছিল আৰু লগে লগে তেওঁ কলেজৰ ঘৰ-দুৱাৰ বন্ধাত ব্ৰতী হৈছিল। এই উদ্দেশ্যে তেওঁ ৰাইজৰ পৰা দান-বৰঙণি তুলিছিল। এই কলেজখন পতাত সন্তোষ সিং, শ্ৰীদেৱপ্ৰসাদ সেন, আৰু জননেতা শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী প্ৰমুখ্যে বহুতো গণ্য-মান্য লোকে বিশেষভাৱে সহায় কৰিছিল। চাওঁতে চাওঁতে কলেজৰ ঘৰ-দুৱাৰ হৈ উঠিল। কিন্তু উপযুক্ত নেতৃত্ব দিব নোৱাৰিলে তেওঁৰ আদৰ্শ সম্পূৰ্ণৰূপে প্ৰতিফলন নহ'ব ভাবি তেওঁ ১৯৬২ চনত চৰকাৰী চাকৰি ইস্তাফা দি এই কলেজৰ অধ্যক্ষ পদ গ্ৰহণ কৰে আৰু কলেজৰ উন্নতিৰ কাৰণে একাণপতীয়াভাৱে লাগি যায়। তেওঁৰ অক্লান্ত পৰিশ্ৰমৰ ফলত অতি কম সময়ৰ ভিতৰতে আৰ্য্য বিদ্যাপীঠ কলেজ অসমৰ ভিতৰতে এখন প্ৰথম শ্ৰেণীৰ কলেজত পৰিণত হ'ল। এই আৰ্য্য বিদ্যাপীঠ কলেজত অংকৰ স্নাতকোত্তৰ শ্ৰেণীয়ো তেখেতে খুলিছিল। তেখেতে অনুভৱ কৰি দেখিছিল যে স্বাধীনোত্তৰ কালত শিক্ষাৰ প্ৰসাৰ দিনক দিনে বৃদ্ধি পাইছে আৰু বহুতো হাইস্কুল গাঁৱে-ভূঁয়ে স্থাপন হৈছে ; কিন্তু অংক

শিকাবৰ বাবে উপযুক্ত শিক্ষক নোহোৱাৰ বাবে স্কুলীয়া শিক্ষাৰ শেষান্ত পৰীক্ষাত বহুতো ছাত্ৰ-ছাত্ৰী অংকত অকৃতকাৰ্য হয়। তেওঁ নিজে এজন শিক্ষাবিদ আছিল, গতিকে স্কুলত অংক শিকোৱা শিক্ষকৰ অভাৱ দূৰ কৰিবৰ বাবে তেওঁ নিজৰ কলেজতে স্নাতকোত্তৰ শ্ৰেণী খুলিছিল।

আৰ্য্য বিদ্যাপীঠ স্কুল আৰু কলেজ একেটা চৌহদৰ ভিতৰতে অৱস্থিত। আৰ্য্য বিদ্যাপীঠ স্কুলত সহশিক্ষা প্ৰচলন আছিল। শৰ্মা ডাঙৰীয়াই স্কুলৰ ছোৱালীবিলাকৰ কাৰণে এটি সুকীয়া ছোৱালী হাইস্কুল স্থাপন কৰাৰ কাৰণে উঠিপৰি লাগিল আৰু এই কামত তেখেতৰ সম্বন্ধীয়া দদায়েক উমাকান্ত শৰ্মাই বিশেষভাৱে সহায় কৰিছিল। ছোৱালী হাইস্কুল দক্ষিণ গুৱাহাটীত নাছিল। জনসংখ্যা বৃদ্ধি পোৱাৰ বাবে পঢ়া ছোৱালীৰ সংখ্যা দিনক দিনে বাঢ়ি গৈছিল। এই উদ্দেশ্যে তেতিয়াৰ শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাৰ ওচৰলৈ গৈ তেওঁ প্ৰস্তাৱ দিছিল যে শিক্ষাবিদ্ ভাষাতাত্ত্বিক ৰিহাবাৰীৰ বাসিন্দা ড° বাণীকান্ত কাকতিৰ স্মৃতিৰক্ষাৰ কাৰণে ৰিহাবাৰীতে এটি ছোৱালী হাইস্কুল স্থাপন কৰিব বিচাৰে। গতিকে চৰকাৰে মাটি আৰু আৰ্থিক সাহায্য দি ড° কাকতিৰ স্মৃতিৰক্ষাৰ কাৰণে সহায় কৰিব লাগে। শ্ৰীবৰুৱাদেৱে মাটি পত্তন দিয়াৰ ব্যৱস্থা কৰি দিয়ে আৰু কিছু আৰ্থিক সাহায্যও চৰকাৰৰ পৰা আগবঢ়ায়। ইয়াৰ উপৰিও শৰ্মা ডাঙৰীয়াই দান-বৰঙণি সংগ্ৰহ কৰি ৰিহাবাৰীত বাণীকান্ত কাকতি সোঁৱৰণী ছোৱালী হাইস্কুল প্ৰতিষ্ঠা কৰে।

শৰ্মাদেৱে ১৯৭৫ চনত চাকৰিৰপৰা অৱসৰ ললেও তেওঁ কামৰপৰা অৱসৰ ল'ব পৰা নাছিল। তেওঁৰ জীৱনটোৱে আছিল কৰ্মময়। এখন্তেকো তেওঁ কাম নকৰাকৈ থাকিব নোৱাৰিছিল। তেওঁ শাৰীৰিক অসুস্থতাত ভুগিলেও ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ প্ৰান্তীয় সঞ্চালকৰ দায়িত্ব গ্ৰহণ কৰি গোটেই অসম আনকি ভাৰতৰো বিভিন্ন ঠাইত সংঘৰ কাম কৰি ফুৰিছিল। ঘৰত থকা সময়ত তেওঁ প্ৰেছৰ যাৱতীয় কাম কৰিছিল। এনে এজন মহান কৰ্মীপুৰুষ আমাৰ সকলোৰে আদৰ্শ হোৱা উচিত। ❖

# আপুনি জানে নে?

অতুলচন্দ্ৰ বৰুৱা

১৯৫৭ চনৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহমানৰ কথা। তেতিয়া আমি গুৱাহাটী চাৰ্কেলৰ এছিষ্টেণ্ট ছেটেলমেণ্ট অফিচাৰ ঃ বন্দবস্তিৰ কাম চলি আছে। এদিন দেওবাৰে গাত এৰীয়া তেলাচ লৈ ৰাতিপুৱা শৰ্মা আমাৰ চান্দমাৰিৰ ঘৰত ওলালহি। লগত আৰু কোনোবা এজন আহিছিল, মনত নাই। ভদ্ৰতাৰ সাধাৰণ সৌজন্যখিনিৰ পৰস্পৰ বিনিময়ৰ অন্তত তেওঁ ক'লে—"ড° কাকতিৰ ঠাই ৰিহাবাৰী অঞ্চলত শিক্ষালাভৰ কাৰণে আজি কি কি সুবিধা আছে আপুনি জানে নে? তাত এম. ই. স্কুল এখনত বাহিৰে আৰু একো শিক্ষানুষ্ঠান নাই। আমি এতিয়া তাত সম্প্ৰতি এখন হাইস্কুল পাতিব খোজোঁ, পাৰিলে সেইখনকে বুলাই নি কলেজ কৰিম। এতিয়া আপোনাৰ সহযোগ লাগে।"

—"আপুনি তাত প্ৰিন্সিপাল হ'বলৈ বহুত দিন বাকী হবলা দেখোন"—মই ক'লো।

—"প্ৰিন্সিপাল কিয়, আৰু দুবছৰমানৰ মূৰত লাগিলে তাৰ চকিদাৰ, অধ্যাপক, প্ৰিন্সিপাল—সকলো হৈ হ'লেও কলেজ পতা হ'ব। আপুনি কেৱল অলপ মাটিৰ ব্যৱস্থা কৰি দিয়ক ; তাৰ পাছত আপোনাক দেখুৱাম নহয়, আমি কি কৰিব পাৰোঁ।"

—"য'ত এম.ই. স্কুল এখন মাত্ৰ আছে, তাত কলেজ পাতিবলৈ হ'লে কিন্তু আপুনি কটন কলেজৰ অধ্যাপনা বাদ দিব লাগিব। 'এক বুঢ়ীৰ দুই কাম ধান বানে চোহে আম'—নচলিব।"

"কৈছোঁ নহয়, আগে মাটি এটুকুৰা আপুনি আমাক দিয়ক, তাৰ পাছত চাব আমি কি কৰোঁ। মন্ত্ৰী মতিৰাম বৰাক আমি ছিলঙত লগ ধৰিছিলোঁ, তেওঁ আপোনালৈ আঙুলিয়ালে। গতিকে আপুনি এতিয়া যি কৰে কৰক। মাটি নিদিলে কিন্তু আপোনাৰ গুৰু ড° কাকতিয়ে সিপুৰীৰ পৰাই আপোনাক খং কৰি উঠিব।"

"ক'ত কোন ঠাইত মাটি বিচাৰে"—বোলাত প্ৰথমে চেৰাপ-ভাটীৰ ওচৰৰ আলিটোৰ (পূবা-পছিমাকৈ থকা) উত্তৰ ফালৰ মুকলি ঠাইবোৰলৈ তেওঁ টোৱালে। মুকলি মানে তেতিয়া মুকলি আছিল। সেইবোৰ কোন কাহানিবাই মানুহে প্ৰিমিয়াম দি ম্যাদী পট্টা কৰি লৈছে তাত নহ'ব বোলাত এইবাৰ তেওঁ আলিৰ দক্ষিণে থকা বৰদলৈ ক্লিনিকৰ উত্তৰৰ সমস্ত মুকলি পথাৰখনলৈ আঙুলিয়ালে। তাতো নহ'ব, সেইডোখৰ ঠাইত চৰকাৰৰ নিজৰে একুৰি-এটা আঁচনি আছে বোলাত শেহত তেওঁ গড়ভঙা আলিৰ (আজি-কালিৰ বৰদলৈ ক্লিনিক ৰোডৰ) পছিমৰ ঠাইবোৰলৈ আঙুলিয়ালে। ঠাইখিনি দ যদিও মোৰো মনত লাগিল। হ'লে সেই ঠাইতে হ'ব পাৰে বুলি তেখেতক মই অফিচলৈ পিছদিনা ৩।৪ মান বজাত যাবলৈ ক'লোঁ। তেখেত মান্তি হ'ল। কাৰণ মাটি থাকে মণ্ডলৰ মেপ-চিঠাতহে ; শৰ্মাদেৱে সেই কথা জানে।

সোমবাৰে চাৰি বজাৰ পিছত দুয়ো অফিচত দুৱাৰ বন্ধ কৰি বহি সংশ্লিষ্ট মণ্ডল-কাননগোক লগত লৈ মেপ-চিঠা পৰীক্ষা কৰাত লাগি গ'লোঁ। মেপত স্থান একৰকম নিৰ্ধাৰণ কৰা হ'ল। পিছদিনা দুয়ো সদলবলে গৈ মাটিডোখৰৰ থান-থিতি চাই ল'লোঁ। এতিয়াও মনত আছে মাটিডোখৰৰ কিছু অংশত এজন দেচোৱালী লোকে ধান খেতি কৰি আছিল। খেতি কৰা মাটিৰ কিছু অংশত তেওঁৰ একচনা পট্টা আছিল, বাকীখিনি চৰকাৰী। চৰকাৰী অংশত তুৰন্তে বেদখলী ৰিপোৰ্ট দিবলৈ চিঠাত হুকুম দিয়া হ'ল। থাউকতে থকা ন বিঘা, তিনি কঠা, কেইলেচামান মাটিৰ বিৱৰণ তন্নতন্নকৈ পৰীক্ষা কৰি চাই পোৱা গ'ল—তাৰে এক অংশত এজনৰ একচনা পট্টাৰ মাটি আন এজনে দখল কৰি আছে। গতিকে এইডোখৰৰো পট্টা কৰ্তনৰ বাবে নোটিচ দিবলৈ ব্যৱস্থা কৰা হ'ল। চৰকাৰী মাটিসহ নবিঘা তিনিকঠাৰ অধিক মাটি পোনতে লোৱাৰ স্থিৰ হ'ল। পিছে এই নিৰ্বাচিত মাটিডৰালৈ যাবলৈ হ'লে অইনৰ ম্যাদী পট্টাৰ মাটিৰ ওপৰেদি বাট

নল’লে নচলে। অঙ্ক কৰি চাই দেখা গ’ল তিনি কঠামান মাটি লাগে—নৰ্দমাৰে সৈতে আলিৰ কাৰণে ; কাৰণ বৰ দ মাটি। শৰ্মাই আমাৰ পৰামৰ্শমতে তাৰে দুকঠা কিনি ল’লে, সম্ভৱ কঠাত ১৫০০ টকাকৈ দিছিল। বাকী একঠা আমি ধৰি-মেলি মালিকৰ পৰা দান ল’লোঁ। তাতো বহুত কথা আছে, পোন আঙুলিৰে ঘিউ আনিব নোৱাৰি। সি যি হওক, কলেজৰ মাটিৰ প্ৰায় ঠিক-ঠাক হ’ল। খৰচ মাত্ৰ তিনি হেজাৰ টকা।

ৰাজহ-মন্ত্ৰী মতিৰাম বৰাই গুৱাহাটী চাৰ্কুইট হাউছতে মাটি সম্পৰ্কীয় কাকত-পত্ৰ চাই ডেপুটী কমিচনাৰক শীঘ্ৰে পঠাবলৈ মুখে মুখে নিৰ্দেশ দি গ’ল। এইদৰে সম্ভৱ ১৯৫৭ চনৰে নৱেম্বৰ-ডিচেম্বৰ মাহত মাটিৰ এক প্ৰকাৰ দখল দিয়া হ’ল। গৃহ-নিৰ্মাণৰ কাম দোপতদোপে আগবাঢ়ি আহিবলৈ ধৰিলে। শৰ্মাই পেটৰ ভাত চকুৰ নিদ্ৰা এৰি দেহেকেহে খাটিবলৈ ধৰিলে। তেওঁ কৈছিল—তেওঁ ইয়াক এখন প্ৰকৃত হিন্দু আদৰ্শৰ জ্ঞানপীঠ কৰি তুলিব। তাত বিজ্ঞান, কলা সকলো বিষয় শিকোৱা হ’ব ; তাৰ ছাত্ৰ আত্মনিৰ্ভৰশীল হ’ব, অধ্যাপকসকল হ’ব পুৰণি কালৰ ঋষিৰ দৰে জ্ঞানযোগী কৰ্মীলোক। সেই উদ্দেশ্যেই তেওঁ এই অনুষ্ঠানৰ নাম দিছিল আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়। মই যিমান দূৰ জানো ১৯৫৮ চনৰ এপ্ৰিল মাহত তাত হায়াৰ ছেকেণ্ডেৰী স্কুল আৰম্ভ হয় আৰু সেই বছৰৰে জুন মাহত কলেজ আৰম্ভ কৰা হয়। তাৰ প্ৰথম হেড্‌মাষ্টাৰ আছিল হৰিনাথ শৰ্মা আৰু পৰিচালনা সমিতিৰ প্ৰথম সভাপতি অধ্যক্ষ শ্ৰীৰাধানাথ দাস। ১৯৬২ চনত কটন কলেজৰ চাকৰি এৰি গিৰিধৰ শৰ্মাই পূৰ্ণ দায়িত্ব কান্ধ পাতি লোৱাৰ লগে লগে কলেজখন লহপহ কৰে বাঢ়ি আহিল। মানুহে আজিও আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় বুলিলেই স্বৰ্গীয় গিৰিধৰ শৰ্মাৰ কথাকে ভাবে আৰু শৰ্মাৰ নাম ওলালেও সেই অনুষ্ঠানটোৰ কথাকে মনত পেলায়। বি. বৰুৱা কলেজ, প্ৰাগজ্যোতিষ কলেজ আৰু গুৱাহাটী কলেজৰ ভেটিমাটিৰ লগত সম্পৰ্কিত হোৱাৰ দৰে স্বৰ্গীয় শৰ্মাৰ জৰিয়তে আমিও এই অনুষ্ঠানটিৰ লগত কৰ্তব্যসূত্ৰেদি জড়িত হ’বলৈ পাই তেওঁলৈ স্মৃতি-তৰ্পণ আগবঢ়ালোঁ। শৰ্মা আছিল এটি মূৰ্ত প্ৰেৰণা, জীৱন্ত অনুষ্ঠান।

# গিৰিধৰ শৰ্মা ছাৰৰ সোঁৱৰণীত

শ্ৰী দেৱানন্দ শইকীয়া

অসমৰ শিক্ষা জগতৰ এক বিশিষ্ট অনুষ্ঠান আৰ্যবিদ্যাপীঠ কলেজৰ প্ৰতিষ্ঠা আৰু পূৰ্ণৰূপ দান গিৰিধৰ শৰ্মা ছাৰৰ প্ৰায় একক প্ৰচেষ্টাৰ ফল বুলি ক'লেও অত্যুক্তি কৰা নহয়। কিয়নো নগৰৰ আওহতীয়া আৰু বিলসদৃশ দ' ঠাই এডোখৰত এই মহান অনুষ্ঠানটি প্ৰতিষ্ঠাৰ বাবে অঞ্চলটোৰ আশে-পাশে থকা ভালেকেইজন শিক্ষাপ্ৰেমী আৰু বদান্য ব্যক্তিয়ে তেখেতক উৎসাহ-উদ্দীপনা যোগাই পূৰ্ণ সহযোগ আগবঢ়ালেও ইয়াৰ কেন্দ্ৰস্থ ব্যক্তিজন আছিল তেখেতহে। ১৯৬২ চনত কটন কলেজৰপৰা চৰকাৰী চাকৰি ইস্তাফা দি আৰ্যবিদ্যাপীঠত অধ্যক্ষৰূপে যোগদান কৰাৰেপৰা অৱসৰ লোৱাৰ দিনলৈকে তেখেতে এই কলেজখনিৰ সকলো প্ৰকাৰৰ উন্নয়নৰ কামত নিজকে সম্পূৰ্ণ নিয়োজিত ৰাখি যি কৰ্মনিষ্ঠাৰ পৰিচয় দিছিল তেনে ব্যক্তিৰ উদাহৰণ আমাৰ সমাজত সততে বিৰল।

শৰ্মাদেৱ আছিল মোৰ কটন কলেজৰ শিক্ষাগুৰু। ১৯৬৩ চনৰ-পৰা তেখেতক মই আৰ্যবিদ্যাপীঠ কলেজৰ অধ্যক্ষৰূপত পাওঁ। এই বছৰতে এবছৰীয়া প্ৰাক্‌বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাৰ প্ৰথমটি দলে বিশ্ববিদ্যালয় পৰীক্ষাত বহিছিল আৰু তিনিবছৰীয়া বিজ্ঞানৰ ডিগ্ৰী-পাঠ্যক্ৰম এই কলেজত আৰম্ভ কৰিছিল। নানা অভাৱ-অভিযোগৰ মাজেদি হ'লেও তেখেতে নতুন নতুন শ্ৰেণী আৰু বিষয়বোৰ আৰম্ভ কৰি দিছিল। নিচেই কম সময়ৰ ভিতৰত আৰ্যবিদ্যাপীঠ এখন আগ-শাৰীৰ কলেজৰূপে অসমৰ শিক্ষাজগতত পৰিগণিত হ'ল। এই মহান প্ৰচেষ্টাত তেখেতে গুৰিবঠা ধৰিছিল। এই ক্ষুদ্ৰ প্ৰবন্ধত তেখেতক অধ্যক্ষ-ৰূপে পোৱা সময়ৰ নানা ঘটনাৰ দুই-চাৰিটা উল্লেখ কৰিবলৈ বিচাৰিছোঁ।

আৰ্যবিদ্যাপীঠক তেখেতৰ কৰ্মময় জীৱনৰ জয়কীৰ্তি আৰু দূৰ-দৰ্শিতাৰ প্ৰতীক বুলি কব পাৰি। যি কামকে কৰক তেখেতে

ভৱিষ্যতৰ কথা চিন্তা কৰিহে কৰিছিল আৰু তাত এটা মহান আদৰ্শ নিহিত আছিল। অৱশ্যে ইয়াৰ বাবে কেতিয়াবা কঠোৰ সমালোচনাৰো সন্মুখীন হৈছিল। কিন্তু যেতিয়া এজন মানুহৰ অন্তৰত কৰ্তব্যনিষ্ঠাৰ দুৰ্বাৰ হেঁপাহ থাকে, তেতিয়া এনেবোৰ বাধাই একো কৰিব নোৱাৰে। ছাৰৰ ক্ষেত্ৰত সেয়ে হৈছিল। কোন ঠাইত কলেজ হোষ্টেলবোৰ হ'ব লাগিব, ক'ত খেল পথাৰখন হ'ব, কোনখিনিত বিজ্ঞানবিভাগবোৰ থাকিব, তাৰ এটা সুচিন্তিত ব্যৱস্থা কৰিলৈহে তেখেতে কামত আগুৱাইছিল। ইয়াৰ ফলস্বৰূপে বৰ্তমান আৰ্যবিদ্যা-পীঠ কলেজক তিনিটা সুকীয়া অথচ সুবিধাজনক ব্লকত পাওঁঃ একাডেমিক কেম্পাছ, ৰেছিডেন্‌চিয়েল কেম্পাছ আৰু প্লে' গ্ৰাউণ্ড। ফলত কলেজ পৰিচালনাত যথেষ্ট সুবিধা হৈছে।

আৰ্যবিদ্যাপীঠৰ চালুকীয়া অৱস্থাত কটন কলেজৰ বহুকেইগৰাকী অধ্যাপকৰ অৰিহণা আছিল। এইসকল অধ্যাপকে প্ৰায়ে অবৈতনিক অধ্যাপকৰ দৰে প্ৰথম অৱস্থাত বহুবোৰ ক্লাছ লৈ দিছিল। এই বিষয়ে চৰকাৰৰ উৰ্ধতম মহলৰ দৃষ্টিগোচৰলৈ অনাত, চৰকাৰে ইয়াৰ সত্যতাৰ বিষয়ে ছাৰক সুধিছিল। ইয়াৰ উত্তৰত ছাৰে এইদৰে হেনো কৈছিল—"আপোনালোকৰ চৰকাৰী চাকৰিয়ালসকলক সমাজ-সেৱা কৰিবলৈ নিদিয়ে নেকি ?" চৰকাৰৰ মুখ বন্ধ। এইধৰণৰ ব্যক্তিত্ব আজিৰ সমাজত কেইজনৰ আছে চিন্তাৰ বিষয়।

এবাৰ তেখেতে কলেজৰপৰা ফোনেৰে এজন চৰকাৰী বিষয়াক জনালে যে কলেজৰ মাটিত কিছু বেদখল চলিছে। বিষয়াজনে উত্তৰত ক'লে, "যিহেতু এইবোৰ মাটি নোহোৱা মানুহ, গতিকে উচ্ছেদ কৰা অলপ অসুবিধা আছে।" তেতিয়া শৰ্মা ছাৰে ক'লে—"ঠিক আছে ; যদি সেয়ে হয়, মোৰ কলেজৰ প্ৰায় সকলো শিক্ষকৰে মাটি নাই। এওঁলোকক গুৱাহাটীৰ খালী ঠাইবোৰত ঘৰ বান্ধিবলৈ এতিয়াই কৈ দিম।" অফিচাৰজনৰ মাত বন্ধ। সত্য কথাত তেখেতে সদায়ে নিৰ্ভিকভাৱে কাম কৰি গৈছিল।

আৰ্যবিদ্যাপীঠক তেখেতে কেইটামান নিজস্ব বৈশিষ্ট্য দি গৈছে। প্ৰতি শৈক্ষিক বছৰৰ আৰম্ভণিতে তেখেতে সকলো দিশ চিন্তা কৰি সেই বছৰৰ বাবে এখন কাৰ্যতালিকা প্ৰস্তুত কৰে—য'ৰপৰা ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলে সেই বছৰৰ কেতিয়া কেতিয়া পৰীক্ষা হ'ব, কোন কোন তাৰিখত বন্ধ থাকিব, কেতিয়া কলেজ সপ্তাহ হ'ব ইত্যাদি সকলো আৱশ্যকীয় কথাৰে এটা পূৰ্বাভাস পায়। ইয়াৰ ফলত সকলোৰে নিজৰ কামত আগুৱাই যোৱাত সুবিধা হৈছিল। তদুপৰি প্ৰতিজন ছাত্ৰ আৰু প্ৰতিগৰাকী ছাত্ৰীয়েই কলেজ প্ৰ'স্পেটাছ্ আৰু আইডেন্‌টিটী কাৰ্ড লব লাগিছিল। এই সকলোবিলাক আছিল ছাৰৰ চিন্তাশক্তিৰ উদ্ভাৱন।

কলেজৰ প্ৰতিজন শিক্ষকক লগ ধৰি অভাৱ-অভিযোগবোৰ পূৰণ কৰিবৰ বাবে যত্ন কৰিছিল—যাতে এটা ঘৰুৱা পৰিবেশ কলেজ চৌহদত গঢ়ি তুলিব পাৰি। প্ৰতিজন শিক্ষকক উচ্চশিক্ষাৰ বাবে সদায় উৎসাহ-উদ্দীপনা যোগাইছিল। তদুপৰি প্ৰত্যেক বিভাগত থকা ডিপাৰ্টমেণ্টল কমন ৰুম, ডিপাৰ্টমেণ্টল লাইব্ৰেৰী, ছেমিনাৰ, টিউট'ৰিয়েলছ্—এই সকলোবোৰ ব্যৱস্থা আছিল ছাৰৰ স্বকীয় চিন্তাৰ ফল। টিউট'ৰিয়েলছ্ আৰু চেমিনাৰবোৰৰ যোগেদি তেখেতে ছাত্ৰ-ছাত্ৰী-সকলৰ ইন্‌টাৰনেল এছেছমেণ্টৰ ব্যৱস্থা এই কলেজত কৰি গৈছে। এবাৰ অসম চৰকাৰৰ এজন উচ্চ বিষয়াই কলেজ পৰিদৰ্শন কৰিবলৈ আহোঁতে টিউট'ৰিয়েল ক্লাছৰ কথা কওঁতে বিষয়াজনে প্ৰথমতে বিশ্বাসেই কৰিব নোৱাৰিছিল যে কলেজত এইদৰে টিউট'ৰিয়েল ক্লাছ লব পাৰে। মুঠতে কলেজত সদায় শিক্ষাৰ পৰিৱেশ এটা গঢ়ি তুলিব পাৰিছিল। কলেজৰ সকলো দিশতে ছাৰে নিজ হাতে-কামে অংশ গ্ৰহণ কৰিছিল। পৰীক্ষা-বিভাগত সোমাই পৰীক্ষাৰ বহীও ছিৰিয়েল কৰিছিল।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাবোৰত কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে কেনে কৰিলে তাৰ এটা পূৰ্ণ পৰ্যায়ৰ আলোচনা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগত সদায়

কৰিছিল, আৰু ভৱিষ্যৎ কাৰ্যপন্থা সেইদৰে ঠিক কৰিছিল— যাতে পৰীক্ষাৰ উত্তীৰ্ণৰ হাৰ বেছি উৰ্ধলৈ নিব পৰা যায়। কলেজৰ অধ্যক্ষ-পদৰ পৰা অৱসৰ লোৱাৰ পিছতো এই অনুষ্ঠানৰ সৰ্বাংগীন উন্নতিৰ হকে নানা দিহা-পৰামৰ্শ দি থাকিছিল।

শৰ্মা ছাৰে যি কোনো এটা কামৰ ভাল দিশটোৰ প্ৰতি সদায় লক্ষ্য ৰাখিছিল। সাধাৰণতে এজন ছাত্ৰই এটা পৰীক্ষাৰ কোনো এখন প্ৰশ্নোত্তৰ কাকতত অসৎ উপায় অবলম্বন কৰিলে তেওঁক গোটেই পৰীক্ষাটোকে বৰ্জন কৰিবলৈ আদেশ দিয়া হয়। কিন্তু ছাৰে কৈছিল যে এই ব্যৱস্থাৰদ্বাৰা ছাত্ৰজনক বেছি বেয়াৰ ফাললৈহে ঠেলি দিয়া হয়। সেইবাবেই তেখেতে কলেজৰ পৰীক্ষাসমূহত এনে অসৎ উপায় অৱলম্বন কৰা এজন ছাত্ৰক গোটেই পৰীক্ষাটোৰপৰা অব্যাহতি নিদি অসৎ উপায়ৰ সহায় লোৱা প্ৰশ্নোত্তৰ কাকতখনৰ পৰাহে অব্যাহতি দিছিল। বাকীবিলাক পৰীক্ষা দিব পাৰিছিল। এই ব্যৱস্থাৰদ্বাৰা ছাত্ৰজনক সৎ পথলৈ আহিবলৈ উদগনি দিয়া হৈছিল। দেখা গৈছিল বহুতো ছাত্ৰ-ছাত্ৰী এইদৰে সৎ পথলৈ আহি বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ দেওনা পাৰ হৈ সমাজত নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিছিল। 'প্ৰিভেন্টিভ্ ইজ্ বেটাৰ দেন কিঅ'ৰ এই কথা মনত ৰাখি ছাৰে কৈছিল যে এজন ছাত্ৰক পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰিবলৈ দি পিছত ধৰা পেলোৱাতকৈ অসৎ উপায় অৱলম্বন কৰাত বাধা দিয়াটো বেছি সমীচীন।

বিশ্ববিদ্যালয়-পৰীক্ষাৰ (বিশেষকৈ অনাৰ্ছৰ) আৰম্ভণিৰ দিনা এটা চাবলগীয়া দৃশ্য হয়। ছাত্ৰ-ছাত্ৰীসকল আহি ছাৰক অফিচ কোঠাত প্ৰণাম কৰি আশীৰ্বাদ লৈ যায়হি। এই দৃশ্য নেদেখিলে বৰ্ণনা কৰা কঠিন।

এবাৰ এটা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে ক'লে যে গৰমৰ বাবে শ্ৰেণীত থকা বৰ কষ্ট হৈছে—ফেন দিব লাগে। তেতিয়া ছাৰে ক'লে, "তোমালোকক ফেন দিব পৰা নাই বাবেই মোৰ অফিচ ৰুমতো

ফেন নোহোৱাকৈ গৰমতে কাম কৰি আছোঁ।” তেখেতে নিজৰ কমত এখন ফেনৰ ব্যৱস্থা সহজে কৰিব পাৰিলেহেঁতেন। কিন্তু যিহেতু কলেজৰ শ্ৰেণীবিলাকত ফেন দিব পৰা নাছিল, গতিকে নিজৰ কমতো ফেন ব্যৱহাৰ কৰা নাছিল।

এবাৰ পণ্ডিত জৱহৰলাল নেহৰুৱে হেনো সংসদী সদস্য স্বৰ্গীয় হেম বৰুৱাক কৈছিল, “কি অ’ হেম, তোৰ চোলাটো আৰু দীঘল কৰিলি।” তেতিয়া হেম বৰুৱাই ভাবিছিল, “গোটেই সংসাৰখনৰ বোজা এই মানুহজনৰ মূৰৰ ওপৰত। তথাপি তেওঁৰ দৃষ্টিয়ে পাঞ্জাৱী চোলাৰ দৈৰ্ঘ চুইছেগৈ।” গিৰিধৰ শৰ্মা ছাৰৰো এই গুণটো আছিল। সকলো কথাৰ প্ৰতি তেখেতে লক্ষ্য ৰাখিব পাৰিছিল—লাগে সি যিমানে সৰু কথাই নহওক। নানা কামৰ ব্যস্ততাৰ মাজতে ছাৰে ক’ব—“বাহাদুৰ, তই অথনি চাহ নাখালি নেকি ?” বা “দাস, তোমাৰ ল’ৰাটো স্কুললৈ গৈছেনে ?”

ছাৰৰ এই ব্যক্তিত্বৰ বাবেই হয়তো আৰ্যবিদ্যাপীঠৰ বুৰঞ্জীত কোনো ছাত্ৰ-আন্দোলন, কোনো বিশৃংখলতা নাই ; আৰু সদায়েই এটা ঘৰুৱা পৰিবেশ পোৱা যায়। কলেজৰ অভাৱ-অভিযোগ এতিয়াও বহুত আছে। কিন্তু তাৰ মাজতো সকলোৱে আনন্দেৰে কাম কৰি আছে।

আজি শৰ্মা ছাৰ নাই। কিন্তু তেখেতৰ মহান আদৰ্শ চিৰকাললৈ ৰৈ থাকিব। আৰ্যবিদ্যাপীৰ বহুতো কাম আধৰুৱাকৈ ছাৰে এৰি থৈ গৈছে। বৰ্তমানৰ কৰ্মকৰ্তা, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলোৱে মিলি আৰ্যবিদ্যাপীঠক সকলো দিশতে আগুৱাই নিবলৈ যত্ন কৰিব লাগিব—তেতিয়াহে তেখেতৰ স্বৰ্গগত আত্মাই চিৰশান্তি লাভ কৰিব।

# গুৰৱে নমঃ

—ড° দীনেশ বৈশ্য

আমি মেট্ৰিক পৰীক্ষা দিয়াৰ সময়ত আমাৰ গাঁৱত এনে এটা কথা চলিছিল যে গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ কলেজখনৰ শিক্ষা-ব্যৱস্থা কটন কলেজতকৈও ভাল। মোৰ মনত কটন কলেজত পঢ়াৰ এক হাবিয়াস আছিল। কিন্তু সেই সময়ত কটন কলেজত পঢ়ি থকা আমাৰ গাঁৱৰ জ্যেষ্ঠ এজনে ক'লে কটনত পঢ়িব নালাগে আৰ্যত পঢ়। আমাৰ গাঁৱৰ একেখন স্কুলৰ পৰা পাছ কৰা দুজনে আহি আৰ্য বিদ্যাপীঠ কলেজত নাম লগালো। কটন কলেজলৈ নগ'লোৱেই। আৰ্য্য লৈ আহি গম পালো আৰ্য বিদ্যাপীঠ কলেজখন প্ৰতিষ্ঠা হ'বৰ বেছি দিন হোৱা নাই। কলেজৰ ল'ৰাৰ হোষ্টেলটো খেৰৰ ছালিৰ আৰু তৰ্জাৰ বেৰৰ। হোষ্টেলত আমাৰ গাঁৱৰে এজন আগৰে পৰা আছিল তেওঁ ক'লে- হোষ্টেলত থাকিব নালাগে-মেছত থাকা। সেই সময়ত আমাৰ গাঁৱৰ বহু ছাত্ৰই ঘৰ ভাৰা কৰি মেছত আছিল। ঘৰৰ পৰা চাউল-তৰকাৰী লৈ আহে আৰু নিজে ৰান্ধি খায়। মই মোৰ মামা এজনৰ ঘৰত থাকিলো। এবছৰীয়া প্ৰি ইউনিভাৰ্ছিটি শ্ৰেণীত কেইমাহ মান ক্লাছ কৰাৰ পিছতেই পৰীক্ষা আহিল। প্ৰাক-বিশ্ববিদ্যালয়ৰ শ্ৰেণীৰ পৰীক্ষাৰ ফল ভাল নহ'ল। আমাৰ লগৰে দত্ত বোলা এজনে অংকত এশৰ ভিতৰত এশ পাইছিল। ফাইনেল পৰীক্ষাতো তেওঁ সিমানেই পালে। মই কোনোমতেহে অংকত পাছ কৰিলো। জীৱ বিজ্ঞান, ইংৰাজী, অসমীয়াৰ নম্বৰেৰেহে মোৰ ফল কিছু উন্নত হ'ল। মই ধৰি ললো মোৰ জ্ঞান বিজ্ঞান পঢ়াৰ বাবে উপযোগী

নহয়। সেই বুলিয়েই মই কটন কলেজত অসমীয়া পঢ়াৰ সিদ্ধান্ত ললো আৰু তেনেদৰেই আৰ্য বিদ্যাপীঠ কলেজ ত্যাগ কৰিলো। কিন্তু মই আৰ্য বিদ্যাপীঠ এৰিব খুজিলেও আৰ্য বিদ্যাপীঠে মোক এৰিব নুখুজিলে। মোৰ ঘৰৰ মানুহ আৰু সেই সময়ৰ কটন কলেজৰ উপাধ্যক্ষ, যি মোৰ মাৰ সহপাঠী আছিল, সকলোৱে মিলি মোক পুনৰ আৰ্য বিদ্যাপীঠ কলেজলৈ লৈ আহিল। অৰ্থাৎ মই আৰ্য বিদ্যাপীঠ কলেজ এৰি যাব নোৱাৰিলো।

আৰ্য বিদ্যাপীঠত ইতিমধ্যে নামভৰ্তি হৈ গৈছিল। কেৱল অধ্যক্ষই নিজে বছা বছা ছাত্ৰক নামভৰ্তি কৰাবলৈ নিৰ্দেশ দি আছিল। মোক কোৱা মতে মই অধ্যক্ষ গিৰিধৰ শৰ্মা ছাৰক লগ ধৰি মোৰ চিনাকি দি কথাটো ক'লো। ইতিমধ্যে কটন কলেজৰ উপাধ্যক্ষই মোৰ কথাটো শৰ্মা ছাৰক কৈ থৈছিল। অধ্যক্ষ শৰ্মা ছাৰে মোৰ নামভৰ্তি ফৰ্মখনত চহী কৰি সুধিলে কি বিষয়ত অনাৰ্চ ল'বা। মই ক'লো অংক আৰু পদাৰ্থ বিজ্ঞানৰ বাহিৰে যি কোনো বিষয়ত দিয়ক। ছাৰে ক'লে প্ৰাণী বিজ্ঞানত অনাৰ্চ লোৱা; সোনকালে চাকৰি পাবা। পুনৰ আৰ্য বিদ্যাপীঠ কলেজত প্ৰাণী বিজ্ঞানত অনাৰ্চ লৈ বি এচ চি পঢ়া আৰম্ভ কৰিলো।

আমি পঢ়া সময়ত আৰ্য বিদ্যাপীঠ কলেজৰ হোষ্টেলটো খেৰ আৰু তৰ্জাৰে সজা আছিল। প্ৰাণী বিজ্ঞানৰ অনাৰ্চৰ ক্লাছ ৰূমটো থকা ঘৰটোৰ ছাল খাপৰিৰে সজা আছিল, বেৰ বিলাক আছিল তৰ্জাৰ, ফেন মাত্ৰ এখন আছিল। গৰমৰ দিনত ক্লাছ ৰূমটো বৰ গৰম হৈছিল। গৰমত আমি বৰ কষ্ট পাইছিলো আৰু কথাটো প্ৰাণীবিজ্ঞানৰ মুৰব্বী অধ্যাপক ভৰালী ছাৰক কৈছিলো। ভৰালী ছাৰে অধ্যক্ষক কথাটো জনাবলৈ কৈছিল। সেই মতেই প্ৰাণীবিজ্ঞানৰ অনাৰ্চৰ আমি কেইজনমান ছাত্ৰ অধ্যক্ষক কথাটো ক'বলৈ গৈছিলো- বৰ ভয়ে ভয়ে। সেই সময়ত আৰ্য বিদ্যাপীঠ কলেজত অধ্যক্ষক ভয় নকৰা ছাত্ৰ নাছিল। আনকি অধ্যাপকসকলেও অধ্যক্ষক বৰ ভয় কৰিছিল। আমি ভয়ে ভয়ে অধ্যক্ষ গিৰিধৰ শৰ্মা ছাৰৰ কোঠালৈ সোমাই গৈছিলো। কোঠাটোৰ ভিতৰত সোমাই আমি এটা চুকত থিয় হৈ আছিলো।

কোঠাৰ ভিতৰত ছাত্ৰ কেইজনমান দেখি অধ্যক্ষ ছাৰে সুধিলে- কি হ'ল তোমালোকৰ ? আমি দুজনমানে কোনোৰকমে সেপ ঢুকি ক'লো - ছাৰ আমাৰ জুলজীৰ অনাৰ্চৰ ৰুমত ফেন নাই বৰ গৰম, ফেন নহ'লে আমি ক্লাছ কৰিব নোৱাৰিম। আমাৰ কথাৰ কোনো উত্তৰ নিদি – অধ্যক্ষ ছাৰে কলিং বেলটো টিপি পিয়নক দাস উপাধিৰ বৰবাবু জনক মাতি পঠিয়ালে। দাস বাবু অধ্যক্ষৰ কোঠালৈ সোমাই আহিল। এবাৰ আমাৰ ফালে আৰু এবাৰ অধ্যক্ষৰ ফালে চাই দাস বাবুৱে ক'লে – ছাৰ মোক কিয় মাতিছিল ? অধ্যক্ষ ছাৰে ক'লে – জুলজী অনাৰ্চৰ এই ল'ৰাকেইজনৰ নাম ৰোল নম্বৰ লিখি লৈ যাওক কালিলৈ এওঁলোকক ট্ৰেন্সফাৰ চাৰ্টিফিকেট দিব। এওঁলোকে ফেন থকা কলেজত পঢ়কগৈ। আৰ্য বিদ্যাপীঠ কলেজত ফেন নোহোৱাকৈ পঢ়িব লাগিব।

আমি ইজনে সিজনৰ মুখলৈ চাই সেমেনা-সেমেনিকৈ লাহে লাহে অধ্যক্ষৰ কোঠাৰ পৰা ওলাই অফিছত দাস বাবুক লগ ধৰি ক'লো-ছাৰ আমি আৰু একো আপত্তি দৰ্শাবলৈ নাহো। আমাক ট্ৰেন্সফাৰ চাৰ্টিফিকেট নিদিব। দাস বাবুৱে হাঁহি এটা মাৰি ক'লে -'হ'ব যোৱা। তোমালোকেতো পকা মজিয়াত পঢ়িবলৈ পাইছা। আগৰ ছাত্ৰ-ছাত্ৰীয়ে কেঁচা মজিয়াৰ খেৰৰ ঘৰত পঢ়িছিল।'

কিছুদিন পিছত আমাৰ অনাৰ্চৰ কোঠাত ফেন লগাই দিছিল।

এইজনেই আছিল অসমৰ সৰ্বশ্ৰেষ্ঠ অধ্যক্ষ- গিৰিধৰ শৰ্মা চাৰ। প্ৰাথমিক বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিকআৰু এম এ শ্ৰেণী থকা কলেজ প্ৰতিষ্ঠা কৰা অসমৰ একমাত্ৰ শিক্ষাবিদজন। ষাঠি-সত্তৰৰ দশকটো আৰ্য বিদ্যাপীঠ কলেজৰ সোণালী সময় আছিল। আমি সেই সময়ৰেই আৰ্য বিদ্যাপীঠ কলেজৰ ছাত্ৰ আছিলো। সেই সময়ত আৰ্য বিদ্যাপীঠ কলেজৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ সৰ্ববৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অনাৰ্চ লৈ পাচ কৰি বিশ্ববিদ্যালয়ত এক অভিলেখ সৃষ্টি কৰিছিল। বিজ্ঞানৰ কেইবাটাও বিভাগত প্ৰথম শ্ৰেণী পোৱা ছাত্ৰৰ সংখ্যা বা অনাৰ্চ পোৱা ছাত্ৰৰ সংখ্যা অইন

কলেজতকৈ আনকি কটন কলেজতকৈও বেছি আছিল। আমি শুনিছিলো,অধ্যক্ষ গিৰিধৰ শৰ্মা ছাৰে আৰ্য বিদ্যাপীঠ কলেজখনক উত্তৰ পূৱৰ সৰ্বশ্ৰেষ্ঠ কলেজ আৰু সকলো বিষয়তে স্নাতকোত্তৰ শ্ৰেণী খুলি এখন বিশ্ববিদ্যালয় সদৃশ কলেজ কৰিব বিচাৰিছিল। আমি পঢ়ি থকা সময়তেই আৰ্য বিদ্যাপীঠ কলেজত অংকত স্নাতকোত্তৰ শ্ৰেণী আছিল।

মই এম এচ চি পৰীক্ষা দিয়াৰ পিছতে অৰ্থাৎ পৰীক্ষাৰ ঠিক পিছদিনাই জুলজীৰ হেড ভৰালী ছাৰে মোক পাৰ্টটাইমৰ লেকচাৰাৰ হিচাবে আৰ্য বিদ্যাপীঠ কলেজত চাকৰিত যোগদান কৰিবলৈ মাতিছিল। সেই মতে মই পৰীক্ষাৰ দুদিন পিছতে আৰ্য বিদ্যাপীঠ কলেজত অংশকালীন শিক্ষক হিচাপে কাম আৰম্ভ কৰিছিলো। মই তেতিয়াও বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসতে আছো। বিশ্ববিদ্যালযৰ ছাত্ৰাবাসৰ পৰা পুৱাতে কলেজলৈ আহো। এদিন ন বজাতে মোৰ এটা ক্লাছ আছিল। বিশ্ববিদ্যালয়ৰ পৰা আহি পোৱাত দহ মিনিট মান পলম হ'ল। অধ্যক্ষ ছাৰে ক্লাছ কোন শিক্ষকৰ ছাত্ৰ-ছাত্ৰীক সুধিলে। ছাত্ৰ-ছাত্ৰীয়ে মোৰ নাম ক'ব নোৱাৰিলে, মই নতুন কাৰণে। অধ্যক্ষ ছাৰ জুলজী ডিপাৰ্টমেন্টলৈ আহি বিয়াৰাৰক কৈ গৈছে। ক্লাছৰ পিছত যেন মই অধ্যক্ষক লগ ধৰো। ক্লাছৰ পিছত মই অধ্যক্ষ ছাৰক লগ ধৰিলো। ছাৰে সুধিলে - ন বজাৰ ক্লাছত সময় মতে কিয় উপস্থিত হোৱা নাই ? মই ক'লো ইউনিভাৰছিটিৰ বাছখনে অলপ পলম কৰিলে। তেতিয়া অধ্যক্ষই কলে- তুমি ইউনিভাৰছিটিত থকা নে ক'ত থকা সেইটো মোৰ জানিব লগীয়া কথা নহয়। আৰ্য বিদ্যাপীঠ কলেজত নটা মানেই নটা। নটাৰ ক্লাছ নটাতেই হ'ব। এইখন বিশ্ববিদ্যালয় নহয়, যেতিয়াই তেতিয়াই ইয়াৰ ক্লাছলৈ যাব নোৱাৰি। ইয়াতে নিৰ্দিষ্ট সময়ত শ্ৰেণীত উপস্থিত হ'ব লাগিব। সেইটো যদি মানি চলিব নোৱৰা তেনেহ'লে চাকৰিটো এৰি দিবা। এইজনেই আমাৰ সৰ্বশ্ৰেষ্ঠ অধ্যক্ষ - গিৰিধৰ শৰ্মা ছাৰ।

আমিও ওৰেটো জীৱন শিক্ষকতা কৰিলো। কলেজৰ অধ্যক্ষও হ'লো । কিন্তু গিৰিধৰ শৰ্মা ছাৰৰ দৰে অধ্যক্ষ হোৱাৰ চেষ্টাও কৰিব

নোৱাৰিলো। আমি সাধাৰণ শিক্ষক, সাধাৰণ অধ্যক্ষ হৈ থাকিলো। গিৰিধৰ শৰ্মা ছাৰ আছিল অসাধাৰণ শিক্ষক আৰু অসাধাৰণ অধ্যক্ষ। শৰ্মা ছাৰৰ দৰে ক্লাছ নকৰো বুলি কোৱা ছাত্ৰক ট্ৰেন্সফাৰ চাৰ্টিফিকেট দিম বুলি ক'ব নোৱাৰিলো। ঠিক মতে ক্লাছ নকৰিলে চাকৰি এৰি দি গুচি যাবা বুলি কোনো শিক্ষকক ক'ব নোৱাৰিলো। গিৰিধৰ শৰ্মা ছাৰৰ ব্যক্তিত্ব অসাধাৰণ আছিল। কলেজৰ প্ৰায় সকলো শিক্ষকেই ছাৰক ভয় আৰু ভক্তি কৰিছিল। কোনেও ছাৰৰ আগত দন্ত মাৰি কথা কোৱাৰ সাহস কৰিব পৰা নাছিল। আচলতে গিৰিধৰ শৰ্মা ছাৰক এজন শিক্ষক অথবা এজন অধ্যক্ষৰ দৃষ্টিৰে চাব খোজাটোৱেই ভুল হ'ব। তেখেত অকলেই এক বৃহৎ অনুষ্ঠান আছিল। কোনোদিনে কলেজ বিশ্ববিদ্যালয়ৰ নিয়মিত ছাত্ৰ নোহোৱাকৈ কলেজৰ শিক্ষক আৰু প্ৰতিষ্ঠাপক অধ্যক্ষ হোৱা কথাটো অতি অসাধাৰণ।

আমি জনাত গিৰিধৰ শৰ্মা ছাৰে পিয়ন, চকিদাৰ আদি সৰু সৰু মানুহবিলাকক বৰ মৰম কৰিছিল। আমি কলেজত পঢ়ি থাকোতে 'ফাগু চাছা' বুলি এজন চকিদাৰ আছিল। আমি বহুতে তেওঁক 'জুনিয়ৰ প্ৰিন্সিপাল' বুলি কৈছিলো। তেওঁৰ হাতত কলেজৰ সকলো চাবি-কাঠি আছিল। শুনিছিলো 'ফাগু চাচা'ক সুধিহে শৰ্মা ছাৰে কিছুমান কাম কৰিছিল। ফাগু চাছাই কৰিব নালাগে বুলি ক'লে প্ৰিন্সিপাল ছাৰে সেই কাম নকৰিছিল। এজন অতি সাধাৰণ মানুহৰ প্ৰতি ছাৰৰ এই শ্ৰদ্ধা অতি লক্ষ্যণীয়।

অমি কলেজত পঢ়ি থাকোতে এটা নিয়ম আছিল। কোনো ছাত্ৰই চাইকেলত উঠি কলেজৰ ভিতৰলৈ যাব নোৱাৰিব। কিন্তু কেমিষ্ট্ৰিৰ প্ৰেক্টিকেলত পলমকৈ গ'লে সোমাব নিদিয়ে। গতিকে পুৱাতে কেমিষ্ট্ৰিৰ প্ৰেক্টিকেল থাকিলে কেমিষ্ট্ৰিৰ লেবৰেটৰীলৈ চাইকেলত উঠি যাবলৈ চেষ্টা কৰো। কেতিয়াবা অধ্যক্ষ ছাৰে দীঘল বেত লৈ গেটখনৰ ভিতৰ ফালে বৈ থাকে। চাইকেলৰ পৰা ননমাকৈ ভিতৰলৈ যোৱা ছাত্ৰৰ পিঠিত ছাৰৰ বেতৰ কোব পৰে। তেতিয়াহে গম পাওঁ ছাৰ পুৱাতে আহি গেটত বৈ আছে আমাক নিয়ম শিকাবলৈ। ঘপককৈ চাইকেলৰ পৰা নামি ছাৰক নমস্কাৰ দি কওঁ- কেমিষ্ট্ৰিৰ প্ৰেক্টিকেল আছে বুলি।

কলেজৰ বাৰাণ্ডাত ঘূৰি ফুৰা ছাত্ৰ-ছাত্ৰীক বেতেৰে কোবাই খেদি খেদি লাইব্ৰেৰীলৈ লৈ যাব পৰা অধ্যক্ষ আজিৰ তাৰিখত আছেনে আমাৰ সন্দেহ হয়। এজন সফল শিক্ষক, এজন সফল অধ্যক্ষ, এজন সফল শিক্ষানুষ্ঠানৰ নিৰ্মাতা, এজন অতি জনপ্ৰিয় সমাজকৰ্মী হোৱাৰ পিছতো গিৰিধৰ শৰ্মা ছাৰ আছিল এক সু-সাহিত্যিক। অসমীয়া ভাষালৈ শৰ্মা ছাৰৰ অৱদান প্ৰভূত। অসম সাহিত্য সভাৰ সভাপতি হিচাপেও শৰ্মা ছাৰ এজন বিচক্ষণ সভাপতি আছিল বুলি কোৱা শুনিছো।

এনে এক মহান পুৰুষৰ সান্নিধ্যলৈ অহাৰ সুযোগ পাই, তেখেতে নিজ হাতেৰে গঢ়া শিক্ষানুষ্ঠানত শিক্ষা লাভৰ সুযোগ পাই আমি ধন্য হৈছো। এইজন মহান ব্যক্তিৰ সোঁৱৰণত আমাৰ এই লিখনিৰে এপাহ ফুলৰ দৰে অৰ্ঘ আগবঢ়ালো, আগবঢ়ালো এই গৰাকী মহান শিক্ষাবিদৰ প্ৰতি আমাৰ ভক্তিভৰা শ্ৰদ্ধাঞ্জলি।

# মোৰ শ্ৰদ্ধাঞ্জলি

ড°কালীনাথ শৰ্মা

১৯৬৬ কি ১৯৬৭ চনৰ কথা। মই তেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰোঁ। এদিন ৰাতিপুৱাই আৰ্য্য বিদ্যাপীঠ কলেজলৈ যাবলগীয়া হ'লোঁ। কলেজৰ সমাজসেৱা সপ্তাহ চলিছে। কলেজবিলাকত তেতিয়া নবাগত সভা, সঙ্গীতানুষ্ঠান, তৰ্ক প্ৰতিযোগিতা আদি একেলগে সাতদিনমান ধৰি পালন কৰাৰ নিয়ম প্ৰবৰ্তিত হৈছে আৰু সেই সপ্তাহটোক বহু কলেজত কলেজ সপ্তাহ বুলি কোৱা হৈছিল। এই সপ্তাহটোৱে আৰ্য্য বিদ্যাপীঠত নতুন নামকৰণ হৈছিল সমাজসেৱা সপ্তাহ ৰূপে। সেই সপ্তাহৰ ক্ৰীড়া সমাৰোহৰ উদ্বোধন কৰাৰ পাল পৰিছিল মোৰ ওপৰত।

আহ্বানটো আছিল ছাত্ৰৰ ; কিন্তু মোক মাতিবলৈ আহিছিল কলেজৰ অধ্যক্ষ নিজেই। প্ৰায় দহদিনমান আগতে অধ্যক্ষ নিজে মোৰ ঘৰলৈ আহি মোৰ ওচৰত সনিৰ্বন্ধ অনুৰোধ জনাইছিল—এই কামটোৰ ভাৰ মই যেনেতেনে ল'ব লাগে। মই আঁচৰিত হৈছিলোঁ আৰু অলপ লাজো লাগিছিল। গিৰিধৰ শৰ্মাৰ লগত মোৰ সম্পৰ্ক এনেকুৱা যে তেওঁ মোক সনিৰ্বন্ধ অনুৰোধ কৰিব নালাগে। মই তেওঁক কৈছিলোঁ যে নিমন্ত্ৰণৰ বাবে তেওঁ এইদৰে নিজে মোৰ ঘৰলৈ আহি মোক ব্যক্তিগতভাৱে অনুৰোধ কৰাৰ একো প্ৰয়োজন নাছিল ; ল'ৰা এজনৰ হাতত চিঠি এখন দি পঠালেও হ'লহেঁতেন।

"নহয় বুজিছানে শৰ্মা, মই নিজে তোমাক মাতিম বুলি আমাৰ সম্পাদকক কথা দিছিলোঁ। তুমি কিবা কাৰণত যাব নোৱাৰিলে বৰ বেয়া কথা হ'ব আৰু মই সম্পাদকৰ আগত লঘু হ'ম।"

ক্ৰীড়া-সমাৰোহ আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হ'ল। সপ্তাহটোৰ আনবোৰ অঙ্গতো একে আড়ম্বৰ—একেই উদ্দীপনা। আমন্ত্ৰিতসকলৰ কোনোজন নহাকৈ থকা নাই আৰু সকলোকে শৰ্মাই ছাত্ৰবিলাকৰ লগৰীয়াৰূপে সমুখত থাকি সম্ভাষণ

কৰিছে, আগবঢ়াই নিছে আৰু যাবৰ সময়ত "এইখন আপোনাৰেই কলেজ, মাজে মাজে আহি দিহা-পৰামৰ্শ দিব" এইদৰে দুই-এবাৰ সাদৰি মাতেৰে বিদায় দিছে।

এই দৃশ্য বহুবাৰ দেখিছোঁ। ইয়াৰ বিকল্প ব্যৱস্থা যেতিয়াই চকুত পৰিছে তেতিয়াই গিৰিধৰ শৰ্মালৈ মনত পৰিছে। কোনোবা এঠাইত দেখিছোঁ, কোনো অনুষ্ঠানৰ কাৰ্যকৰ্তাসকলে কোনো নিমন্ত্ৰিত ভি. আই. পি.ৰ বাবে বৈ বৈ "দুখেৰে সৈতে জনাবলগীয়া" হয় যে কোনো "অনিবাৰ্য কাৰণবশতঃ" তেওঁ আহিব নোৱাৰিলে। মনতে ভাবোঁ—গিৰিধৰ শৰ্মাই আয়োজনৰ গুৰি ধৰা অনুষ্ঠানত এনেকুৱা ভি. আই. পি.ৰ অনিবাৰ্য অনুপস্থিতি দেখোন নাছিল। কিয় ? এই প্ৰশ্নৰ উত্তৰ মাত্ৰ এটাই—সেয়ে হৈছে শৰ্মাৰ আন্তৰিকতা আৰু অকৃত্ৰিম প্ৰয়াস।

শিৱসাগৰত অসম বিজ্ঞান সমিতিৰ বাৰ্ষিক অধিৱেশন বহিছে। বছৰটোৰ কথা মনত পৰা নাই। আমি বিজ্ঞান সেৱকসকলে চিত্ৰ-বিচিত্ৰ 'বেজ' একোটা বুকুত আঁৰি লৈ সমিতিৰ ভিন-ভিন শাখা বগাই ফুৰিছোঁ আৰু আমাৰ লগে লগে দুজন অধ্যক্ষই যেন কিবা নতুন বস্তু বিচাৰি শাখাবোৰৰ বাহিৰত ঘূৰি ফুৰিছে। এজন অধ্যক্ষৰ খদ্দৰৰ দীঘল গেৰুৱা পাঞ্জাৱী চোলাটোৰ বুকুৰ জেপত থকা প্ৰকাণ্ড বেজেৰে সৈতে এখন দামী এড়িচাদৰে ঢাকি থোৱা। গেৰুৱা অধ্যক্ষজন অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীপৰাগ চলিহা আৰু এড়িচাদৰৰজন গিৰিধৰ শৰ্মা। চলিহাদেউৰ ব্যস্ততাৰ অন্ত নাই, অসম আৰু অসমৰ বাহিৰৰো দুই-চাৰিজন বিজ্ঞানীয়ে তেওঁৰ অতি আদৰৰ কলেজলৈ মিটিং কৰিবলৈ আহিছে ; তেওঁলোকৰ থকা-মিলা, খোৱা-লোৱা, ফুৰা-চকা যাতে সুখৰ হয় তাৰ চিন্তাত তেওঁ নিজৰ সুখ-স্বাচ্ছন্দ্য বিসৰ্জন দিয়া যেন লাগে। কিন্তু আনজন অধ্যক্ষ ব্যাকৰণ-শাস্ত্ৰী হৈ বিজ্ঞানৰ ব্যাকৰণত কিবা নতুন সূত্ৰ সন্নিৱিষ্ট কৰাৰ ভাব লৈ ঘূৰিছে নেকি তাকেই ভাবিছোঁ। স্বৰ্গীয় শৰ্মাৰ লগত হাঁহি-ধেমালিৰে কথা পতাৰ স্বাধীনতা মোৰ আছিল বাবে তেওঁক এই প্ৰশ্নকে এদিন প্ৰাতঃভ্ৰমণৰ সুযোগ লৈ সুধিলোঁ। অসমৰ মাজমজিয়াত থকা সমুদ্ৰ যেন জয়সাগৰৰ পাৰত প্ৰাতঃভ্ৰমণৰ সুখ যি এবাৰ লাভ কৰিছে তাক পাহৰিব নোৱাৰে। মোৰ প্ৰশ্নৰ উত্তৰত গিৰিধৰ শৰ্মাই ক'লে, শৰ্মা, আৰ্য্য বিদ্যাপীঠত বিজ্ঞান বিষয়বোৰৰ কেইবাটাও ডিগ্ৰী কোৰ্চ খোলা হ'ল। বাকী দুটামান বিষয় বাকী আছে ; পুৰণা বিষয়বোৰত অনাৰ্চ কোৰ্চ খুলিবও লাগে। আমাৰ অসম দেশখনত এতিয়াও বিজ্ঞানৰ এম-এছ-ছি যিমান লাগে সিমান ওলোৱাই নাই। যি দুই-এজন বুদ্ধিমান ছাত্ৰ ওলায়, তেওঁলোক কটন কলেজত সোমায়। আমাৰ কলেজবোৰ শিক্ষকৰ অভাৱত এনেই পৰি থাকিব নেকি ?"

শৰ্মাৰ উদ্দেশ্যৰ কথা বুজিলোঁ। আমি সমিতিলৈ গৈছোঁ বিজ্ঞানৰ বতৰা বিচাৰি আৰু ব্যাকৰণ-শাস্ত্ৰী গৈছে বিজ্ঞান শাস্ত্ৰৰ মাষ্টৰ বিচাৰি। কোনোবা ভাল ছাত্ৰই কিবা বিষয়ত এম. এ. বা এম. এছ্. ছি. পাছ কৰা শুনিলেই, তেওঁ কেৱল সেৱাকাৰ্যৰ প্ৰলোভন দেখুৱাই আৰ্য্য বিদ্যাপীঠত নিযুক্তি দিয়ে। গভৰ্নিং বডিয়ে পিছত সেই নিযুক্তিত সমৰ্থন দিয়ে। অৱশ্যে এড্‌ভাৰ্‌টাইজমেণ্ট দি, চিলেকচন বোৰ্ড বহুৱাই, গভৰ্নিং বডিৰ সন্মতিক্ৰমে অধ্যাপক নিযুক্তিৰ সময় সাপেক্ষে নিয়মবোৰ নিষ্ঠাৰে পালন নকৰা বাবে মাজে মাজে তেওঁ কোনো কোনো মেম্বৰৰ অনাস্থাভাজন হৈছিল,—কিন্তু শৰ্মাই তালৈ বৰ কেৰেপ কৰা নাছিল। যিকোনো প্ৰকাৰে কলেজখন ভাল কৰিব পাৰিলে যেন সুখেৰে এগৰাহ খাব পাৰে—এনে এটা একাগ্ৰতাৰে তেওঁ কাম কৰি গৈছিল।

এদিনাখন মই অধ্যক্ষ শৰ্মাৰ কোঠাত বহি আছোঁ। কিবাকিবি ৰিপোৰ্ট চাই থকাৰ মাজতে বাহিৰত ল'ৰাবোৰৰ মাজত কোৰ়াল লাগি উঠিল। তেওঁ চকীৰপৰা উঠিল আৰু দুৱাৰখন মেলি বাহিৰলৈ ওলাই গ'ল। শৰ্মাক গোলমালৰ মাজলৈ আগবাঢ়ি যোৱা দেখি তেওঁৰ ছাঁ যেন ফাগু কুৰ্মীও পাছে পাছে গ'ল। তেওঁক বাৰাণ্ডাত দেখিয়েই উতলা পানীত চেঁচা পানী পৰিলে যিদৰে তিলকতে ভক্-ভক্‌নি নোহোৱা হয় সেইদৰেই ল'ৰাৰ কোৰ়ালো নাইকিয়া হ'ল। অলপ পিছতে এটা ল'ৰাক হাতত ধৰি শৰ্মাই অফিচলৈ টানি লৈ আহিল। দুৱাৰ বন্ধ কৰিয়েই শৰ্মাই ল'ৰাটোৰ গালত 'ঠাচ' কৰি এটা চৰ মাৰিলে। মানুহজন খঙত কঁপিছিল আৰু ল'ৰাটোক যি পায় তাকে বকিছিল। সমুখতে এনে এটা দৃশ্য দেখি মই কিংকৰ্তব্যবিমূঢ় হৈ পৰিলোঁ। ল'ৰাটো এজন পালোৱান যেন মানুহ। তাৰ দৈহিক শক্তিৰ আগত প্ৰৌঢ় গিৰিধৰ শৰ্মা যেন শেনৰ আগত ঘনচিৰিকা। কিন্তু সেই সবল ল'ৰাৰ মুখত মাত নাই। সি বিবৰ্ণ আৰু লজ্জিত।—"চাৰ মোৰ দোষ হৈছে, মোক আৰু মাৰক, যি শাস্তি দিব খোজে তাকে দিয়ক চাৰ। কেৱল আপোনাৰ ভৰিত ধৰিছোঁ, মাক নক'ব আৰু কলেজৰ পৰা মোক উলিয়াই নিদিব।" সি গৈ শৰ্মাৰ ভৰিত ধৰিব খুজিলে।

শৰ্মাৰ খং মাৰ যোৱাই নাই। তেওঁ গৈ চকীত বহিল। প্ৰায় দহ-পোন্ধৰ মিনিট সময় অধ্যক্ষ আৰু ছাত্ৰৰ মাজত কথা-বতৰা নাই,—ছাত্ৰ জন কোঠাৰ এচুকলৈ গৈ তলমূৰ কৰি থিয় দি ৰ'ল, আৰু অধ্যক্ষই চকীত বহি ফাইল চাবলৈ ধৰিলে। ময়ো একো কথা ক'ব পৰা নাই ; এবাৰ ল'ৰাটোৰ ফালে এবাৰ শৰ্মাৰ

ফালে চাওঁ। শৰ্মাই দুই-এবাৰ চাদৰখনৰ আগেৰে চকু মোহৰা দেখিবলৈ পাইছিলোঁ।

বহু বেলিৰ মূৰত শৰ্মাই মূৰ তুলি ল'ৰাটোৰ ফালে চালে।

"যা, এতিয়াই পোনে ঘৰলৈ যা, ইয়াত নাথাকিবি। মোক কিয় এনে কষ্ট দিয় হোঁ ? মই মৰিলে যি ইচ্ছা তাকে কৰিবি ; কিন্তু মই বাচি থাকোঁতে এইখন কলেজত যাতে এনেকুৱা কাণ্ড নহয়। এতিয়া যা, গধূলি মোৰ ঘৰলৈ আহিবি। ৰিক্সাৰ পইচা আছে নে ?"

—"আছে চাৰ" বুলি সেই প্ৰকাণ্ড ল'ৰাটো নিজকে ক্ষুদ্ৰাতিক্ষুদ্ৰ হেন জ্ঞান কৰি অধ্যক্ষৰ কোঠাৰপৰা ওলাই গ'ল।

ইয়াৰ পিছৰ কথাৰ প্ৰয়োজন এই প্ৰসঙ্গত একো নাই। এইখিনি কথা মোৰ মনত পৰিছে এইবাবে যে কোন অধ্যক্ষই আজিৰ দিনত বয়ঃপ্ৰাপ্ত ছাত্ৰক নিজ অফিচত চৰাব পাৰে, চৰাই উঠি চকুলো টুকিব পাৰে আৰু শেষত ঘৰলৈ যাবৰ বাবে ৰিক্সাৰ পইচা আছে নে নাই সুধিব পাৰে ?

শৰ্মাই পাৰিছিল, কাৰণ তেওঁৰ মন আছিল নিৰ্মল, অন্তৰ আছিল চেনেহেৰে ভৰা আৰু বুকুত আছিল অদম্য সাহস।

আৰু এটি সামান্য কথা কৈ গিৰিধৰ দাদালৈ মোৰ স্মৃতি-অৰ্ঘ্য অৰ্পণ কৰিম। কথা বহুতো ক'বলৈ থাকি গ'ল। তেওঁৰ আত্মা দেহ-বন্ধনৰ পৰা মুক্ত হ'বৰ দিনা ৰাতিপুৱা মই এটা দূৰ ভ্ৰমণৰ পৰা গুৱাহাটী পাইছোঁহি মাথোন। মৃত্যুৰ মুহূৰ্তত লগ নোপোৱাৰ দুখ থাকি গ'ল। ট্ৰাকৰ ওপৰত শুই থকা শৰ্মাৰ গাত মালা এধাৰি দি মই ঘৰলৈ উভতি আহিছিলোঁ। মোৰ অগ্ৰজ সহোদৰক শৰ্মাই 'এপ্ৰোক্সিমেট' বুলি মাতিছিল। দুইজনৰ বয়সৰ পাৰ্থক্য বৰ বেছি নহয়, কিন্তু অন্তৰঙ্গতা খুব বেছি। একে বয়সৰ নহৈও ইমান ঘনিষ্ঠ হ'ব পাৰি বাবে দুয়ো দুয়োকে 'এপ্ৰোক্সিমেট' বুলি মাতিছিল হ'বলা। মিত্ৰ, বন্ধু, ভাই বা দোষ্ট্‌ এনেকুৱা চালু সম্বোধনৰ সলনি দুইজন সংস্কৃতৰ ছাত্ৰই বিলাতী সম্বোধন এটা কিয় বিচাৰি লৈছিল ক'ব নোৱাৰোঁ। আচলতে গিৰিধৰ শৰ্মা বহুতৰে 'এপ্ৰোক্সিমেট' ; কিন্তু কলেজখনৰ সম্বন্ধে তেওঁ 'একজ্যাক্ট' (Exact)।

যিটো সামান্য কথা ক'ম বুলি ভাবিছিলোঁ, সেইটো মোৰ ব্যক্তিগত। শৰ্মাই মোৰ ইউনিভাৰ্ছিটি জীৱনৰ অন্তিম ঘণ্টাটো বজাইছিল মাত্ৰ এষাৰ কথাৰে—

"শৰ্মা, বিশ্ববিদ্যালয়ত মাত্ৰ ৩০ টা ছাত্ৰৰ সমুখত জ্ঞানভাণ্ডাৰ মেলি ধৰিছা, ডি. পি. আই. হৈ লক্ষ ছাত্ৰৰ জ্ঞান অৰ্জনৰ পথ মুকলি কৰিবা। সঙ্কীৰ্ণতাৰ

পৰা ব্যাপ্তিলৈ অহাৰ পথত যি ত্যাগ তাক মানুহে মহৎ বুলি ক'বলৈ নাপাহৰে।"

যুক্তি অমোঘ নহয় কিন্তু, শক্তিমান। বহুতে মোক বিশ্ববিদ্যালয় এৰি আহিবলৈ হাক দিছিল, আৰু কেবাজনেও জোৰ দি ধৰিছিল। জোৰ দি ধৰা কেইজনমানৰ মাজৰ গিৰিধৰদাৰ কথাখিনি মোৰ সদায় মনত থাকিব।

বহুতে বহু কথাৰে শৰ্মাৰ তৰ্পণ কৰিছে। কিন্তু মোৰ অগ্ৰজ প্ৰতিম গিৰিধৰ শৰ্মা সম্বন্ধে বহলাই ক'বলৈ গ'লে হয়তো নতুন মূল্যৱান কথা একো পোৱা নাযাব আৰু হয়তো অজ্ঞাতে কিছুমান নিজৰ কথাই তাৰ মাজত সোমাই পৰিব। শৰ্মা সম্বন্ধে শেষ কথা এটাই আছে ঃ জ্ঞানে মানুহক পৰমাৰ্থ দিয়ে, কিন্তু কৰ্মই হ'লে পৰম শক্তি দান কৰে। এই কথাৰ জ্বলন্ত উদাহৰণ আছিল স্বৰ্গীয় গিৰিধৰ শৰ্মা। ❖

# আৰ্য্য বিদ্যাপীঠ আৰু গিৰিধৰ শৰ্মা

নীলমনি ফুকন

আৰ্য বিদ্যাপীঠৰ নাম নুশুনা শিক্ষিত মানুহ আমাৰ সমাজত নাই। সেই সূত্ৰতেই অসমৰ মানুহে পণ্ডিত গিৰিধৰ শৰ্মা ব্যাকৰণ শাস্ত্ৰীক জানিছিল। আৰু এতিয়াও জানে। আৰ্য বিদ্যাপীঠৰ তেওঁ কেৱল প্ৰতিষ্ঠাপক অধ্যক্ষই নহয়, তেওঁ আছিল আৰ্য বিদ্যাপীঠৰ প্ৰাণদাতা প্ৰাণস্বৰূপ। সয়নে-সপোনে আৰ্য বিদ্যাপীঠ আছিল যাৰ স্বপ্নৰ জ্ঞানপীঠ। শৰ্মা ছাৰে আমাৰ চকুৰ আগতে কেনেকৈ দিনক ৰাতি কৰি, ৰাতিক দিন কৰি আৰ্য বিদ্যাপীঠ স্কুল আৰু কলেজ গঢ়ি তুলিছিল সেই কথা মনলৈ আহিলে আজিও মূৰ দোঁ খায়। শিক্ষক হিচাপে মই তেওঁৰ স্নেহধন্য আছিলোঁ। মোৰ লিখা-পঢ়া, পঢ়োৱাৰ ক্ষেত্ৰত সদায় উদগনি দিছিল। মই তেওঁক এবাৰ কৈছিলোঁ—ছাৰ, শিক্ষকতাক মই জীৱিকা বুলি নহয় জীৱনৰ ব্ৰত বুলিহে লৈছোঁ।

আৰ্য বিদ্যাপীঠত শিক্ষকতা কৰিবলৈ আহি আকৌ এটা বিদ্যাৰ্থীৰ জীৱন আৰম্ভ কৰিছিল—পঢ়া, পঢ়োৱা, পঢ়িম, শিকিম। মই ভৰলুমুখৰ ভাৰা ঘৰত থাকোঁতে গিৰিধৰ শৰ্মা ছাৰ এবাৰ আমাৰ ঘৰলৈ আহিছিল। মোকো তেওঁ এবাৰ চামতাৰ ঘৰলৈ লৈ গৈছিল। তাতে তেওঁৰ মাতৃদেৱীক দেখিছিলো। তেওঁৰ ভাতৃ উমাকান্ত আমাৰ সময়ৰ এজন বৰেণ্য ঔপন্যাসিক। উমাকান্ত শৰ্মাও মোৰ এজন পৰম শ্ৰদ্ধেয় মানুহ আছিল আৰু মোক লগ পালেই তেওঁ কৈছিল,—তুমি কবিতা লিখি থাকা। তোমাৰ কবিতা মই ভাল পাওঁ। আৰ্য বিদ্যাপীঠলৈ আহি আৰু এখন বৃহৎ সাৰস্বত সমাজ পালোঁহি। মানুহৰ সঙ্গ, সান্নিধ্য, সম্বন্ধ, সম্পৰ্ক কথা পতাৰ যোগেদিয়েই মানুহে কত কথা শুনে, কত কথা শিকে, কত কথা নতুনকৈ ভাবে, চিন্তা কৰে, ভুল শুদ্ধ কৰে আৰু নিতৌ নতুন সপোন দেখে।

# স্মৃতিৰ সঁফুৰা

ড° ধৰণীধৰ গোস্বামী

প্ৰাথমিক পৰ্য্যায়ত পঢ়ি থকাৰ পৰাই এচাম ল'ৰাছোৱালীয়ে ভৱিষ্যত জীৱন কি ধৰণে সুন্দৰ আৰু সুখময় কৰি গঢ়ি তুলিব পাৰি তাৰ চিন্তা চৰ্চ্চা কৰে। বহুতে সপোন দেখে কি উপায়ে ডাক্তৰ, ইঞ্জিনিয়াৰ, শিক্ষক প্ৰশাসনীয় বিষয়া আদি হব পাৰি। কিন্তু সকলোৰে সপোন বাস্তৱত ৰূপায়িত নহয়। যিসকলে নিজৰ সপোন বাস্তৱায়িত কৰাৰ কাৰণে নানা বাধা-বিঘিনি অতিক্ৰম কৰি নীৰৱ সাধনা কৰিব পাৰে তেওঁলোকে জীৱনত সফলকাম হ'ব পাৰে।

নিজস্ব হলেও ইতস্ততঃ নকৰাকৈ কব খোজো যে মই সৰুৰপৰাই কলেজত শিক্ষকতা কৰাৰ সপোন দেখিছিলোঁ। ইয়াৰ উৎস নোহোৱা নহয়। স্কুলত পঢ়া-শুনা কৰা সময়ত আমাৰ গাওঁৰ মানুহে এখন দৈনিক বাতৰি কাকত পঢ়াৰ সুবিধা পোৱা নাছিল। তাৰোপৰি সৰহ সংখ্যক মানুহৰ জীৱন ধাৰণৰ আহিলা আছিল কৃষি। অতি মুষ্টিমেয় কেইগৰাকী মানেহে চাকৰি কৰিছিল। তাৰ ভিতৰত শিক্ষকতা কৰাৰ সংখ্যাই অধিক আছিল। অৱশ্যে আমাৰ গাওঁৰ পৰা প্ৰায় তিনিমাইল দূৰত দুখন বৰ উন্নত মানৰ হাইস্কুল আছিল। এখন পাটাছাৰকুছিত পাটাছাৰকুছি বিদ্যাপীঠ আৰু আনখন পাঠশালাত বজালী হাইস্কুল। আমি পাটাছাৰকুছি বিদ্যাপীঠৰ পৰাই প্ৰৱেশিকা পৰীক্ষা পাচ কৰিছিলোঁ। ১৯৪৯-৫০ চনৰ কথা। গুৱাহাটীৰ সন্দিকৈ মহাবিদ্যালয়ৰ দৰ্শনৰ অধ্যাপক প্ৰয়াত শৰৎ চন্দ্ৰ গোস্বামীদেৱ বৈবাহিকসূত্ৰে আমাৰ আত্মীয় আছিল। তেখেত বিশাল ব্যক্তিত্বৰ পুৰুষ আছিল। দেখিলে ভক্তি কৰিবৰ মন যায়। আমাৰ ঘৰলৈ যাওঁতে তেখেতে আমাক বৰ মৰম কৰিছিল।

পোন প্ৰথমবাৰৰ বাবে তেখেতৰ নিচিনা ব্যক্তি গৰাকীক লগ পাই তেখেতৰ ব্যক্তিত্বই আকৃষ্ট কৰিছিল আৰু তেতিয়াৰ পৰাই কলেজত শিক্ষকতা কৰাৰ হেপাহ জন্মিছিল। পাটাছাৰকুছি বিদ্যাপীঠৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত আই এছ্ চিত ভৰ্তি হৈছিলো। আই এছ্ চিৰ চূড়ান্ত বৰ্ষৰ শেষৰ পিনে আমাৰ লগৰ প্ৰায়বোৰ বন্ধুৱে ইঞ্জিনিয়াৰিং, মেডিকেলৰ প্ৰপত্ৰবোৰ পূৰণ কৰি পঠাইছিল। মোক ঘৰৰ পৰা ইঞ্জিনিয়াৰিং পঢ়াৰ বাবে হেচা দিছিল। সেই সময়ত মানুহৰ এটা ধাৰণা আছিল যে ইঞ্জিনিয়াৰ হলে প্ৰচুৰ টকা পইচা আৰ্জিব পাৰে। কিন্তু শিক্ষকতা কৰাৰ প্ৰবল ইচ্ছা থকাৰ বাবে মই বি এছ চি পাচ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ত গণিত বিভাগত ভৰ্ত্তি হৈছিলোঁ। ১৯৬৪ চনত গণিত বিভাগত এখন চেমিনাৰ অনুষ্ঠিত কৰা হৈছিল। তাত এজন আমেৰিকান গণিতজ্ঞই ভাষণ দিছিল। সেই চেমিনাৰত আৰ্য্যবিদ্যাপীঠ কলেজৰ পৰা প্ৰয়াত দেৱানন্দ শইকীয়াই প্ৰতিনিধিত্ব কৰিছিল। মই তেখেতৰ কাষত বহিছিলোঁ আৰু ভাবিছিলোঁ — এম এছ্ চি পাচ কৰি আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ত শিক্ষকতা কৰিম। বাস্তৱক্ষেত্ৰত এম এছ্ চি পৰীক্ষা শেষ কৰাৰ পিছত উক্ত মহাবিদ্যালয়ত শিক্ষকতা কৰাৰ সুবিধা পাইছিলোঁ আৰু মোৰ সপোন বাস্তৱত ৰূপায়িত হৈছিল।

সেই সময়ত আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ে অসমৰ শিক্ষা জগতত এক আলোড়নৰ সৃষ্টি কৰিছিল। ১৯৫৮ চনত নৈশ শাখাত আৰম্ভ হোৱা শিক্ষানুষ্ঠানখনে ৬/৭ বছৰৰ ভিতৰত প্ৰায় সকলো বিষয়ত অনাৰ্চ পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰিছিল। ইয়াৰ গুৰিবঠা ধৰিছিল প্ৰয়াত প্ৰতিষ্ঠাপক অধ্যক্ষ গিৰিধৰ শৰ্মা দেৱে। তেখেতে কটন কলেজৰ অধ্যাপকৰ পদ ইস্তফা দি নতুনকৈ এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিব ওলাইছিল। এইটো বৰ সহজ কথা নাছিল। তেখেতৰ নীৰৱ সাধনাৰ ফলস্বৰূপে এখন উন্নত মানৰ শিক্ষানুষ্ঠান গঢ়াৰ সপোন দিঠকত পৰিণত হৈছিল। এতিয়া যি ঠাইত মহাবিদ্যালয়খন অৱস্থিত সেই সময়ত সি যেন চহৰখনৰ বাহিৰত তেনে উপলব্ধি হৈছিল। এই অঞ্চলটো সেই সময়ত মেটেকাৰে পৰিপূৰ্ণ এখন বিল আছিল। তাত গঢ় লৈ উঠিছিল এই মহাবিদ্যালয়খন। অধ্যক্ষ গিৰিধৰ শৰ্মাদেৱৰ ঐকান্তিক প্ৰচেষ্টাত ই এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হৈছিল। আমি তেখেতৰ ছত্ৰছায়াত থাকি গৌৰৱ অনুভৱ কৰিছিলোঁ। তেখেতে শয়নে

সপোনে অনুষ্ঠানটোৰ উন্নতিৰ হকে কাম কৰিছিল। মহাবিদ্যালয়খন পৰিচালনা কৰাৰ কিছুমান নতুন নীতি আৰু আঁচনি গ্ৰহণ কৰা দেখা পাইছিলোঁ। তেখেতৰ কিছুমান উল্লেখনীয় নীতি সম্বন্ধে আলোচনা কৰিব বিচাৰিছোঁ।

**১। মহাবিদ্যালয়খনৰ উন্নতিৰ হকে শিক্ষক-কৰ্মচাৰীৰ মাজত ঐক্যবদ্ধ প্ৰচেষ্টা গঢ়ি তোলা—**

মহাবিদ্যালয়খনৰ সৰ্বপ্ৰকাৰ উন্নতিৰ হকে অধ্যক্ষ গিৰিধৰ শৰ্মাদেৱে শিক্ষক কৰ্মচাৰী সমূহৰ ঐক্যবদ্ধ প্ৰচেষ্টাৰ পৰিবেশ সৃষ্টি কৰাত গুৰুত্ব দিছিল। অধ্যক্ষদেৱক সমূহ শিক্ষক কৰ্মচাৰীয়ে সন্মান কৰিছিল আৰু সেয়েহে তেখেতৰ প্ৰচেষ্টা ফলৱতী হৈছিল। ইয়াকে Team Spirit বোলা হয়। বিভিন্ন ঠাইৰপৰা ভাল ভাল খেলুৱৈৰ দ্বাৰা গঠিত ফুটবল দল এটাই ভাল খেল দেখুৱাব নোৱাৰে যদিহে তেওঁলোকৰ Team Spirit নাথাকে। Team Spirit সৃষ্টি কৰিবলৈ তেওঁলোকৰ মাজত সমন্বয়ৰ পৰিবেশৰ দৰ্কাৰ। বছৰেকীয়া খেল প্ৰতিযোগিতা হওঁক, মহাবিদ্যালয় সপ্তাহ হওঁক অধ্যক্ষদেৱে সমূহ শিক্ষক কৰ্মচাৰীৰ সহায় সহযোগ বিচাৰিছিল। সেয়েহে তেখেতৰ কাৰ্য্যকালত সকলো সভাসমিতি আদি সুচাৰুৰূপে সম্পন্ন হৈছিল।

**২। শিক্ষক নিয়োগ নীতি ঃ** ওপৰত উল্লেখ কৰা হৈছে যে মহাবিদ্যালয়খন ৬/৭ বছৰৰ ভিতৰত পূৰ্ণপৰ্য্যায়প্ৰাপ্ত হৈ উঠিছিল। গতিকে সেই সময়ত প্ৰতিবছৰে নতুন নতুন শিক্ষক নিয়োগ কৰিব লগা হৈছিল। অধ্যক্ষদেৱে নিয়োগ ক্ষেত্ৰত গুণগত মানৰ ওপৰত বেছি গুৰুত্ব দিছিল। সেয়েহে স্নাতকোত্তৰ মহলাৰ চূড়ান্ত বৰ্ষত পঢ়ি থকা মেধাৱী ছাত্ৰৰ খা-খবৰ কৰি তাৰ ভিতৰৰ কিছুসংখ্যকক নিয়োগ কৰিছিল। নিয়োজিত মেধাৱী শিক্ষকৰ বহুতে বেলেগ চাকৰি পালে শিক্ষকৰ পদ ইস্তাফা দিছিল। ছাত্ৰ শিক্ষক বহুতে তেনে শিক্ষক এজনে কলেজ এৰি গলে দুখ পাইছিল। কিন্তু অধ্যক্ষ শৰ্মাদেৱে কৈছিল— "তেওঁলোকে তেওঁলোকৰ ভৱিষ্যতৰ কথা চিন্তা কৰি শিক্ষকতা চাকৰি এৰি যাব পাৰে। কিন্তু এজন ভাল শিক্ষকৰ পদ আন এজন ভাল শিক্ষকৰদ্বাৰা পূৰণ কৰিব পৰা যায়। কিন্তু এজন বেয়া শিক্ষক নিযুক্তি দিলে তেওঁ কেতিয়াও চাকৰি এৰি নাযাব— ফলত শিক্ষাৰ মানদণ্ড অৱনমিত হ'ব।" কিন্তু আজিকালি এনে নীতিৰদ্বাৰা শিক্ষক নিয়োগ কৰিব নোৱাৰে।

**৩। পৰীক্ষা পদ্ধতি ঃ** এটা শিক্ষাবৰ্ষত কলেজে নিজাববীয়াকৈ দুটা পৰীক্ষা অনুষ্ঠিত কৰিছিল। দুয়োটা পৰীক্ষাৰ ওপৰত গুৰুত্ব দিছিল। প্ৰথম পৰীক্ষাৰ পৰা শতকৰা ২০ আৰু দ্বিতীয় পৰীক্ষাৰ ৮০ শতাংশ লগলগাই পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছিল। সেয়েহে ছাত্ৰ-ছাত্ৰীয়ে দুয়োটা পৰীক্ষাত যাতে সমানে ভাল ফল দেখুৱাব পাৰে তাৰবাবে চেষ্টা চলাইছিল। ইয়াৰ ফলত কম নম্বৰ পাই ভৰ্ত্তি হোৱা ছাত্ৰ-ছাত্ৰীয়ে চূড়ান্ত পৰীক্ষাত ভাল ফল দেখুৱাবলৈ সমৰ্থ হৈছিল।

**৪। মহাবিদ্যালয়ৰ চৌহদত শৃংখলা বজাই ৰখাৰ চেষ্টা ঃ** প্ৰতিদিনে পাঠদান কৰি থকা অৱস্থাত কলেজ চৌহদত যাতে কোনো ধৰণৰ প্ৰতিকুল অৱস্থাৰ উদ্ভৱ নহয় তাৰ বাবে সকলোধৰণৰ প্ৰচেষ্টা চলাইছিল। সকলো শ্ৰেণীতে নিয়মিতভাবে পাঠদান চলি আছে নে নাই তাৰ প্ৰতি অধ্যক্ষই বিশেষ নজৰ ৰাখিছিল। প্ৰতিদিনে প্ৰায় দুবাৰকৈ শ্ৰেণীবোৰ পৰিদৰ্শন কৰিছিল। ওপৰত কৈ অহা হৈছে যে অধ্যক্ষই শিক্ষক সকলৰ মাজত এটা Team Spirit গঢ়ি তুলিব পাৰিছিল আৰু সেয়েহে শিক্ষক সকলেও কলেজৰ সকলো কামতে অধ্যক্ষক সহায় কৰিছিল, বিশেষকৈ পাঠদান কাৰ্য্য যাতে বাধাগ্ৰস্ত নহয় তাৰপ্ৰতি বিশেষ নজৰ ৰাখিছিল।

**৫। স্নাতকোত্তৰ শ্ৰেণীৰ প্ৰৱৰ্ত্তন ঃ** অধ্যক্ষ শৰ্মাদেৱে আমাক কৈছিল যে আৰ্য্যবিদ্যাপীঠ বিশ্ববিদ্যালয়লৈ উন্নীত কৰাৰ চিন্তা তেখেতৰ মানস পটত আছে অৰ্থাৎ তেখেতে বিভিন্ন বিষয়ত স্নাতকোত্তৰ শ্ৰেণীৰ আৰম্ভ কৰিব। তাৰ পৰিণতি হিচাপে ১৯৭০ চনত গণিত বিভাগত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰে। মহাবিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীৰ প্ৰৱৰ্ত্তনত আৰ্য্যবিদ্যাপীঠ পথপ্ৰদৰ্শক। অৱশ্যে গণিতৰ বাহিৰে আন বিষয়ত স্নাতকোত্তৰ শ্ৰেণী খোলাৰ সময় নাপালে বুলি কব লাগিব কাৰণ তেখেতে ১৯৭৫ চনত অৱসৰ গ্ৰহণ কৰে।

**৬। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ সম্বন্ধ ঃ** শিক্ষক আৰু ছাত্ৰৰ মাজত দুইধৰণে সম্বন্ধ স্থাপন হয়;— শ্ৰেণীৰ ভিতৰত পাঠদান কাৰ্য্য চলিথকা সময়ত আৰু সভাসমিতি আৰু খেল ধেমালিত। শ্ৰেণীকোঠাত শিক্ষক আৰু ছাত্ৰৰ সম্বন্ধ অতি মধুৰ আছিল। স্নাতক শ্ৰেণীৰ অনাৰ্চৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষক সকলে যথেষ্ট সহায় কৰিছিল। সেয়েহে সেই সময়ত প্ৰতিবছৰে অনাৰ্চত ছাত্ৰ-ছাত্ৰীসকলে ভাল ফল দেখুৱাব পাৰিছিল। আন ছাত্ৰ-ছাত্ৰীবোৰক অৰ্থাৎ যি সকলৰ অনাৰ্চ নাছিল তেওঁলোকক অনাৰ্চ থকা ছাত্ৰ-ছাত্ৰীৰ নিচিনাকে ওচৰৰপৰা নাপাইছিল কিন্তু

তেওঁলোকৰ শ্ৰেণীসমূহো নিয়মিতভাবে হৈছিল। আটাইতকৈ মন কৰিবলগীয়া কথাটো হ'ল অধ্যক্ষ গৰাকীয়ে সকলো বিভাগত যিসকল মেধাৱী ছাত্ৰ আছিল তেওঁলোকক ভালধৰণে চিনি পাইছিল আৰু প্ৰতিবিভাগৰ শিক্ষকক তেনে ছাত্ৰ-ছাত্ৰীবোৰক বিশেষ চকু দিবলৈ কৈছিল। আনহাতে প্ৰিইউনিভাৰ্চিটি নাইবা উচ্চতৰ মাধ্যমিক শাখাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অধিক হোৱা বাবে নিয়মিত শ্ৰেণীবোৰৰ উপৰিও ২৫/৩০ জনৰ গ্ৰুপ কৰি Tutorial class ৰ ব্যৱস্থা কৰিছিল। সেয়েহে তৃতীয় বিভাগ পাই ভৰ্ত্তি হোৱা বহু ছাত্ৰ-ছাত্ৰীয়ে ভাল ফল দেখুৱাব পাৰিছিল। শ্ৰেণীকোঠাৰ বাহিৰত আৰু সভাসমিতিত ছাত্ৰ-ছাত্ৰীবোৰক অধ্যক্ষ গিৰিধৰ শৰ্মাদেৱে নানা উপদেশ দিছিল। এবাৰ ছাত্ৰাবাসৰ নবাগত আদৰণী সভাত আবাসী সকলে নানা আপত্তি দৰ্শাইছিল। তেতিয়াৰ ছাত্ৰাবাসটো উন্নত পৰ্য্যায়ৰ নাছিল। বহু অসুধিৰ মাজত তেওঁলোকে বাস কৰিবলগীয়া হৈছিল। তেওঁলোকক উন্নত মানৰ ছাত্ৰাবাস দিব পৰা নাই। গিৰিধৰ শৰ্মাদেৱে তেখেতৰ ভাষণত ক'লে— "হয়, তোমালোকে ছাত্ৰাবাস সম্বন্ধে যিখিনি আপত্তি কৰিছা তাত মই দ্বিমত প্ৰকাশ নকৰো। কিন্তু যিসকল ছাত্ৰই নানা সুবিধাৰ মাজত এটা অট্টালিকা সদৃশ ঘৰত থাকি পঢ়াশুনা কৰে তেওঁলোকেতো সেই ঘৰটোৰ বেৰত নাইবা চিলিঙত নাথাকে। তেওঁলোকে চাবিবেৰৰ মাজৰ শূন্যত থাকে। তোমালোককো মই সেই শূন্যখিনি দিব পাৰিছোঁ। এনে ধৰণৰ দাৰ্শনিক ভাষণৰদ্বাৰা তেখেতে ছাত্ৰবোৰক শান্ত কৰিব পাৰিছিল।

আৰ্য্যবিদ্যাপীঠক এনে এটা অৱস্থালৈ উন্নীত কৰাৰ পিছতো অধ্যক্ষ গিৰিধৰ শৰ্মাদেৱৰ মনত এটা দুখ ৰৈ গৈছিল যে তেখেতে কৰিম বুলি ভবা সকলোখিনি কাম শেষ কৰিব নোৱাৰিলে। এবাৰ কটন কলেজৰ গণিতৰ অধ্যাপক প্ৰয়াত ৰজনীকান্ত চক্ৰৱৰ্ত্তী চাৰে অধ্যক্ষ শৰ্মাদেৱেক কৈছিল, "আপুনি দুখ নকৰিব। আপুনি যিখিনি কৰিছে সেইখিনি Infinity (অসীম)। Infinity ৰ লগত অলপ যোগ কৰিলে সি Infinity হৈ থাকিব।"

ইয়াৰ উপৰিও মহাবিদ্যালয়খনৰ অনেক কথা ইয়াত সন্নিৱিষ্ট কৰিব পৰা নগল। যিখিনি উল্লেখ কৰা হ'ল সেইখিনি হাতী মাৰি ভুৰুকাত ভৰোৱাৰ লেখীয়া। মুঠতে অধ্যক্ষ গিৰিধৰ শৰ্মাদেৱে অতি প্ৰতিভাৱান শিক্ষক সকলৰ সহায়ত আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ উন্নতিৰ গতি ত্বৰান্বিত কৰিবলৈ সক্ষম হৈছিল। পিছৰ পৰ্য্যায়ত এই গতি মন্থৰ হোৱা দেখা যায়। হয়তো সামাজিক পৰিৱেশ পৰিস্থিতি

আৰু আভ্যন্তৰীণ অৱস্থাই প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে।

চলিত বছৰৰ ২৯ জুলাইৰপৰা মহাবিদ্যালয়ৰ সোণালী জয়ন্তী অনুষ্ঠান পালন কৰিবলৈ যো-জা কৰিছে। এইটো খুব আনন্দৰ কথা। এই অনুষ্ঠানৰদ্বাৰা যোৱা ৫১ বছৰত মহা-বিদ্যালয়খনৰ উন্নতিৰ লেখ (graphs) এডাল অংকন কৰিব পাৰিব আৰু ই ক'ত উৰ্দ্ধগামী হৈছে, ক'ত নিম্নগামী হৈছে তাৰ পৰ্য্যালোচনা কৰিবলৈ সুযোগ পাব। আনহাতে সাংস্কৃতিক দিশত, সাহিত্য-চৰ্চাৰ দিশত, শিক্ষক সকলৰদ্বাৰা নতুন গৱেষণাৰ দিশত কিমান আগবাঢ়িছে তাৰ ছবিখনো স্পষ্ট হব।

আৰ্য্যবিদ্যাপীঠৰ প্ৰতিজন শিক্ষকেই প্ৰতিভাৱান। তাৰোপৰি অনেক অভিজ্ঞ শিক্ষক আছে। এটা Team Spirit লৈ আগবাঢ়িলে ইয়াৰ উত্তৰোত্তৰ উন্নতি নোহোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। যিসকলে ইয়াত শিক্ষকতা কৰি আছে আৰু অৱসৰৰ সময়লৈকে শিক্ষকতা কৰি থাকিব তেওঁলোকৰ পৰিচয় এটা— সেইটো হৈছে প্ৰতিজন আৰ্য্যবিদ্যাপীঠৰ শিক্ষক। গতিকে সকলো সময়তে আৰ্য্যবিদ্যাপীঠৰ উন্নতিত গৌৰৱবোধ কৰিব পাৰিব লাগিব।

জয়তু আৰ্য্যবিদ্যাপীঠ।

# মই দেখা অধ্যক্ষগৰাকী

— ড° দেবব্ৰত ঘোষ

মোৰ সুদীৰ্ঘ কৰ্ম-জীৱনত মই শিক্ষ-জগতৰ লগত জড়িত যি কেইজন বিশেষ ব্যক্তি আৰু ব্যক্তিত্বক লগ পাইছিলোঁ, স্বৰ্গীয় গিৰিধৰ শৰ্মাদেৱ তাৰ মাজত অন্যতম। তেওঁৰ একফালে সহজ সৰল হাঁহি আৰু অন্তৰঙ্গ ব্যৱহাৰ আকৌ অইনফালে সময়ৰ প্ৰয়োজনত কঠোৰ ব্যক্তিত্বৰ প্ৰকাশ-এই দুটা একে লগে পোৱা বৰ বিৰল। বিশিষ্ট শিক্ষাবিদ্, সুদক্ষ পৰিচালক, সফল সংগঠক, এজন প্ৰকৃত মানুহ, ক্লান্তিহীন কৰ্মবীৰ - এই গোটেইবোৰ গুণৰ সমন্বয় হৈ আছিল শ্ৰদ্ধেয় গিৰিধৰ শৰ্মাদেৱত। সৰ্ব বিষয়ত সদায় সম্পূৰ্ণ নিৰপেক্ষ হৈ থকা ভাৱৰ লগত সহকৰ্মী শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি তেওঁৰ আছিল পিতৃসুলভ মৰম। সৰ্বোপৰি তেওঁৰ এটাহে শেষ কথা আছিল - নিজহাতে গঢ়া আৰ্য বিদ্যাপীঠ কলেজখনৰ সাৰ্বিক উন্নতি। শিক্ষক হিচাপে আৰ্য বিদ্যাপীঠ কলেজত যোগদান কৰাৰ আগলৈকে তেওঁৰ লগত মোৰ চিনাকি আছিল প্ৰতিবেশী বা একে অঞ্চলত বাস কৰা হিচাপে। বিভিন্ন সামাজিক অনুষ্ঠানতো মাজে মধ্যে তেওঁক লগ পাইছিলোঁ। কিন্তু প্ৰকৃত চিনাকি হ'ল কৰ্ম-জীৱনত প্ৰৱেশ কৰাৰ পিছতহে।

আৰ্য বিদ্যাপীঠ কলেজত মোৰ যোগদান ঘটিছিল এইদৰে। ১৯৬৪ চনৰ জুলাই মাহ। মোৰ এম এছ চি ফাইনেল পৰীক্ষা আৰম্ভ হোৱালৈ মাথোন কেইটামান দিনহে আছে। এনে সময়ত এদিন পুৱা এজনে আহি খবৰ দিলে যে গিৰিধৰ শৰ্মাদেৱে অতি সোনকালে গৈ এবাৰ তেওঁক কলেজত লগ ধৰিব লাগে। খবৰটো পাই পঢ়াৰ মাজৰ পৰা সময় উলিয়াই কলেজলৈ গ'লো আৰু

অধ্যক্ষৰ কোঠাতে ছাৰক লগ পালো। মিঠা হাঁহিৰে আদৰণি জনাই ছাৰে মোক আগত থকা চকী এখনত বহিবলৈ ক'লে। মই বহিবলৈ অসুবিধা পাইছিলো। কিয়নো তেতিয়ালৈকে মই ছাত্ৰ হৈয়েই আছোঁ। মই কেনেকৈ এজন অধ্যক্ষৰ কোঠাত থকা চকীত বহিব পাৰো? ছাৰে মোৰ কথা বুজি পাই ক'লে "লাজ কৰিছা কিয়? দুদিন পিছত তুমিও অধ্যাপক হ'বা।" মই বহাৰ পিছত ছাৰে মোৰ পঢ়া-শুনাৰ খা-খবৰ কৰি সুধিলে মোৰ পৰীক্ষা কেতিয়ামানে শেষ হ'ব। মই তাৰিখটো জনোৱাৰ পিছত ছাৰে মোক যিটো কথা ক'লে মই তাৰ বাবে অকণমানো প্ৰস্তুত নাছিলোঁ। ছাৰে কলে, "তুমি পৰীক্ষা শেষ হোৱাৰ পিছদিনাই আহি এই কলেজত শিক্ষাদানৰ কামত যোগ দিবা।" মই হতভম্ব, কিয়নো ইতিমধ্যে পাণ্ডু কলেজত মোৰ যোগদান কৰাটো প্ৰায় স্থিৰ হৈ আছিল। মই কথাটো তেওঁক জনোৱাত তেওঁ কথাটো প্ৰায় হাঁহিৰে উৰাই দি ক'লে, "বিহাবাৰীৰ ল'ৰা হৈ তুমি ঘৰৰ কলেজ এৰি পাণ্ডুত যাবা চাকৰি কৰিবলৈ? এইটো হ'ব পাৰে নেকি? তুমি এই কলেজতে যোগদান কৰিবা। অইন ক'তো যাব নালাগে।" তেওঁৰ হাঁহি আৰু কথাৰ মাজত উপদেশ আৰু আদেশ দুয়োটাই মিহলি হৈ আছিল। মোৰ আৰু ক'তো যোৱা ন'হল। পৰীক্ষা শেষ হোৱাৰ লগে লগেই আহি যোগদান কৰিলোঁ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ৰসায়ন বিভাগত। সঁচাকৈ মোৰ আৰু ক'তো যোৱা ন'হল, এই কলেজতে বৈ গ'লো জীৱনজুৰি। কলেজখনত যোগদান কৰাৰ পিছত দেখিলো তাতে কাম কৰি থকা বেছিভাগ অধ্যাপকেই তৰুণ আৰু প্ৰায় সকলোৰে চাকৰি জীৱন তাতেই আৰম্ভ হৈছে। গতিকে এটি অদি সুন্দৰ পৰিবেশ পালো কাম কৰাৰ। তেতিয়া মনত বহুত সপোন আৰু এই সপোনক আৰু বেছিকৈ জগাই তুলিছিল গিৰিধৰ শৰ্মা ছাৰৰ বিভিন্ন ধৰণৰ অনুপ্ৰেৰণাই। বিজ্ঞান বিভাগবোৰত কাম কৰি থকা গোটেই কেইজন অধ্যাপকেই প্ৰায় একে বয়সৰ হোৱা বাবে প্ৰতিজনৰ ভিতৰতে আছিল কাম কৰাৰ আগ্ৰহ আৰু উৎসাহ। আৰু এই আগ্ৰহ আৰু উৎসাহখিনিকেই ছাৰে কামত লগাইছিল। বয়সৰ পাৰ্থক্য যথেষ্ট হ'লেও অতি সহজেই ছাৰে আহি আমাৰ লগত বহি কেনেকৈ কাম কৰিলে কলেজখনক আৰু আগবঢ়াই লৈ যাব পাৰি তাৰে আলোচনা কৰিছিল। একে সময়ত তেওঁ আমাৰ মনত এই ভাৱটো সুমুৱাই দিছিল যে এইখন আমাৰ কলেজ আৰু এই

কলেজখনৰ সাৰ্বিক উন্নতিৰ বাবে আমি মনৰ পৰা সঙঘবদ্ধহৈ কাম কৰিব লাগিব। ছাৰে জগাই দিয়া এই চেতনাবোধে তৰুণ অধ্যাপকসকলক অনুপ্ৰেৰিত কৰিছিল আৰু সকলোৱে সৰ্বতোভাৱে তেওঁ উদ্যোগ লোৱা প্ৰতিটো কামতে পূৰ্ণ সহযোগিতা আগবঢ়াইছিল। পিছত বুজি পাইছিলোঁ এই ধৰণৰ চেতনাবোধ শিক্ষকবোৰৰ মাজত জগাই দিব পৰাৰ কাৰণেহে কলেজখন অতি কম সময়ত সৰ্বতোভাৱে অসমৰ এখন অতি আগশাৰীৰ কলেজত পৰিগণিত হ'ব পাৰিছিল। সহকৰ্মীসকলক কামত অনুপ্ৰাণিত কৰিব পৰাটোৱেই এজন প্ৰকৃত অধ্যক্ষ বা সুদক্ষ কৰ্মপৰিচালকৰ বিশেষ গুণ।

তেওঁৰ লগত মোৰ একেলগে কাম কৰাৰ সময় আছিল মাথোন এঘাৰ বছৰ। কিন্তু এই কম সময়ৰ ভিতৰতে তেওঁৰ কৰ্মপদ্ধতিৰ পৰা যিবোৰ কথা শিকিব পাৰিছিলোঁ সেইবোৰ মোৰ পিছৰ জীৱনত বিশেষ ভাবে কামত লাগিছে। কলেজখন আছিল তেওঁৰ প্ৰাণস্বৰূপ। পুৱা নটা বজাৰ সময়তো কলেজত আহি দেখিছোঁ ছাৰে কলেজ প্ৰাঙ্গণত চলি থকা বিভিন্ন ধৰণৰ কামৰ চোৱা-মেলা কৰি আছে। আকৌ শ্ৰেণীকোঠাত পাঠদান কৰাৰ সময়তো সময়ে সময়ে গোটেই কলেজখনত ঘূৰি শ্ৰেণীবোৰ ঠিকমতে হৈ আছে নে নাই তাৰ খবৰ কৰি আছে। কোনোবা শ্ৰেণীকোঠাত শিক্ষক অনুপস্থিত থাকিলে তেওঁ সেই বিষয়ৰ বিভাগত গৈ তৎক্ষণাতেই আন এজন শিক্ষকক লৈ অহাৰ ব্যৱস্থা কৰিছিল। ছাৰে প্ৰতিজন শিক্ষকৰ পঢ়োৱা পদ্ধতি আৰু শিক্ষকজনৰ প্ৰতি থকা ছাত্ৰ-ছাত্ৰীৰ মনোভাৱৰো খবৰ জনাৰ কাৰণে যত্ন কৰিছিল।

ছাৰৰ কৰ্ম-পদ্ধতি আছিল অতি নিয়মিত আৰু কলেজতো তেওঁ এই নিয়মানুবৰ্তিতা প্ৰয়োগ কৰিছিল। নতুন বছৰৰ পাঠদান আৰম্ভ হোৱাৰ লগে লগে গোটেই বছৰটোত পাতিব লগা বিভিন্ন বিষয়ৰ কাৰ্যক্ৰমণিকা তৈয়াৰ কৰি প্ৰতিটো কাম নিৰ্দিষ্ট তাৰিখ আৰু সময় মতে পতা হৈছিল। কেতিয়াও কোনো অৱস্থাতেই এই দিনৰ সলনি হ'ব দিয়া নাছিল। তেওঁৰ আৰু এটা কৃতিত্ব আছিল ছাত্ৰ আৰু শিক্ষকৰ মাজত সু-সম্পৰ্ক প্ৰতিষ্ঠা কৰাত উদ্যোগ লোৱা। কিন্তু একে সময়ত তেওঁ কোনো দুষ্ট প্ৰকৃতিৰ ল'ৰাই কৰা বিশৃঙ্খলা সহ্য কৰা নাছিল। আৰু তেওঁৰ কালত ঘটা তেনে ধৰণৰ যি কোনো ঘটনাই কঠোৰভাৱে দমন কৰিছিল নাইবা উপযুক্ত ব্যৱস্থা লৈ এনে ঘটনাৰ যাতে

নিৰ্দেশনা মতে শিক্ষকবোৰৰ কাৰণেও বিভিন্ন প্ৰতিযোগিতাৰ ব্যৱস্থা ৰখা হৈছিল। ছাৰে নিজেও শিক্ষকসকলৰ 'খোজ কাঢ়া' প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি সকলোকে আনন্দ দিছিল। এবাৰ মনত পৰে ছাত্ৰ বনাম শিক্ষকৰ ক্ৰিকেট খেল চলি আছিল। আমি মিলি ছাৰক অনুৰোধ কৰাত ছাৰেও বেট কৰিবলৈ নামিল। মই ছাৰৰ লগত নামিলো 'ৰানাৰ' হৈ - অৰ্থাৎ ছাৰৰ কাৰণে ৰান ল'বলৈ মই দৌৰি দিম। খেল হৈ আছিল টেনিছ বলেদি। ছাৰে এবাৰ এটা বলক কিবা কৰি মাৰি পঠিয়াই তৎক্ষণাত অতি উৎফুল্ল হৈ মোক সুধিলে - "নম্বৰ উঠিছে নে নাই ?" ছাৰৰ এই ধৰণৰ আনন্দদায়ক কথা আৰু কেবা বাৰো উপভোগ কৰিছিলোঁ আৰু লগতে উপলব্ধি কৰিব পাৰিছিলো তেওঁৰ ভিতৰত থকা ধেমেলীয়া স্বভাৱবোৰৰ।

প্ৰকৃত সংগঠক হিচাপে ছাৰৰ পৰিচয় পোৱা গৈছিল বিভিন্ন ক্ষেত্ৰত। কলেজখন প্ৰতিষ্ঠা হোৱাৰ পিছত ইয়াক গঢ়ি তুলিবলৈ লোৱা পদক্ষেপবোৰেই তাৰ প্ৰমাণ। জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে বিভিন্ন ধৰণৰ মানুহক একত্ৰিত কৰি কলেজখনৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ জগাবলৈ তেওঁ বিশেষভাৱে যত্ন কৰিছিল আৰু এই প্ৰচেষ্টাত তেওঁ সফলো হৈছিল। কলেজখন উপযুক্তভাৱে গঢ়ি তুলিবলৈ তেওঁৰ আগ্ৰহ চাই অনুপ্ৰেৰিত হৈ এই মানুহবোৰেই উদাৰ ভাৱত দান-বৰঙণি আগ বঢ়াইছিল। যাৰ ফলত কলেজখনৰ বিভিন্ন অংশ নিৰ্মাণৰ কাম অতি কম সময়ৰ ভিতৰতে সম্পন্ন কৰা গৈছিল। একে সময়ত অসম চৰকাৰৰ পৰাও যিমানখিনি সম্ভৱ-সহায় সহযোগিতা পোৱাৰ চেষ্টা চলাই গৈছিল আৰু সক্ষমো হৈছিল। ইয়াৰ কাৰণে প্ৰতিষ্ঠা হোৱাৰ অতি কম সময়ৰ ভিতৰতে প্ৰথমতে কলেজৰ কলা বিভাগ আৰু পিছত বিজ্ঞান বিভাগে অসম চৰকাৰৰ উপযুক্ত স্বীকৃতি লাভ কৰিব পাৰিছিল। এইখিনিতেই ক্ষান্ত হৈ নাথাকি ছাৰে দিল্লীৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰাও বিভিন্ন শিতানত অনুদান আনি কলেজৰ বিভিন্ন বিভাগৰ উন্নতি সাধন কৰাত সক্ষম হৈছিল।

ছাৰ নিজে কলা বিভাগৰ হ'লেও বিজ্ঞান বিভাগৰ বিভিন্ন কামত বিশেষ উৎসাহ দেখুৱাইছিল। আৰম্ভণিতে কলেজখনৰ আৰ্থিক অৱস্থা খুব ভাল নথকা সত্ত্বেও তেওঁ বিজ্ঞান শাখাৰ প্ৰতিটো বিভাগতেই 'অনাৰ্ছ' পঢ়োৱাৰ ব্যৱস্থা কৰিছিল। মোৰ নিজৰ বিভাগ অৰ্থাৎ ৰসায়ন বিভাগ, য'ত খৰচ অত্যন্ত

পুনৰাবৃত্তি নঘটে সেইটো সকলোকে বুজাই দিছিল। ছাৰৰ এটা ডাঙৰ ক্ষমতা আছিল মানুহ চিনি পোৱাৰ। কোন মানুহক দি কাম কৰাব পৰা যাব বা কোন মানুহজন কোনটো কামৰ বাবে উপযুক্ত ছাৰে সহজেই ধৰি ল'ব পাৰিছিল। ফলত কলেজৰ পাঠদানৰ বাহিৰত থকা বহুতো কাম তেওঁ বাছি বাছি এনে এজন মানুহক অৰ্পণ কৰিছিল যে প্ৰতিটো কাম অতি সু-কলমে সম্পন্ন হৈছিল। তাৰ বাহিৰেও তেওঁ নিজে সৰ্ব বিভাগত সময়মতে উপস্থিত থাকি নাইবা খা-খবৰ কৰি থাকি কামবোৰ ঠিকমতে হৈ গৈ আছে নে নাই তাৰ কাৰণে যত্ন কৰিছিল। কলেজখন সৰ্বতোভাৱে গঢ়ি তোলাৰ বাবে তেওঁৰ এই অদম্য প্ৰয়াসেই তেওঁক এজন যথাৰ্থ অধ্যক্ষৰ ৰূপত পৰিগণিত কৰিছিল। ব্যক্তিগত ভাৱে মই তেওঁৰ পৰা বহুত কথাই শিকিছিলোঁ। তেওঁ কোৱা এটা কথা মোৰ খুবেই মনত ধৰিছিল। এদিন তেওঁ কিবা কথাৰ মাজত কৈছিল, "যাৰ কাম আছে তাৰ কাম কৰাৰ সময়ো আছে, যাৰ কাম নাই তাৰ কাম কৰাৰ সময়ো নাই।" বাস্তৱ জীৱনত মই দেখিছোঁ কথাটো কিমান সঁচা। ছাৰকো মই কোনোদিনে কাম পেলাই থোৱা দেখা নাই। সময়ৰ কাম সময়তে হ'ব লাগে বুলি তেওঁ কৈছিল, নিজে কৰিছিল, আমাকো কৰিবলৈ বাধ্য কৰিছিল। কলেজৰ ইমান কামৰ মাজতো সময়ে সময়ে তেওঁ গোটেই কলেজখন নজৰ দি ৰাখিছিল।

বছৰেকীয়া সাংস্কৃতিক সপ্তাহ আৰু খেল-ধেমালি চলি থকাৰ সময়ত ছাৰক দিনৰ বিভিন্ন সময়ত চলি থকা অনুষ্ঠানবোৰত উপস্থিত থকা লক্ষ্য কৰিছিলো। এই সময়ত ছাৰে আমোদপ্ৰৱণ হৈ উঠিছিল আৰু ছাত্ৰ-ছাত্ৰী-অধ্যাপক সকলোৰে মাজত থাকি আনন্দ উপভোগ কৰিছিল। পথাৰত খেল ধেমালি চলি থকা সময়ত ছাৰে আহি প্ৰতিযোগীসকলৰ লগত কথা পাতি তেওঁলোকক অনুপ্ৰাণিত কৰিছিল। খেলৰ বিভিন্ন বিভাগত উচ্চমান দেখুৱা প্ৰতিযোগীসকলক মাতি আনি আন্তঃ মহাবিদ্যালয় ক্ৰীড়া-মহোৎসৱত গৈ আৰু ভাল মান দেখুওৱাৰ বাবে উদগনি যোগাইছিল। ইয়াৰ বাবেই সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় ক্ৰীড়া-মহোৎসৱত আৰ্য বিদ্যাপীঠ কলেজৰ প্ৰতিযোগীসকলে বিভিন্ন বিভাগত খুব ভাল প্ৰদৰ্শন কৰি বহুত বঁটা আনিবলৈ সক্ষম হৈছিল। কলেজৰ ক্ৰীড়া-সপ্তাহ উদযাপনৰ সময়তো তেওঁৰ

অসম চৰকাৰৰ মীন বিভাগৰ পৰা উপযুক্ত অনুমতি-পত্ৰও লোৱা হৈছিল। সেই বছৰ পানীৰ ওপৰত পুখুৰীৰ পূব-পশ্চিম দিশত বিভিন্ন বৰণৰ বেলুনেদি অতি ধুনীয়াকৈ ট্ৰেক বনোৱা হৈছিল আৰু এটি উৎসৱমুখৰ পৰিবেশ গঢ়ি উঠিছিল। সাঁতোৰ চলি থকা সময়ত আমি কেইবাজনো অধ্যাপক তাতে উপস্থিত আছিলোঁ আৰু লক্ষ্য কৰিছিলোঁ পুখুৰীৰ দুয়োফালে অসংখ্য দৰ্শকৰ সমাবেশ ঘটিছে-বিশেষকৈ পশ্চিমফালে অৰ্থাৎ সন্দিকৈ কলেজৰ দিশত। প্ৰতিযোগীৰ সংখ্যা বেছি হোৱা বাবে প্ৰতিযোগিতা কেইবাবাৰো কৰিব লগা হৈছিল। এনে সময়তে খবৰ পালো সন্দিকৈ কলেজৰ শ্ৰেণীসমূহ বন্ধ কৰি দি কলেজৰ ছুটী ঘোষণা কৰা হৈছে। আমাৰ অনুষ্ঠান শেষ কৰি আমি উভতি আহিলো। পিছদিনা ৰাতিপুৱা মোৰ ঘৰত দি যোৱা ইংৰাজী কাকতখন হাতত লৈ মোৰ মূৰত বজ্ৰপাত। কাকতখন আছিল মোৰ বন্ধুবৰ জীৱকান্ত গগৈয়ে সম্পাদনা কৰা নৰ্থ ইষ্ট এক্সপ্ৰেছ। প্ৰয়াত এই সহপাঠী আৰু বন্ধুজন পিছত অসমৰ বিত্তমন্ত্ৰী হৈছিল। তাতে এটা খবৰ এনেদৰে আছে যে যোৱা কালি দীঘলীপুখুৰীত সাঁতোৰ প্ৰতিযোগিতা চলি থকা সময়ত আৰ্য বিদ্যাপীঠ কলেজৰ ল'ৰাই কৰা হুলস্থূলৰ বাবে সন্দিকৈ কলেজ বন্ধ কৰি দিবলৈ বাধ্য হৈছিল। মই লগে লগে জীৱকান্ত গগৈক টেলিফোন কৰি ক'লো - আমাৰ ল'ৰাই তেনেকুৱা কোনো পৰিবেশৰ সৃষ্টি কৰা নাছিল। সেই কথাত বন্ধুজনে মোক জনালে যে তেওঁৰ কাকতত যি লিখা ওলাইছে তাতকৈ বহুত বেছি লিখিছে সিদিনাৰ 'দৈনিক অসম' কাকতখনে আৰু লিখাখিনি তেওঁ মোক পঢ়ি শুনালে। মই ভাবিলোঁ আজি কলেজলৈ গৈ জানো কি অৱস্থাত পৰিম! কলেজলৈ গৈ প্ৰথম ছাৰৰ কোঠাত সোমালো। দেখিলো ছাৰ নিৰ্বিকাৰ। মই নিজৰ পৰাই যোৱা কালিৰ অনুষ্ঠান আৰু কাকতত ওলোৱা বাতৰিৰ বিষয়ে জনালো। ছাৰে একেবাৰে নিৰ্লিপ্ত ভাৱত ক'লে, "তুমি চৰকাৰী অনুমতি লৈছিলা নে নাই?" মই ক'লো যে অনুমতি লৈছোঁ আৰু পত্ৰখন মোৰ লগতেই আছে। তেতিয়া তেওঁ মৃদু হাঁহিৰে ক'লে, "তেতিয়া তুমি চিন্তা কৰিছা কিয়? আমাৰ ল'ৰাতো সন্দিকৈ কলেজৰ ভিতৰত গৈ সোমোৱা নাই। কলেজ ছুটি দিয়া-নিদিয়া সেইটো সেই কলেজৰ নিজা কথা। তুমি ভাবিব নালাগে।" কথাষাৰ শুনি মোৰ বুকুৰ পৰা ডাঙৰ বোজা এটা নোহোৱা হ'ল। ছাৰৰ ব্যক্তিত্বৰ

বেছি, তেওঁ সেই খৰচ দিবলৈ কেতিয়াও অকণমানো ইতস্ততঃ কৰা নাছিল। তেওঁৰ কথা এটাই আছিল- 'পঢ়াৰ মান উন্নত ধৰণৰ হ'ব লাগিব।' তেওঁ বিচাৰিছিল গোটেই অসমৰ পৰা ল'ৰা-ছোৱালী এই কলেজত পঢ়িবলৈ আহিব আৰু এই সপোন বাস্তবায়িতো হৈছিল। ১৯৬৮ চনত কলেজৰ দহ বছৰ পূৰ্তি উৎসৱ আৰু ১৯৭৩ চনত পোন্ধৰ বছৰ পূৰ্তি উৎসৱ-দুয়োবাৰেই তেওঁৰ উৎসাহত বিজ্ঞানৰ প্ৰদৰ্শনী বিশেষভাৱে আয়োজন কৰা হৈছিল। এই প্ৰদৰ্শনীবোৰ ইমানেই আকৰ্ষণীয় হৈছিল যে কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ লগত সিহঁতৰ মাক-দেউতা আৰু সাধাৰণ মানুহৰো যথেষ্ট সমাগম হৈছিল। তেওঁ কৈছিল যে কলেজৰ ৰূপালী জয়ন্তী তেওঁ চাকৰি-কালত নাপাব। এই উৎসৱবোৰৰ যোগেদিয়েই সেই আনন্দখিনি তেওঁ আনিব বিচাৰিছিল। অকল উৎসাহ আৰু অনুপ্ৰেৰণা জগাই সহকৰ্মীসকলৰ পৰা তেওঁলোকৰ মাজত থকা কৰ্মদক্ষতাৰ মূলখিনি কেনেকৈ উলিয়াই আনিব পাৰি গিৰিধৰ শৰ্মাদেৱে সেইটোৱেই কৰি দেখুৱাইছিল।

শিক্ষকসকলে নিয়মিত পাঠদানৰ বাহিৰেও ছাৰৰ এটা আগ্ৰহ আছিল মাজে মাজে বিভিন্ন বিভাগৰ বিষয় বিশেষত বক্তৃতা বা ছেমিনাৰৰ আয়োজন কৰা। বিজ্ঞানৰ বিভাগবোৰত তেওঁ এই আগ্ৰহ বেছিকৈ দেখুৱাইছিল। বিষয়বোৰ নুবুজিলেও তেওঁ এই ধৰণৰ অনুষ্ঠান চলি থকা সময়ত আৰম্ভণিৰ পৰা শেষলৈকে উপস্থিত থাকি বিষয়টো অনুধাৱন কৰাৰ চেষ্টা কৰিছিল। কোন কোন অধ্যাপকে গৱেষণা বা অতিৰিক্ত অধ্যয়ন কৰে তাৰ খবৰ জানি লৈ তেওঁক উৎসাহ দিছিল আৰু মানুহজনে আহৰণ কৰা জ্ঞানখিনি যথা সম্ভৱ তেওঁৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিলাই দিয়াৰ বাবে উপদেশ দিছিল।

সময়ৰ প্ৰয়োজনত তেওঁ কিদৰে আমাক সাহস আৰু অনুপ্ৰেৰণা যোগাইছিল তাৰে এটা ঘটনা উল্লেখ কৰো। সেইটো নকবিলে মোৰ এই প্ৰতিবেদন অসম্পূৰ্ণ হৈ যাব। ১৯৭১ চনৰ কথা। আন বছৰৰ দৰে সেই বছৰো মই কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ খেল বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক। বছৰেকীয়া খেল-ধেমালি প্ৰতিযোগিতাত এটা বিশেষ আকৰ্ষণ আছিল ছাত্ৰসকলৰ বাবে সাঁতোৰ প্ৰতিযোগিতা। প্ৰতিবছৰৰ দৰে সেইবাৰ অনুষ্ঠানটো পতা হৈছিল দীঘলীপুখুৰীত আৰু এই অনুষ্ঠান পতাৰ বাবে পুখুৰীপাৰত থকা

আৰু এটা ৰূপ দেখা পালো। বুজিলো প্ৰয়োজনত ছাৰে কিদৰে সহকৰ্মীক সুৰক্ষা প্ৰদান কৰে। ছাৰৰ এই ধৰণৰ স্থিতি আমি আৰু কেইবাবাৰো বিভিন্ন ক্ষেত্ৰত দেখা পাইছিলোঁ।

ছাৰে এটা কথাই বিশ্বাস কৰিছিল যে এজন শিক্ষকে তেওঁৰ ছাত্ৰক দিব লগাখিনি যথাৰ্থভাৱে দিব লাগিব। আকৌ ছাত্ৰয়ো একেদৰে উপযুক্ত সন্মানেৰে শিক্ষকক গ্ৰহণ কৰিব লাগিব। তাৰ মাজত অৱশ্যেই থাকিব মৰম আৰু চেনেহৰ বন্ধন। উগ্ৰ বা দুষ্ট প্ৰকৃতিৰ ল'ৰাৰ লগত ছাৰে কোনো ধৰণৰ নমনীয়তা কৰাৰ চেষ্টা কোনো দিনেই কৰা দেখা নাই। স্মৃতিৰ বহুত কথাই আছিল। ছাৰ আজি আমাৰ মাজত নাই। কিন্তু আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা অধ্যক্ষ হিচাপে তেওঁ তাতে যি প্ৰাণ প্ৰতিষ্ঠা কৰি গৈছিল, তাৰ কাৰণেই তেওঁ অমৰ হৈ থাকিব। তেওঁ অমৰ হৈ থাকিব আমাৰ নিচিনা সহকৰ্মীবোৰৰ মাজত, ছাত্ৰ-ছাত্ৰীৰ মাজত-যিসকলে তেওঁক অতি ওচৰৰ পৰা পাইছিল। তেওঁ অমৰ হৈ থাকিব তেওঁৰ কৰ্ম-পদ্ধতি আৰু আমাক শিকাই যোৱা কামখিনিৰ মাজত।

# অধ্যক্ষ গিৰিধৰ শৰ্মাদেৱ আৰু মই

ড° গিৰীশ চন্দ্ৰ শৰ্মা

বিশাল ব্যক্তিত্বৰ অধিকাৰী, বহুমুখী প্ৰতিভা সম্পন্ন, যিজন ব্যক্তিৰ কৰ্মবক্ষত্ৰ সাগৰৰ দৰে বহল দৃষ্টিভঙ্গী, আকাশলঙঘী, তেনেহেন ব্যক্তি এজনৰ বিষয়ে আলোচনী এখনৰ দুখিলা পাতত লিখিবলৈ ওলোৱাটো হাতীমাৰি ভুৰুকাত ভৰাবলৈ প্ৰয়াস কৰাৰ নিচিনা হব। সেয়ে তেনে প্ৰয়াস নকৰি, চিৰনমস্য গিৰিধৰ শৰ্মা ছাৰৰ সান্নিধ্যত অহাৰ এটা স্মৃতিৰ টুকুৰাহে বুটলিবলৈ চেষ্টা কৰিছো।

প্ৰথম সাক্ষাত ঃ- ১৯৬৫ চন, এম্ এচ্ চি পৰীক্ষা দিছো, প্ৰেক্‌টিকেল শেষ হোৱা নাই— মোৰ সহপাঠী বনমালীয়ে (ড° বনমালী বৈশ্য ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞানৰ অধ্যাপক হিচাবে অৱসৰ গ্ৰহণ কৰিছে) কলে— তোক আৰ্য্যবিদ্যাপীঠ কলেজৰ অধ্যক্ষই মাতিছে। ২-৩ দিন পাছত এজন পিয়নৰ হাতত এখন চিঠি— টিউটৰ হিচাপে নিযুক্তি দিছে। মই যোৱা নাই। ৪-৫ দিন পাছত সেই সময়ত আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ প্ৰবক্তা প্ৰভাত গোস্বামী (ড° গোস্বামী বৰ্ত্তমান আফ্ৰিকাৰ ঘানাত) আহিল আৰু কলে "যদি আপুনি কাইলৈ নাযায় — ছাৰ নিজে আহিব। মই চিঞৰি উঠিলো - নাই নাই ছাৰক আহিব নিদিব— প্ৰেক্‌টিকেল শেষ হ'লেই মই যাম। কথামতেই - প্ৰেক্‌টিকেল শেষ হোৱাত বনমালীৰ সৈতে ওলালোগৈ কলেজত। সেইসময়ত বৰ্তমানৰ উপাধ্যক্ষৰ কোঠালীটোত অধ্যক্ষ বহিছিল। দেখিলো ধুতি পাঞ্জাবী পৰিহিত, মূৰত বগা চুলি ডাঠ চেলাউৰি যুক্ত, সুন্দৰ দাঁত দুপাৰিৰে সুদেহী ব্যক্তি এজন, দেখিলেই

শ্ৰদ্ধাত মূৰ দোঁ খাই যায়— সেইজনেই অধ্যক্ষ গিৰিধৰ শৰ্মাদেৱ। সোমোৱাৰ লগে লগেই কলে - ব'লা কলেজখন দেখুৱাই আনো। মোৰ লগত বনমালী আৰু ছাৰৰ পাছে পাছে ছাঁটোৰ নিচিনাকৈ আহি আছে গুৰু গম্ভীৰ খোজেৰে আন এজন ব্যক্তি - পিছতহে জানিব পাৰিলো সেইজনেই আছিল সেইসময়ৰ ৰসায়ন বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত প্ৰবীণ চন্দ্ৰ শৰ্মাদেৱ। ড° প্ৰবীন চন্দ্ৰ শৰ্মা পাছলৈ গোৱালপাৰা কলেজ, পাণ্ডু কলেজৰ অধ্যক্ষ হোৱাৰ উপৰিও এম. পিও হৈছিল। বৰ্ত্তমান প্ৰাণী বিজ্ঞান বিভাগৰ ঠাইত আছিল ৰসায়ন বিভাগ- আনটোফালে পদাৰ্থবিজ্ঞান, প্ৰাণীবিজ্ঞানৰ লগত আছিল উদ্ভিদ বিদ্যা আৰু উদ্ভিদ বিদ্যাৰ আনটো ফালে আছিল এটা দীঘলীয়া ঘৰ আৰু বোধহয় ছাল আছিল খেৰৰ, সেইটোৱে আছিল ছাত্ৰাবাস; বাকী অংশ জলাশয়। কলাবিভাগৰ অসম আৰ্হিৰ ঘৰটোৰ বাহিৰে বাকী অংশ প্ৰায় খালেই আছিল। যিমান উচ্ছাহত ছাৰে আমাক কলেজখন দেখুৱাইছিল - আমি কিন্তু সিমান উচ্ছাহিত হোৱা নাছিলো কাৰণ পিতনিৰ মাজৰ কলেজ। কিন্তু দেখিছিলো আমাক কলেজখন দেখুৱাই ছাৰে যেন নিজেই আনন্দ উপভোগ কৰিছে। মনত পৰিল সৰুখুৰাই কোৱা কথা এটা (সৰুখুৰা জানকীনাথ শৰ্মাদেৱ হৰিপ্ৰিয়া বিদ্যাপীঠৰ প্ৰধান শিক্ষক আছিল)। সৰুখুৰাই আমাক মানে দাদা আৰু মোক গাঁৱৰ পৰা আনি একেটা কোঠাতে নিজৰ লগতে ৰাখি পঢ়ুৱাইছিল। তেতিয়া খুৰা চেনিকুঠী প্ৰাথমিক স্কুলৰ শিক্ষক, আমি এম্ চি এম্ ই স্কুলত পঢ়ো মই ক্লাছ iv আৰু দাদা vi ত। আমাৰ মাজত লেম্প এটা —মই চিএৰি চিএৰি পঢ়ো - দাদাই খং কৰে। এদিনাখন খুৰাক কলো মোক নিজাকৈ এটা লেম্প লাগে। অলপ সময় খুৰা নিমাত —লাহে লাহে ক'বলৈ ধৰিলে বুজিছ গিৰিপিতি (সৰুখুৰাই মোক মৰমতে গিৰিপিতি বুলি মাতিছিল - অৱশ্যে খং উঠিলে 'গিৰি' আৰু বেছি খং উঠিলে 'গেৰো' বুলি মাতিছিল)। নলবাৰীৰ এখন গাঁৱৰ বিধবা মাকৰ দুটা ল'ৰাই এৰাগছৰ গুটি শুকুৱাই তাৰেই মছ্লা বনাই পঢ়ি ডাঙৰ মানুহ হৈছে —তহঁতে এটা লেম্পতে পঢ়িব নোৱাৰনে? Class ix ত যেতিয়া Sanskrit grammar and Composititon নামৰ কিতাপখন পঢ়ো - লিখক গিৰিধৰ শৰ্মা, খুৰাই কৈছিল— এইজনেই মই কোৱা দুই ভাতৃৰ ডাঙৰজন, এতিয়া কটন কলেজৰ অধ্যাপক। স্বচক্ষে সেই মহান ব্যক্তিজনক দেখি মোৰ মন আনন্দত নধৰা হল। আৰম্ভ হ'ল মোৰ শিক্ষকতাৰ জীৱন।

**ছাৰৰ আদৰ্শ ও অনুপ্ৰেৰণা ঃ-** চাকৰি আৰম্ভ কৰাৰ প্ৰায় এবছৰমান পাছত এদিনাখন মোৰ ক্লাছলৈ যোৱাত প্ৰায় দহ মিনিটমান পলম হৈছিল — দূৰৰ পৰাই দেখিছিলো ক্লাছত ছাৰ। মই বাৰাণ্ডা পোৱাৰ লগে লগেই ছাৰ ওলাই আহিল আৰু কলে — "তোমাৰ ক্লাছ আছিলনেকি? মই সিহঁতক হাইড্ৰজেনৰ প্ৰিপাৰেচন লিখিব দিছো।" যদিও মোক একো বেয়াকৈ কোৱা নাছিল মই কিন্তু বৰ লাজ পাইছিলো। মোৰ অধ্যক্ষতাৰ কালত এই ঘটনাৰ প্ৰভাব বাৰুকৈয়ে পৰিছিল।

১৯৭১ ৰ পৰা ১৯৭৩ চনলৈ মই ছাত্ৰাবাসৰ অধীক্ষক আছিলো। এদিন দুপৰীয়া জানিব পাৰিলো যে চাৰিজন আৰক্ষীয়ে ছাত্ৰাবাসৰ ভিতৰতে তাচ্ খেলি আছে। হাতত সাৰে ভৰিত সাৰে পালোগৈ ছাত্ৰাবাস। লৰাকেইজনক ধুম্‌ধাম্ চৰিয়ালো। অধ্যক্ষদেৱৰ ওচৰলৈ আহি কলো— ইহঁতক expel কৰক। ছাৰ নিমাত। মোৰ খং উঠিল পুনৰ কলো ছাৰ ইহঁতক expel কৰক। ছাৰে মোৰ মুখৰফালে নোচোৱাকৈ গহীনাই কলে— "হেৰা শৰ্মা— তুমি বৰ ডেকা ল'ৰা হৈ আছাহে; কলেজৰ পৰা খেদি পঠিয়ালে সিহঁত ভাল হব জানো? তাতকৈ সিহতক ভাল কৰাৰ চেষ্টা নকৰা কিয়? ছাৰৰ কথাত মোৰ অৱস্থা শিল পৰা কপৌৰ নিচিনা। কেইদিনমান পাছত মোৰো মনৰ পৰিবৰ্ত্তন হল— ছাত্ৰকেইজনক ছাত্ৰাবাসৰ বিভিন্ন দায়িত্ব অৰ্পণ কৰিলো আৰু প্ৰতি সন্ধিয়া সিহঁতৰ পঢ়াৰ অগ্ৰগতিৰ খবৰ লবলৈ ধৰিলো। ভাবিলেই ভাল লাগে আটাইকেইজন এতিয়া সুপ্ৰতিষ্ঠিত— কোনোবাজন ন্যায়াধীশ, কোনোবাজন উচ্চ ন্যায়ালয়ৰ অধিবক্তা, আকৌ কোনোবাজন হ'ল এ চি এছ বিষয়া। এই ঘটনাৰ অনুপ্ৰেৰণাৰ ফলস্বৰূপে মই যেতিয়া অধ্যক্ষৰ দায়িত্ব বহন কৰো, দুই এজন ছাত্ৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ পৰা বিৰত আছিলে অৱশ্যে এই কাৰ্য্যৰ বাবে দুই এজন সহকৰ্মীৰ সমালোচনাৰ পাত্ৰ নোহোৱাকৈ থকা নাছিলো।

ছাত্ৰাবাসৰ অধীক্ষক হৈ থকা সময়ত কলেজ চৌহদতে থাকিবলগীয়া হোৱা বাবে প্ৰায়েই চকুত পৰিছিল যে — ৰাতিপুৱা প্ৰায় ৬-৩০ মান বজাতেই ছাৰ কলেজলৈ আহে, গৃহনিৰ্মাণৰ অগ্ৰগতিৰ বুজ লৈ ঘৰলৈ যায় আৰু পুনৰ ৯ বজাতে কলেজত উপস্থিত হয়। আবেলি প্ৰায় ৪ টা মান বজালৈ কলেজত থাকে— প্ৰতিটো পিৰিয়ডতে ক্লাছবোৰ পৰিদৰ্শন কৰে। সেই সময়ত নৈশ শাখা আছিল - সেয়ে

পুনৰ পাঁচমান বজাতেই কলেজত উপস্থিত হৈছিল। মাজে মাজে ভাবিছিলো - ছাৰৰ নিজৰ ঘৰখন কোনে চলায় বাৰু? নৈশ শ্ৰেণী শেষ হৈছিল ৰাতি ৯-৩০ বজাত। এদিনাখন ৰাতি প্ৰায় ৯ বজাত কলে, আহাচোন— বিস্না এখনত উঠাই ললে (গাড়ীখন অনা নাছিল)। সুধিলো- কলৈ যাব? ছাৰে কলে বলাচোন। দেখিলো ছাৰৰ নিজৰ কাম নহয়— কাম কলেজৰে। ৰাতি প্ৰায় ১০.৩০ মান মান বজাত উভতিছিলো। কি অদ্ভুত কৰ্মপ্ৰেৰণা— ভাবিছিলো ছাৰৰ ভাগৰ নালাগেনেকি?

**অধ্যক্ষদেৱৰ সৈতে খকা-খুন্দা ঃ** ছাৰৰ সৈতে সদায়ে যে মোৰ সম্পৰ্ক মধুৰ আছিল তেনে নহয়। ১৯৬৬ চনত মই কটন কলেজলৈ যাব ওলালো— যাব নিদিলে বেয়া পাইছিলো।

১৯৬৯ চনত Oil India ত Chemist হিচাবে চাকৰি পালো। মোক Release দিবলৈ কলো। Release দিব দূৰৰ কথা, যাবলৈহে মানা কৰিলে আৰু কলে "তুমি তাত থাক্‌পা ন'ৰবাহা।" খঙতে Release নোলোৱাকৈয়ে গুচি গলো। কি জানো হল — ছাৰৰ কথাই ৰ'ল নেকি, ভাল নালাগিল— উভতি আহিলো।

১৯৬৬ চনৰ কথা - ছাৰ গুৱাহাটী বিশ্ববিদ্যালৰ কাৰ্য্যবাহী পৰিষদৰ সদস্য আছিল। এদিনাখন ছাৰে কলে — যোৱাকালি মোৰ বৰ চিন্তাই হৈছিল - পিচত যেতিয়া দেখিলো তুমি Second nomination পাইছা তেতিয়াহে শান্তি।। বৰ দুখ পাইছিলো- চাকৰিটো নোপোৱা কাৰণে নহয় - দুখ পাইছিলো মই চাকৰিটো নোপোৱা কাৰণে ছাৰে সুখ পোৱা বুলি কোৱা কাৰণে।

১৯৭২ নে ১৯৭৩ চনৰ কথা —মই ছাত্ৰাবাসৰ অধীক্ষক। সেইসময়ত ছাত্ৰাবাসৰ আবাসীয়ে ছাত্ৰ একতা সভাৰ নিৰ্বাচন খেলিব নোৱাৰিছিল। কৃষ্ণ মহন্ত নামৰ ছাত্ৰ এজনে (কৃষ্ণ মহন্ত বৰ্ত্তমান উচ্চন্যায়ালয়ৰ জেষ্ঠ অধিবক্তা) কলে যে তেওঁ হেনো সাধাৰণ সম্পাদক পদৰ নিৰ্বাচনত অংশ গ্ৰহণ কৰিব বিচাৰে। মই সন্মতি দিলো। কৃষ্ণ জিকিল — ল'ৰাহতে কলেজ চৌহদৰ ভিতৰতে ফটকা ফুটালে— ছাৰে উগ্ৰমূৰ্ত্তি ধৰি খেদি আহিল। মই তেতিয়া ল'ৰাহঁতৰ মাজত ছাৰৰ মূৰ্ত্তি দেখি পলাই পত্ৰং দিলো। ছাৰে মোক বেয়া পাইছিল। কাৰণ ছাৰৰ পছন্দৰ প্ৰাৰ্থীজন হাৰিছিল।

**আৰ্য্যবিদ্যাপীঠৰ সোণালী যুগ ঃ-** মোৰ বোধেৰে ১৯৬৫ পৰা ১৯৭০

চনলৈ আৰ্য্যবিদ্যাপীঠৰ সোণালী যুগ। এই সময়ছোৱাতেই গঢ়ি উঠিল খাল আৰু পিতনিৰ ঠাইত নতুন নতুন অট্টালিকা। বিশ্ববিদ্যালয় অনুদান আয়োগৰ সাহায্যৰে নির্মিত হ'ল— Non Resident students centre, Health centre, workshop, পদাৰ্থবিজ্ঞান বিভাগৰ অট্টালিকা। লেকচাৰ থিয়েটাৰ আৰু লগতে ৰসায়ন বিজ্ঞান বিভাগৰ অসম আৰ্হিৰ ঘৰটো। অতি উল্লেখনীয় নিৰ্মাণ কাৰ্য্য হ'ল— ছাত্ৰাবাসৰ নতুন ভবনটো। চৰ্দাৰ সন্তোষ সিং ডাঙৰীয়াৰ দানেৰে নিৰ্মিত হ'ল — প্ৰেক্ষাগৃহটো। শিক্ষায়তনিক দিশত ভাবিব নোৱাৰা অগ্ৰগতি। সকলো বিষয়তে অনাৰ্হ্বৰ শ্ৰেণী খোলাৰ উপৰিও অসমৰ চৰকাৰী বেচৰকাৰী সকলো কলেজৰ বাবেই দিক্ নিৰ্ণায়ক পদক্ষেপ — "গণিত বিষয়ত PG Class। শৈক্ষিক দিশত বিশেষকৈ বিজ্ঞানৰ স্নাতক মহলাৰ ফলাফলে সকলোৰে চকু থিয় কৰাই দিলে। ঐতিহ্যপূৰ্ণ কটন কলেজৰ সমকক্ষ হোৱাই নহয় কেইটামান বিষয়ত কটনক চেৰ পেলাবলৈও সক্ষম হ'ল। অসম বাসীৰ মুখে মুখে আৰ্য্যবিদ্যাপীঠৰ নাম। নাম দিলে নালন্দা বিশ্ববিদ্যালয়। বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুদানেৰে সম্পন্ন কৰা COSIP আৰু COHSIP প্ৰগ্ৰেমে যেন সোণত সুৱগাহে চৰালে। একে সময়তে সকলো বিষয়তে ছেমিনাৰ, বিজ্ঞানাগাৰত প্ৰদৰ্শনী, সমাগম ঘটিল বহুতো শিক্ষাবিদ আৰু বিজ্ঞানীৰ। গোটেই কলেজখনতেই উখল-মাখল, যেন বিদ্যাৰ এক মেলা। আমি ডেকা শিক্ষকসকলে উপভোগ কৰিলো, পাহৰি গলো নিজৰ কথা, দেহ-মন যেন বিলীন হৈ গ'ল আৰ্য্যবিদ্যাপীঠৰ সৈতে। আচৰিত হৈ গৈছিলো সেই মহান পুৰুষজনৰ কৰ্মক্ষমতা দেখি। বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক অতুল চন্দ্ৰ হাজৰিকা দেৱে নাম দিলে— ভীম কৰ্ম্মা গিৰিধৰ শৰ্মা।

অকল যে শিক্ষাৰ ক্ষেত্ৰতেই আগবাঢ়ি গৈছিল তেনে নহয় - সমহাৰত আৰ্য্যবিদ্যাপীঠ আগবাঢ়ি গৈছিল—খেলা-ধূলা আৰু সাংস্কৃতিক দিশতো। আজিও পাহৰিব পৰা নাই কিমান উলহ-মালহ আৰু জাকজমকতাৰে উদ্‌যাপিত হৈছিল দহ বছৰীয়া অনুষ্ঠান।

**অধ্যক্ষদেৱৰ** সৈতে নিবিড় ভাবে জড়িত কেইজনমান ব্যক্তিঃ- প্ৰথমেই নাম লব লাগিব সেইসময়ৰ চকীদাৰ ফাগু কুৰ্মীৰ (আমি ফাকু চাচা বুলি মাতিছিলো)। উত্তৰ প্ৰদেশৰ মানুহ, কিন্তু ভাবিছিল কলেজখন যেন তেওঁৰ নিজৰহে

সম্পত্তি; সময়ত ভাব হৈছিল যেন গিৰিধৰ শৰ্মা ছাৰেও তেওঁক কথা কবলৈ ভয় কৰে। আন এজন ব্যক্তি ৰায়মোহন ঠিকাদাৰ— সাধাৰণ পোচাক পৰিহিত অমায়িক ব্যক্তি; গোটেই কলেজখন বোধহয় তেওঁৱেই নিৰ্মাণ কৰিছিল।

মোৰ ক্লাচত পলম হোৱা ঘটনাটোৰ পৰাই অনুমান কৰিব পাৰি সহকৰ্মীৰ প্ৰতি ছাৰৰ ব্যৱহাৰ কেনে আছিল। সৰু-বৰ সকলো শিক্ষককে একে দৃষ্টিভঙ্গীৰে চাইছিল যদিও প্ৰধানতঃ চাৰিজন শিক্ষক ছাৰৰ ওচৰত ছাটোৰ নিচিনাকৈ লাগি থকা যেন অনুভৱ হৈছিল। এইবাবে একাংশ শিক্ষকে তেখেতক অলপ বেয়াও পাইছিল। আচলতে কিন্তু এখেতসকলক ছাৰে কিবা বিশেষভাবে আদৰ কৰিছিল বুলি নাভাবো; তেখেতসকলেহে ছাৰৰ গুণমুগ্ধ হৈ আগবাঢ়ি আহিছিল কলেজ গঠনত সহায় কৰিবলৈ। কলেজৰ শৈক্ষিক আৰু আন্তঃগাঠনিত দেখা গৈছিল ড° প্ৰবীণ চন্দ্ৰ শৰ্মাদেৱ আৰু প্ৰয়াত অধ্যাপক দেবানন্দ শইকীয়াদেৱক। দুয়োজনেই কৃতী শিক্ষক আছিল। দুয়োজনৰেই শিকোৱা পদ্ধতি শ্ৰেণীৰ বাহিৰৰ পৰাই মনে মনে চাইছিলো। ছাত্ৰৰ ফালৰ পৰাই হওক নাইবা অইন দিশৰ পৰাই হওক কিবা সমস্যাৰ উদ্ভৱ হলেই ঢালৰ নিচিনাকৈ অধ্যক্ষদেবৰ আগত থিয় হৈছিল— দুজন ব্যক্তি, এজন হ'ল অধ্যাপক দীনেশ চন্দ্ৰ বৰুৱাদেৱ (বৰুৱা ডাঙৰীয়া পিছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধ্যক্ষ হৈছিল) আৰু আনজন হ'ল প্ৰয়াত হেমন্ত চৌধুৰীদেৱ। চৌধুৰী ডাঙৰীয়া উগ্ৰ সাহসী, যিকোনো পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ হলে আগবাঢ়ি আহিছিল চৌধুৰীদেৱ।

**অধ্যক্ষদেৱৰ দুখ ঃ** শয়নে-সপোনে আৰ্য্যবিদ্যাপীঠৰ পৰিকল্পনা থকা ব্যক্তিজনেও কিন্তু তেখেতৰ কৰ্মক্ষেত্ৰত বাধা নোপোৱাকৈ থকা নাছিল। একাংশ ব্যক্তিয়ে প্ৰায় প্ৰতি খোজতেই বাধাৰ সৃষ্টি কৰা দেখা গৈছিল। পিছৰফালে অধ্যক্ষদেৱক হতাশ হোৱা যেন দেখা গৈছিল— ইয়াৰ ফলস্বৰূপে অনুমান কৰিছো কলেজখনে যেন স্থবিৰ অৱস্থা পাইছিল। সকলো বিষয়তে PG খোলা সপোন আৰু পূৰ্ণ নহ'ল।

**অধ্যক্ষদেৱৰ ৰসিকতা ঃ—** ছাৰৰ অভিব্যক্তিয়ে তেখেতৰ ভিতৰত থকা ৰসৰ উমান নিদিয়ে। কিন্তু আমি যি সকল শিক্ষক খেলা-ধূলা নাইবা কলেজত হোৱা অইন অনুষ্ঠানৰ লগত জড়িত আছিলো— জানিছিলো ছাৰৰ ৰসিকতাৰ কথা।

কলেজ সপ্তাহ উদ্‌যাপনৰ সময়ত ছাত্ৰ আৰু শিক্ষকৰ বেটিং মুকলি কৰে ছাৰে। ল'ৰাহতে লাহেকৈ বলতো দলিয়াই — ছাৰে বেট ঘুৰাই— বলত নালাগে — কিন্তু আমাক মানে লগৰ বেটছমেনক সোধে "ৰাণ হছি নে"।

এদিন সন্ধিয়া — তৰ্কপ্ৰতিযোগিতা পৰিচালনা কৰিছে ইংৰাজীৰ অধ্যাপক এজনে। অধ্যাপকজনৰ ইংৰাজী কোৱাৰ ষ্টাইল আছে। মাজত ছাৰে কৈ উঠিল— " এওঁ কি কছি বুৎছাৱানা"? খুহুতীয়া কথা কব লাগিলেই ছাৰে খাচ্ কামৰূপীয়া কথা কৈছিল। আমি কোনোমতেহে হাঁহি বন্ধ কৰিছিলোঁ। যেতিয়া প্ৰতিযোগিতা শেষ হ'ল — ছাৰে ক'লে — "ইথেন্ বুৎছোদিয়া — The End নকৈছি না।" আমি আৰু হাঁহি বন্ধ কৰিব নোৱাৰিলো গিৰ্জনি মাৰি হাঁহি দিলো।

এয়া মাত্ৰ দুটাহে উদাহৰণ। এনেধৰণৰ অসংখ্য ঘটনা আছে।

**অধ্যক্ষদেৱৰ মহানুভৱতাঃ** সেই সময়ত শুভাকাংখীৰ তিনিজন অধ্যক্ষৰ নাম মানুহৰ মুখে মুখে। প্ৰাগজ্যোতিষ কলেজৰ তীৰ্থনাথ শৰ্মাদেৱ, সন্দিকৈ ছোৱালী কলেজৰ শৰৎ চন্দ্ৰ গোস্বামীদেৱ আৰু আৰ্য্যবিদ্যাপীঠৰ গিৰিধৰ শৰ্মাদেৱ। তীৰ্থনাথ শৰ্মা এজন সংস্কৃত পণ্ডিত, গোস্বামীদেব এজন প্ৰখ্যাত দাৰ্শনিক। কিন্তু অধ্যক্ষ হিচাবে — সকলোৱে স্বীকাৰ কৰিব লাগিব— গিৰিধৰ শৰ্মাদেৱ অদ্বিতীয়। কেৱল অধ্যক্ষ হিচাবেই নহয় অসম সাহিত্য সভাৰ সাংগঠনিক দিশত তেখেতৰ ভূমিকা অনবদ্য। অসম সাহিত্য সভাৰ সভাপতি হৈ অসমৰ চুকে-কোণে ঘূৰি বিভিন্ন জনগোষ্ঠীক একত্ৰিত কৰাৰ যি চেষ্টা কৰিছিল সেই অৱদান সাহিত্য সভাই কেতিয়াও পাহৰিব নোৱাৰে। কিন্তু এনে এজন ব্যক্তি হৈও— ছাৰে মোক এদিনাখন কৈছিল "হেৰা, তীৰ্থ শৰ্মা পণ্ডিত মানুহ তেখেতক মেল মিটিঙত মাতে ভাল কথা; তেখেতৰ লগত মোকো মাতে — মই বৰ লাজ পাওহে। নিজে যোগ্য হৈ- যোগ্যতাৰ মাপকাথিত নিজকে তলত বুলি কোৱাটো ছাৰৰ মহানুভৱতাৰ চিন।

**সামৰণি ঃ** আৰ্য্যবিদ্যাপীঠৰ প্ৰতীকত খোদিত আছে উপনিষদৰ মহান বাণী

"তমসো মা সদ্‌গময়ঃ

তমসো মা জ্যোৰ্তিগময়ঃ"

এই বাণীয়ে বুজাই দিয়ে— গিৰিধৰ শৰ্মাদেৱৰ মহৎ উদ্দেশ্যৰ কথা আৰু

আমি ভাবো এইক্ষেত্ৰত সফল কামো হৈছে। নহলেনো আৰ্য্যবিদ্যাপীঠৰ ছাত্ৰই — উচ্চন্যায়ালয়ৰ ন্যায়াধীশ, বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হোৱাৰ উপৰিও প্ৰশাসনিক ক্ষেত্ৰতো IAS, IPS হৈ জনগণক সেৱা কৰিব পাৰিলেহেঁতেন নে? । পাৰিলেহেতেন নে আৰ্য্যবিদ্যাপীঠৰ ছাত্ৰই বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগক অধ্যাপকৰ পদ অলংকৃত কৰি বৌদ্ধিক দিশত সমাজক আগুৱাই নিবলৈ? 'নাক'ৰ দ্বাৰা কলেজসমূহৰ মূল্যায়ন ৰাখোতে দেখা গৈছিল- যিবোৰ কথাৰ ওপৰত মূল্যায়ন কৰা হয়— সেইবোৰৰ সৰহভাগেইচোন অধ্যক্ষ গিৰিধৰ শৰ্মাদেৱে চল্লিশ বছৰ আগতেই কৰি থৈ গৈছে।

অসমৰ সুসন্তান, কৰ্মযোগী অধ্যক্ষ গিৰিধৰ শৰ্মাদেৱৰ আৰ্য্যবাসীৰ চিৰস্মৰণীয় যদিও আৰ্য্যবিদ্যাপীঠৰ শিক্ষকসকলে তেখেতৰ প্ৰতি থকা শ্ৰদ্ধাৰ চিন স্বৰূপে স্মাৰক বক্তৃতা আয়োজন কৰি আহিছে— মই ভাবো প্ৰকৃত শ্ৰদ্ধা নিবেদন কৰা হ'ব যদিহে শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু আৰ্য্যবিদ্যাপীঠৰ শুভাকাংক্ষী সকলো ব্যক্তি আগবাঢ়ি আহি আৰ্য্যবিদ্যাপীঠক এখন 'A' গ্ৰেড কলেজলৈ উন্নীত কৰিব পাৰে।

# মোৰ স্মৃতিৰ সঁফুৰাত অধ্যক্ষ গিৰিধৰ শৰ্মা

— দীনেশ চন্দ্ৰ বৰুৱা

কিছুমান মানুহৰ জীৱনত সৌভাগ্যৰ গুণতে হওক অথবা পূৰ্বজন্মৰ সংস্কাৰৰ ফলতেই হওক, এনেকুৱা বিৰল ব্যক্তিত্বৰ দুই-চাৰিজন ব্যক্তিৰ সান্নিধ্য লাভ কৰা যায় যি সান্নিধ্যৰ স্মৃতি মনৰ সঁফুৰাত আমৃত্যু সঞ্চিত হৈ থাকে। মোৰ জীৱনত তেনে এক ব্যক্তি আছিল অধ্যক্ষ গিৰিধৰ শৰ্মা। বহুত বিশেষণেৰে বিভূষিত গিৰিধৰ শৰ্মাৰ 'অধ্যক্ষ' বিশেষণটোক লৈয়ে মই আবদ্ধ থাকিম।

স্কুলীয়া শিক্ষা আহৰণৰ সময়তে তেখেতৰ স্কুলীয়া পৰ্যায়ৰ ৰচনাৰাজিৰ জড়িয়তে তেখেতৰ নামটো শুনিলেও, কটন কলেজত নামভৰ্তি কৰাৰ আগতে তেখেতৰ লগত চাক্ষুস সম্পৰ্ক হোৱা নাছিল। ১৯৫৯-৬০চনৰ এটা সন্ধিয়া আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু তাৰ অধ্যক্ষজনক লগ পাবলৈ ৰিহাবাৰীলৈ গৈছিলো কিন্তু কলেজখন বিচাৰি হাবাথুৰি খাব লগাত পৰিছিলো। ইজন-সিজনক সুধি-পুচি পিছত কলেজখন আৱিষ্কাৰ কৰিলো। চেৰাবভাটি নামে খ্যাত চাৰিআলিটোৰ পৰা টি বি হস্পিতাল লৈ যোৱা ৰাস্তাৰ সোঁকাষে। এই যাত্ৰাৰ উদ্দেশ্য আছিল মোৰ এজন বন্ধুৱে সেই বছৰত স্নাতকোত্তৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰি গুৱাহাটীৰ কোনোবা অনুষ্ঠানত শিক্ষকতাৰ চাকৰি এটা যোগাৰ কৰিব পৰা যায় নেকি তাৰ এক চেষ্টা কৰা। শুনিছিলো গুৱাহাটীত আৰ্য বিদ্যাপীঠ নামেৰে এখন নতুন কলেজ প্ৰতিষ্ঠা হৈছিল আৰু তাত চাকৰিৰ ব্যৱস্থা হোৱাৰ সম্ভাৱনা আছিল। আমাৰ

উদ্দেশ্য সফল হৈছিল আৰু অধ্যক্ষ মহোদয়ে মোৰ বন্ধুক শিক্ষকৰ চাকৰি দিবলৈ সন্মত হৈছিল। দুদিন পিছত মোৰ বন্ধুৱে সেই চাকৰিত যোগদান কৰিছিল আৰু ঘৰৰ পৰা টকা ননাকৈ আৰু এটা বছৰৰ পঢ়াশুনাৰ সমুদায় খৰচৰ এইদৰে যোৰা মাৰিছিল। এইটোৱেই আছিল মোৰ অধ্যক্ষ শৰ্মা ছাৰৰ লগত প্ৰথম প্ৰত্যক্ষ যোগাযোগ। এই সুযোগতে ময়ো ছাৰক নিজৰ কাৰণে এম. এ পাছ কৰাৰ পিছত চাকৰি এটা দিয়াৰ কথা কৈ আহিছিলো।

১৯৬১ চনত স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত ছাৰক পুনৰ সাক্ষাৎ কৰি চাকৰিৰ কথা কওঁ। সেইসময়ত কলেজত খালি পদ নথকা বাবে ছাৰে সদ্যহতে আৰ্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে যোগদান কৰিবলৈ ক'লে আৰু ১৯৬১ চনৰ ৩১ জুলাই তাৰিখে উচ্চতৰ মাধ্যামিক বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে যোগদান কৰি আৰ্য বিদ্যাপীঠ পৰিয়ালৰ সদস্য হৈ পৰিলো।

ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিৰ্দেশমৰ্মে ৰাজনীতি বিজ্ঞান নামেৰে এটি নতুন বিষয় প্ৰাক, বিশ্ববিদ্যালয় আৰু স্নাতক পৰ্যায়ৰ বাবে আৰম্ভ কৰা হয় আৰু ৰাজনীতি বিজ্ঞান বিষয়ৰ শিক্ষকৰ বাবে এটি পদৰ আৱশ্যক হয়। এই পদতে ১৯৬২ চনৰ ১ নৱেম্বৰ তাৰিখে ৰাজনীতি বিজ্ঞানৰ এজন পূৰ্ণকালীন প্ৰবক্তা হিচাপে মই যোগদান কৰো। কলেজত যোগদান কৰাৰ দিনৰ পৰা ১৯৭৫ চনত অৱসৰ গ্ৰহণ কৰালৈকে অধ্যক্ষ শৰ্মাৰছাৰৰ সান্নিধ্য লাভ কৰিছিলো আৰু তেওঁৰ ব্যক্তিত্বৰ বহুমুখী গুণসমূহৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱান্বিত হৈছিলো। এটা অকপট নিৰ্ভেজাল স্বীকাৰোক্তি কৰি আজি মই কওঁ-অধ্যক্ষ গিৰিধৰ শৰ্মাই মোৰ জীৱনৰ গতিপথ সলনি কৰি পেলাইছিল।

আমাৰ নিচিনা শিক্ষকতালৈ অহা নতুন চামৰ প্ৰতি ছাৰৰ অমোঘ মন্ত্ৰ আছিল এজন কৃতী শিক্ষক হ'বলৈ হ'লে তোমালোকৰ তিনিটা ভালপোৱা থাকিব লাগিব। প্ৰথমতে তোমালোকে যিখন অনুষ্ঠানত চাকৰি কৰিবলৈ আহিছা সেই অনুষ্ঠানক ভাল পাব লাগিব, দ্বিতীয়তে শিক্ষকতাৰ

যি বৃত্তি তোমালোকে গ্ৰহণ কৰিব আহিছা সেই বৃত্তিটোক ভাল পাব লাগিব আৰু তৃতীয়তে যিসকল ছাত্ৰ-ছাত্ৰীক শিকাবলৈ আহিছা সেই ছাত্ৰ-ছাত্ৰীসকলক প্ৰাণভৰি ভাল পাব লাগিব। ছাৰৰ এই কেইফাকি কথাই শিক্ষকতাৰ কালছোৱাত মোক অহৰহ অনুপ্ৰাণিত কৰিছিল আৰু মোৰ শিক্ষক জীৱনৰ ভেটি গঢ়াত দিশ-নিৰ্ণয় কৰিছিল।

শিক্ষকতাক জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰাৰ পিছৰ পৰা অধ্যক্ষ ছাৰৰ লগত কলেজখনৰ বিভিন্ন কাম-কাজৰ ক্ষেত্ৰত ওতপ্ৰোতভাৱে জড়িত হৈ পৰিছিলো আৰু তেওঁৰ পৰিয়ালৰ এজন সদস্যৰ নিচিনা ব্যৱহাৰ পাইছিলো।

১৯৬২ চনৰ পৰা ১৯৭৫ চনলৈকে অতি ওচৰৰ পৰা ছাৰৰ কাম-কাজবোৰ নিৰীক্ষণ কৰাৰ সুযোগ পাইছিলো। এটা কথাৰ প্ৰতি বিশেষকৈ মোৰ দৃষ্টি আকৰ্ষিত হৈছিল। সেইটো আছিল তেওঁ এজন চাকৰি-প্ৰাৰ্থীৰ ভিতৰৰ শিক্ষকজনক চিনাক্ত কৰিব পাৰিছিল। ছাৰৰ অধ্যক্ষতাৰ কালছোৱাত নিযুক্তি পোৱা কোনো শিক্ষকেই শিক্ষক হিচাপে বিফল হোৱা নাই। প্ৰত্যেকজন শিক্ষকে তেওঁলোকৰ স্বকীয় গুণাৱলীৰ প্ৰভাৱত একোজন কৃতী শিক্ষক হিচাপে সকলোৰে দ্বাৰা স্বীকৃত হৈছিল। আৰ্য বিদ্যাপীঠত চাকৰি কৰা এনে বহু কৃতী শিক্ষকে পৃথিৱীৰ বিভিন্ন ঠাইত শিক্ষকতা কৰি মৰ্যাদাপূৰ্ণ জীৱন-যাপন কৰি আছে। বিশেষকৈ গুৱাহাটী বিশ্ববিদ্যালয়ত এনেকুৱা এটা বিভাগ বোধ হয় নোলাব য'ত আৰ্য বিদ্যাপীঠত শিক্ষকতা জীৱনৰ পাতনি মেলা এজনো শিক্ষক নাই। বহু বিভাগত এনে শিক্ষক দুই-তিনিজনকৈ আছে।

১৯৬২ চনৰ পৰা ১৯৭৫ চনলৈকে অধ্যক্ষ হিচাপে ছাৰৰ সান্নিধ্য লাভ কৰা বছৰকেইটাৰ সমূহ ঘটনাৱলী লিখিবলৈ গ'লে এখন বৃহৎ বুৰঞ্জী হ'ব আৰু সেইটো কৰা উচিত নহ'ব। আগতেই কৈ আহিছো মোৰ এই লিখনীত গিৰিধৰ শৰ্মাৰ 'অধ্যক্ষ' বিশেষণটোক লৈয়েইমই আবদ্ধ থাকিম। অধ্যক্ষ হিচাপে তেওঁ এজন দক্ষ প্ৰশাসক আছিল, এজন প্ৰকৃত শিক্ষাপ্ৰেমী

আছিল আৰু এজন অতি উচ্চস্তৰৰ শিক্ষাবিদ আছিল। আৰ্য বিদ্যাপীঠেই তেওঁৰ সপোন আছিল, তেওঁৰ শ্বাস প্ৰশ্বাস আছিল আৰু আত্মা আছিল। তেওঁৰ এই গুণসমূহৰ দ্বাৰা আমি সেই সময়ৰ শিক্ষকসকল তীব্ৰভাৱে প্ৰভাৱান্বিত হৈছিলো আৰু সেয়ে আজি আৰ্য বিদ্যাপীঠৰ বিষয়ে কিবা ঋণাত্মক মন্তব্য শুনিলে বা কাণত পৰিলে অত্যন্ত ব্যথিত হওঁ।

অধ্যক্ষ গিৰিধৰ শৰ্মাৰ আদৰ্শবাজিৰে সমৃদ্ধ তেওঁৰ মানস-পুত্ৰ আৰ্য বিদ্যাপীঠে নিজৰ হৃত গৌৰৱ পুনৰুদ্ধাৰ কৰি স্বমহিমাৰে মহিমামণ্ডিত হৈ উঠক তাকেই কামনা কৰি মোৰ লিখনী সামৰিলো।

# ছাৰ থকা হ'লে...

ধীৰেন্দ্ৰ দেৱ অধিকাৰী

পণ্ডিতপ্ৰবৰ গিৰিধৰ শৰ্মা (আমাৰ শিক্ষাগুৰু) অসমৰ শিক্ষাজগতৰ এক স্বনামধন্য নাম। প্ৰধানতঃ কুৰি শতিকাৰ অসমত শিক্ষাৰ প্ৰসাৰ তথা আপেক্ষিকভাৱে বঞ্চিত ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰি শিক্ষাৰ পথত আগুৱাই নিয়াৰ ক্ষেত্ৰত তেখেতৰ অৱদান একমেৱাদ্বিতীয়ম। শৰ্মা ছাৰৰ অকুণ্ঠ সপোন আছিল সকলোৱে শিক্ষাৰ পোহৰ লাভ কৰক, সমাজৰ প্ৰতিজন লোকে এই পোহৰেৰে উদ্ভাসিত হৈ একো একোজন সুনাগৰিক হওক। তাৰেই পৰিণতিত ছাৰৰ সক্ৰিয় শুভবুদ্ধিসম্পন্ন, সমাজবাদী মনটোৱে বাৰুকৈয়ে বিদ্যালয়-মহাবিদ্যালয় প্ৰতিষ্ঠাত উদ্বুদ্ধ কৰিছিল। ছাৰৰ ঐকান্তিক-দূৰদৰ্শী ইচ্ছা এদিন সাকাৰ হৈছিল। আমি অসমবাসীয়ে লাভ কৰিছিলোঁ আৰ্য্য বিদ্যাপীঠ (বিদ্যালয়), তাৰ পিছত সময়ৰ দাবীত যি পৰিণত হৈছিল আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়লৈ। ইয়াৰ উপৰি তেখেতৰ আন এক মহৎ সপোন আছিল এই মহাবিদ্যালয়ক এখন বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত কৰিবলৈ। তদানীন্তন সময়ৰ পৰা এশ-দুশ বছৰ আগলৈ চিন্তা কৰি যি দূৰদৰ্শিতাৰে সপোনৰ বিশ্ববিদ্যালয়ৰ পৰিকাঠামো তৈয়াৰ কৰিছিল সেয়া বাস্তৱক্ষেত্ৰত সফলকাম নহ'ল। কিয়নো ইয়াত হেঙাৰ হৈ থিয় দিছিল সেই সময়ৰ এচাম সমাজবিদ্বেষী চকুচৰহা লোকে।

শিক্ষাৰ প্ৰসাৰৰ প্ৰতি থকা দায়বদ্ধতা আৰু তৰুণ প্ৰজন্মৰ প্ৰতি ছাৰৰ সীমাহীন আস্থাৰ বাবে এই শিক্ষা প্ৰতিষ্ঠানটোৱে প্ৰত্যেক খোজতে সফলতাৰ মুখ দেখিছিল। প্ৰত্যাহ্বানৰ সন্মুখত ছাৰ আছিল অচল-অটল। ঋষিৰ দৰে মহীৰুহসদৃশ আছিল তেখেতৰ ব্যক্তিত্ব। এই মহান পুৰোধা পুৰুষগৰাকীৰ প্ৰেৰণাদায়ক ব্যক্তিত্বক কবি নীলমণি ফুকনে কেইবাটাও লেখাত তথা

সাক্ষাৎকাৰত কৃতজ্ঞতাৰে স্মৰণ কৰিছে। অসমীয়া সাহিত্যৰ পঢ়ুৱৈ মাত্ৰকে নীলমণি ফুকনৰ অনুবাদ 'জাপানী কবিতা' সম্পৰ্কে অৱগত। শান্তি নিকেতনলৈ গৈ ফুকনে এই জাপানী কবিতা অনুবাদ কৰিছিল। পৰৱৰ্তী সময়ত এই অনুবাদে অসমীয়া কাব্য সাহিত্যৰ গতিপথ সলাই দিছিল। এই কাৰ্যত উদগনি যোগাইছিল গিৰিধৰ শৰ্মা ছাৰে। তেখেতে কবি ফুকনলৈ এক শকত আৰ্থিক অনুদান তৎক্ষণাত আগবঢ়াই ফুকনৰ শান্তি নিকেতন ভ্ৰমণ সুচল কৰি তুলিছিল।

শিক্ষাবিধ, সাংগঠনিকৰ বিশিষ্ট পৰিচয়ৰ উপৰি ছাৰৰ আন কেইবাটাও পৰিচয় আছিল। তেখেত আছিল আভিধানিক, বৈয়াকৰণিক ইত্যাদি। অসমীয়া-সংস্কৃত-ইংৰাজী ভাষাত থকা তেখেতৰ অসাধাৰণ দখলে অভিধান প্ৰণয়নৰ বাবে উদ্বুদ্ধ কৰিছিল। তেখেতৰ এই সৃষ্টি ৰাজ্যখনৰ বিদ্যাৰ্থী সমাজে আগ্ৰহেৰে আঁকোৱালি লৈছিল। আজি এই অভিধানখন ব্যৱহাৰ কৰা লোকৰ সংখ্যা তাকৰ নহয়। বজাৰত বহুকেইখন অভিধান থকা সত্ত্বেও শৰ্মা ছাৰৰ অভিধানখনে তাৰ স্বকীয় বৈশিষ্ট্য বহন কৰি পুথিভঁৰাল, বিদ্যাৰ্থীৰ টেবুলত নিজৰ উপস্থিতি সদম্ভে ঘোষণা কৰি আহিছে।

অসাধাৰণ পাণ্ডিত্যৰ গৰাকী শ্ৰদ্ধেয় ছাৰৰ শৈশৱ কাল আছিল অতি দুখ লগা। শিশুকালতে পিতৃদেৱতাক হেৰুৱাই এক অসাৰ জীৱনৰ বাট দেখিছিল যদিও দেৱীতুল্য মাতৃৰ অসাধাৰণ প্ৰচেষ্টাত তেখেত হৈ পৰিছিল সমাজৰ এক উজ্জ্বল জ্যোতিষ্ক। সুখ্যাতিৰে তিনিটাকৈ বিষয়ত লেটাৰ নম্বৰ লৈ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিল এইগৰাকী মহান ব্যক্তি। পিছলৈ বিভিন্ন সমস্যাৰ বাধা অতিক্ৰমি সমস্যাৰে ভাৰাক্ৰান্ত এখন সংসাৰ চলাবলৈ গৈ তেখেতে আনুষ্ঠানিক শিক্ষাৰ পৰিৱৰ্তে অনানুষ্ঠানিক শিক্ষাৰ জৰিয়তেই ৰাজ্যবাসীলৈ যি অৱদান আগবঢ়াই গ'ল সেয়া কেতিয়াও ধাৰ সুজিব নোৱাৰিম। আৰ্য্য বিদ্যাপীঠত নিজে অধ্যয়ন কৰি দেখিছিলোঁ— ছাৰৰ কাম কৰাৰ শক্তি কিমান। পুৱাতেই কলেজলৈ আহি গধূলিহে ঘৰলৈ উভতিছিল। কলেজখন আছিল তেখেতৰ অন্তৰৰ গহন কোণ। য'ত লুকাই আছিল তেখেতৰ প্ৰাণস্পন্দন। অদম্য কৰ্মশক্তি, অক্লান্ত পৰিশ্ৰম তথা সাধনাই ছাৰৰ প্ৰতি আমাক সততে দুৰ্বল কৰি তুলিছিল। কিয় জানো—

কেতিয়বা ভাবিছিলোঁ কেনেকৈ ছাৰে ইমান কাম কৰিব পাৰে? কি আছে ছাৰৰ এই অসাধাৰণ মন-মগজুত। ছাৰৰ আজি এশ বছৰ পূৰ্ণ হ'ল। ছাৰে গঢ়ি থৈ যোৱা এই মহান শৈক্ষিক অনুষ্ঠানটোক আমি কিমান দূৰ আগুৱাই নিব পাৰিছোঁ? নিজকে প্ৰশ্ন কৰিলে কেতিয়াবা চকুপানী টোকাৰ বাহিৰে আন একো ক'ব নোৱাৰোঁ। আমি নিজে এই মহান শিক্ষানুষ্ঠানৰ সাধাৰণ সম্পাদকৰ পদত অধিষ্ঠিত হৈ ছাৰৰ লগত কাম কৰাৰ যি সুযোগ পাইছিলোঁ তাৰ কাৰণে ছাৰলৈ শতকোটি প্ৰণাম। সমাজৰ নিঃকিন, দুখীয়া দৰিদ্ৰ আৰু প্ৰতিযোগিতাৰ যুগত কমকৈ নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীসকলক লৈ তেখেতৰ যি শিক্ষা পদ্ধতিৰে শিক্ষাৰ্থীসকলক শিক্ষা প্ৰদান কৰিছিল সেয়া তুলনা কৰিব নোৱাৰি, যিসংখ্যক (তুলনামূলক দুৰ্বল) ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰাই তেখেতে ৰাজ্যৰ স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক উলিয়াই দিছিল। কোৱা বাহুল্য যে ছাৰৰ শিক্ষাপ্ৰণালী আছিল প্ৰাচীন কালৰ গুৰু-শিষ্যৰ এক অমোঘ শিক্ষাপ্ৰণালীৰ লেখীয়া।

ভাবি দুখ লাগে— আজিৰ শিক্ষা ব্যৱস্থাই কি ৰূপ লৈছে। শিক্ষাৰ প্ৰতি কিয় এই অন্যায়-দুৰাচাৰ? একবিংশ শতিকাত উপৱিষ্ট হৈ প্ৰযুক্তিৰ ধামখুমীয়াত আমি নিজক হেৰাই পেলাইছোঁ। 'আজিৰ শিশু কাইলৈ দেশৰ ধৰণীস্বৰূপ' এই আপ্তবাক্যশাৰীক আমি পদে পদে পদদলিত কৰি পেলাইছোঁ। প্ৰজন্ম গঢ়াৰ সাঁচাৰ কাঠীত আমি জানি-বুজিও খুঁট ৰাখি গৈছোঁ। পূৰামাত্ৰাই যেন বাণিজ্যিকীকৰণ কৰা হৈছে শিক্ষা ব্যৱস্থাক। তাহানিৰ গুৰুগৃহত শিষ্যক যি শিক্ষাৰ জৰিয়তে শিক্ষিত কৰাৰ লগতে জ্ঞান অন্বেষণৰ হেতু যি চকু প্ৰদান কৰা হৈছিল আজিও শিক্ষা ব্যৱস্থাত সেয়া নাইকিয়া হৈ গৈছে। শিক্ষা আৰু জ্ঞানৰ মাজত সৃষ্টি হৈছে এক প্ৰকাণ্ড প্ৰাচীৰ। যি শিক্ষাৰ জৰিয়তে আমি নিজে নিজৰ অনাকাংক্ষিত বিপদ মাতি আহিছোঁ। কেৱল প্ৰতিযোগিতাৰ যুগ। নম্বৰৰ যুগ। নম্বৰ পালেই যেন সকলো শেষ...। সেয়েহে প্ৰসংগত মনত পৰি গৈছে— আমি যেন কেৱল কিতাপহে পঢ়ি গৈছোঁ, কিন্তু মানুহ হ'বলৈ শিকা নাই।

শ্ৰদ্ধাস্পদেষু শৰ্মা ছাৰে তাকেই কৰিছিল— যি শিক্ষাৰে বিদ্যাৰ্থী শিক্ষিত হৈ প্ৰকৃত মানুহ হ'ব, দেশৰ সুনাগৰিক হ'ব পাৰে। সমাজ ব্যৱস্থাৰ পৰা হত্যা-

হিংসা-অসূয়া দূৰ কৰি এখন সুস্থ-সবল সমাজ প্ৰতিষ্ঠা হওক, মানুহে মানুহক ভাল পাবলৈ শিকক। খোজে প্ৰতি উদাত্তকণ্ঠে যেন ছাৰে চিঞৰিছিল— আহা— "পঢ়া, মানুহ হোৱা।" কিন্তু ক'ত— সেয়াটো আমি কাহানিও কৰা নাই। প্ৰতিজন নাগৰিকেই শিক্ষিত জীৱশ্ৰেষ্ঠ হৈও পৰস্পৰৰ প্ৰতি তীব্ৰ হিংসা-দুৰ্নীতি-স্ব-ৰাজত্বত নিমজ্জিত হৈছোঁ। এই কলুষিত সমাজখন নিকা কৰিবৰ কাৰণে আমি যেন আকৌ শৰ্মাছাৰক আগবঢ়াই আনিম— ক'ম— "ছাৰ আমাক শিক্ষা দিয়ক", "আমাক মানুহ কৰক।"

ছাৰৰ শতবৰ্ষ পূৰ্তিত আমাৰ দোষ-ক্ৰটিৰে পুনৰ শ্ৰদ্ধা নিবেদিছোঁ।

ছাৰ অমৰ হওক।।

# এজন মানুহ আছিল....

শ্ৰী অজিত কুমাৰ মিশ্ৰ

ইয়াতে এজন মানুহ আছিল ঃ প্ৰায় ওঠৰ বিঘা মাটি-কালিৰ খাল-বিল-পানী আৰু মেটেকানিৱ মাজে মাজে, ঘোঁৰাৰ আস্তাবলৰ দুৰ্গন্ধক আওকান কৰি, খালত পিচলি নপৰাকৈ স্বপ্নাবিষ্ট মানুহৰ দৰে তেওঁ ঘূৰি ফুৰিছিল। তেজস্বী চকুহালত যেন এটা উদ্ভ্ৰান্ত দৃষ্টি— কিবা এটা কৰিব লাগে, কিবা এটা হব লাগে; কিন্তু ধাৰণা অস্পষ্ট— কি হ'ব? ক'ত? কেতিয়া হ'ব? এনেবোৰ প্ৰশ্নই মানুহজনক জুমুৰি দি ধৰিছিল। তথাপি মানুহজনে সপোন দেখিছিল— মহৎ কিবা এটা কৰাৰ। ধন-দৌলত, প্ৰতিপত্তি, বৈষয়িক সুখ— ওহোঁ, এনেবোৰ কথা তেওঁৰ চিন্তাৰ পৰিধিত নাছিল। তেওঁ সপোন দেখিছিল জ্ঞানৰ জ্যোতি বিলোৱাৰ; নৱ-প্ৰজন্মক উদ্বুদ্ধ কৰাৰ; পোহৰৰ বাটেৰে সমাজৰ উত্তৰণ ঘটোৱাৰ— বহুজন সুখায়, বহুজন হিতায়।

এই মানুহজনক হয়তো আপুনিও দেখিছে। শুধ বগা ধুতি-পাঞ্জাবী পৰিহিত, শুভ্ৰকেশ, সদাহাস্যমুখ আৰু জ্যোতিষ্মান চকুযুৰিৰে বিশাল ব্যক্তিত্বৰ গৰাকী এই মানুহজন আৰ্য্যবিদ্যাপীঠ চৌহদত একক আৰু অদ্বিতীয় ব্যক্তি হিচাপে পৰিগণিত হৈছিল; মানুহজন যেনিবা নিজেই এটা অনুস্থানলৈ ৰূপান্তৰিত হৈছিল।

এটা অদম্য ইচ্ছাশক্তিয়ে মানুহজনৰ মনটো অহৰহ উজ্জীৱিত কৰি ৰাখিছিল আৰু তাৰ ফলতেই বোধহয় মানুহজনৰ অন্তৰ প্ৰাণ-প্ৰাচুৰ্য্যৰে ভৰি আছিল। কাম যদি কৰিবই লাগে তেতিয়াহলে তাকে কৰাই উচিত। খাৱন-শোৱনৰ কথাই কামৰ

মাজত ব্যাঘাত ঘটাব নোৱাৰে। কামত মগ্ন হৈ থকাৰ ফলত দুখ-ভাগৰ আহি সোমাবলৈ সুৰুঙাই নাপায়। এয়াই আছিল মানুহগৰাকীৰ কৰ্ম্মনীতি। কৃতজ্ঞ সমাজে সেয়ে মানুহগৰাকীক অভিবাদন জনালে— "কৰ্মযোগী" বুলি।

কৰ্মস্পৃহা এটা সোঁচৰা ৰোগৰ দৰে; এজনৰপৰা আন এজনৰ গালৈ বিয়পে। কৰ্মযোগী, পণ্ডিত গিৰিধৰ শৰ্মাৰ আদৰ্শ আৰু নীতিৰ দ্বাৰা অনুপ্ৰাণিত হৈ হেজাৰজন অনুৰাগী আগবাঢ়ি আহিল সহযোগী হবলৈ। সমাজত নিঃস্ব আৰু অনাদৃত জনেও আদৰ্শৰ মোল বুজি ধনে-জনে সহায় কৰিলে। ধীৰে ধীৰে এদিন সপোন ফলিয়ালে। আদৰ্শৰ "আৰ্য্যবিদ্যাপীঠ" গঢ় লৈ উঠিল। প্ৰাচীন গুৰুকূলৰ আদৰ্শ, কৰ্ম-সংস্কৃতিৰ মোহ আৰু গুণী-জ্ঞানী, আত্মোৎসৰ্গী শিক্ষক-সমাজৰ আকৰ্ষণ তথা আৰ্য্যবিদ্যাপীঠৰ মূলমন্ত্ৰ— অন্ধকাৰ আঁতৰাই জ্ঞানৰ পোহৰ বিলোৱা (তমসো মা জ্যোতিৰ্গময়) ৰ দ্বাৰা উদ্বুদ্ধ হৈ অসমৰ বিভিন্ন প্ৰান্তৰ পৰা হেজাৰ-বিজাৰ বিদ্যাৰ্থী আৰু অভিভাৱকৰ সমাবেশ ঘটিল— যেন এখন পূণ্যতীৰ্থ।

আদৰ্শৰ জয়যাত্ৰাৰ সুদীৰ্ঘ পথ-পৰিক্ৰমা কিন্তু মসৃণ নাছিল। সফলতাৰ আনন্দ, বিফলতাৰ নৈৰাশ্য, কৃতজ্ঞতাৰ তৃপ্তি, কৃতঘ্নতাৰ হতাশা, আনুগত্য অথবা প্ৰৱঞ্চনা— এইবোৰেই আছিল পাথেয়। তথাপিও, গভীৰ আত্মবিশ্বাস, অদম্য সাহস আৰু মনোবল, প্ৰবল ইচ্ছাশক্তি আৰু কৰ্মপ্ৰেৰণাৰ সমুখত কোনো বাধাই থিয় দিব নোৱাৰিলে। সেই মানুহজন সেয়ে আজি সমাজত 'আৰ্য্যপিতা' ৰূপে স্বীকৃত, সমাদৃত আৰু পূজ্য হৈ প্ৰতিভাত হ'ল।

যিজন মানুহৰ কথা মই ক'ব ধৰিছো তেওঁ এদিন শিশু আছিল। এতিয়া প্ৰায় এশ বছৰেই হব। ইংৰাজী ১৯১২ চনত বৰ্ত্তমানৰ নলবাৰী জিলাৰ ককয়া নামৰ গাওঁখনত তেওঁৰ জন্ম। সংসাৰত পিতৃ-মাতৃ আৰু দুই ভাই। আৰ্থিক অনাটনৰ মাজতেই সংসাৰ চলিছিল। কোনো আক্ষেপৰ কথা নাই। আমাৰ গ্ৰাম্যাঞ্চলৰ শতকৰা ৯০ টা পৰিয়াল তেনেকৈয়ে চলে। কিন্তু শৈশৱ পাৰ হবলৈকে নাপালে। আঠ বছৰীয়া লৰাটোৰ পিতৃ বিয়োগ ঘটিল। লগত থাকিল বিধবা মাতৃ আৰু সৰু ভাই। এনে পৰিস্থিতিত সংসাৰ কেনেকৈ চলিছিল তাৰ বৰ্ণনা দিয়াৰ সকাম নাই; সি সহজেই অনুমেয়। মাতৃ দশমপ্ৰিয়াৰ অসীম ত্যাগ, মনোবল আৰু প্ৰত্যুৎপন্নমতিতাৰ গুণতেই দুয়োটি শিশু ডাঙৰ-দীঘল হৈ আহিল। ডাঙৰ লৰাই চামতা হাইস্কুলৰ

পৰা কৃতিত্ব সহকাৰে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ সিদ্ধান্ত ল'লে— তেওঁ আৰু পঢ়িব নোৱাৰে। পৰিয়ালৰ ডাঙৰ ল'ৰা হিচাপে সংসাৰ চলোৱাৰ দায়িত্ব নিজে মূৰ পাতি ল'লে। সৰ্বতোপৰি তীক্ষ্ণ বুধি সৰু ভায়েকক পঢ়াই-শুনাই উচ্চশিক্ষিত কৰি তুলিব লাগিব। গতিকে, তেনেদৰেই কাম হ'ল। সেই সপোন দেখা ককায়েকজনে মাহিলী বাৰ টকা বেতনত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰূপে জীৱন-যাত্ৰা আৰম্ভ কৰিলে। মেধাবী সৰু ভায়েকজনে মাক আৰু ককায়েকৰ ছত্ৰছায়াত ডাঙৰ-দীঘল হৈ সৰ্বোচ্চ ডিগ্ৰী লাভ কৰি ইংলেণ্ডতো শিক্ষাগ্ৰহণ কৰি কালক্ৰমত অসমৰ শিক্ষাধিকাৰৰ পদ শুৱনি কৰাৰ উপৰিও এজন প্ৰথিতযশা ঔপন্যাসিক আৰু গল্পকাৰ হিচাপে সময়ৰ বালিত খোজৰ চিন ৰাখি গ'ল। এইজনা প্ৰচাৰ-বিমুখ, নীৰৱ সাহিত্য সাধক তথা বিশিষ্ট শিক্ষাবিদ হ'ল— ঁউমাকান্ত শৰ্মা।

শৈশৱতে পিতৃহাৰা হোৱা, ভাতৃৰ অভিভাৱক হোৱা, মাতৃৰ প্ৰতিপালক হোৱা সেই পাঠশালাৰ পণ্ডিতজনৰ অন্তৰত কিন্তু মহত্বলাভৰ সপোনটো দগ্‌মগাই জ্বলি আছিল। সেয়ে প্ৰেৰণা, সেয়ে দিক্‌দৰ্শক। ভাতৃক আগুৱাই নিয়াৰ লগে লগে নিজেও নৰ্মাল শিক্ষকৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰিলে। সংস্কৃত ভাষাৰ প্ৰতি থকা অনুৰাগৰ ফলশ্ৰুতি হিচাপে গাঁৱতে থকা সংস্কৃত টোলৰ পৰা পৰীক্ষা দি “ব্যাকৰণ শাস্ত্ৰী” হ'ল। ক্ৰমে চাকৰিৰ পদমৰ্যাদা সলনি হৈ গৈ থাকিল। চৰকাৰী হাইস্কুলৰ সংস্কৃত শিক্ষকৰ পদ পালে। চৰকাৰী চাকৰি আৰু পৰিয়ালৰ দায়িত্ব বহন কৰি থকাৰ মাজতে এই তীক্ষ্ণধী লোকজনে প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে ঘৰতে পঢ়ি আই. এ. বি.এ. আৰু অসমীয়া বিষয়ত এম.এ ডিগ্ৰীও লাভ কৰিলে।

এই সময়ছোৱাত তেখেতৰ বিদ্যায়তনিক দিশত নতুন এক অধ্যায়ৰ সংযোজন হ'ল— পাণ্ডিত্যপূৰ্ণ পাঠ্যপুথি প্ৰণেতাৰ ৰূপত। মই অষ্টম শ্ৰেণীত পঢ়ি থাকোতে এদিন অকস্মাতে পণ্ডিত গিৰিধৰ শৰ্মাৰ হস্তাক্ষৰ আৰু আশীৰ্বাদ সম্বলিত এখন কিতাপ— প্ৰৱেশিকা ৰচনা শিক্ষা— উপহাৰস্বৰূপে মোৰ হাতত পৰিলহি। এই ঘটনাটোৱে সেই সময়ত মোক কেনেদৰে প্ৰভাৱিত আৰু অনুপ্ৰাণিত কৰিছিল তাক এতিয়া মই ভাষাৰে প্ৰকাশ কৰিব নোৱাৰিম। নৱম শ্ৰেণীত থাকোতে একেদৰে মোলৈ আশীৰ্বাদ কঢ়িয়াই আনিলে আন এখন কিতাপে— Sanskrit Grammar, Composition and Translation. তেতিয়া মোৰ বয়সত স্বয়ং

পাঠ্যপুথি লেখক এজনৰ পৰা কিতাপ উপহাৰ স্বৰূপে পোৱাটো কিমান গৌৰৱৰ কথা— তাকে ভাবি মই শিহৰণ অনুভৱ কৰিছিলোঁ। ইয়াৰ ফলো ফলিছিল। তেতিয়াৰ পৰা স্কুলৰ পৰীক্ষাত আমাৰ শ্ৰেণীৰ ভিতৰত অসমীয়াত মই প্ৰায়ে সৰ্ব্বোচ্চ নম্বৰ পাবলৈ ধৰিলোঁ; আৰু তেতিয়ালৈকে সংস্কৃতত ৪০/৫০ পাই থকা মই মেট্ৰিক পৰীক্ষাত সংস্কৃতত 'লেটাৰ' পালোঁ।

সেই পাণ্ডিত্যপূৰ্ণ কলম বহুবছৰ জুৰি অবিৰাম চলি থাকিল। এখন এখনকৈ প্ৰকাশিত হ'ল— Anglo-Assamese Dictionary, অসমীয়া অভিধান, শুৱলা পাঠ, আধুনিক অসমীয়া ব্যাকৰণ ইত্যাদি।

এখন সৰ্বাঙ্গসুন্দৰ, পূৰ্ণপৰ্য্যায়ৰ আদৰ্শ শিক্ষানুষ্ঠান গঢ়ি তোলাৰ যি সপোন মানুহজনে দেখিছিল, তাৰ হকেই ব্যক্তিগত জীৱনৰ ভালেখিনি কথা তেখেত ত্যাগ কৰিবলগীয়া হ'ল। আৰ্য্যবিদ্যাপীঠক সম্পূৰ্ণ সময় দিবৰ কাৰণে সেই সময়ৰ সন্মানীয় কটন কলেজৰ অধ্যাপকৰ পদ এৰিবলগীয়া হ'ল। ঘৰ-সংসাৰৰ দায়িত্ব, লৰা-ছোৱালীৰ অভিভাৱকত্ব, আত্মীয়-স্বজনৰ সম্পৰ্ক— এই সকলোবোৰ তেখেতৰ সুযোগ্যা পত্নীলৈ হস্তান্তৰিত হ'ল। আৰ্য্য বিদ্যাপীঠত দিন-ৰাতি একাকাৰ হ'ল। দূৰণিৰ মিতিৰ-কুটুমে লগ পাবলৈ আহে যদি, ঘৰলৈ যোৱাৰ সকাম নাই; কিয়নো ঘৰত পাব পৰা সময়খিনি হ'ল— খোৱা আৰু শোৱাৰ সময়।

জ্ঞানৰ পোহৰ বিলোৱা মানুহজনে সমাজ গঠনৰ কামতো সমানেই ভাগ লব পাৰিছিল। সময়ৰ অভাৱ হোৱা নাছিল। ৰিহাবাৰী উন্নয়ন সমিতি, নামঘৰ, হৰিমন্দিৰ আৰু আৰ্য্য বিদ্যাপীঠৰ কাম-কাজ নিয়মিত ভাবে চোৱা-চিতাৰ কৰাৰ উপৰিও বাণীকান্ত ছোৱালী স্কুলৰ প্ৰতিস্থাৰ কামত জড়িত হৈছিল। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ৰাজ্যিক প্ৰধান হিচাপেও সেৱা আগবঢ়াইছিল। অসম কলেজ অধ্যক্ষ পৰিষদ, অসম পুথিভঁৰাল সংঘ, উত্তৰ-পূৱ ভাৰত হৰিদেৱ সংঘ, কামৰূপ সাহিত্য সভা আদি অনুস্থানৰ গুৰি ধৰিবলৈ তেখেতে সময় উলিয়াব পাৰিছিল। সৰ্বোপৰি, অসম সাহিত্য সভাৰ দৰে জাতীয় অনুস্থান এটাৰ সভাপতিৰূপে নিৰ্বাচিত হৈ তেখেতে সভাৰ ৰঙিয়া অধিবেশনত সভাপতিত্ব কৰিছিল। এনে বহু অনুস্থান বা প্ৰতিষ্ঠানৰ সংগঠক অথবা গুৰিয়াল হিচাপে তেখেতে নিজৰ বিশাল প্ৰতিভা, বিস্ময়কৰ সাংগঠনিক শক্তি আৰু সন্মোহক ব্যক্তিত্বৰ ছাপ এৰি গৈছে।

সেই মানুহজন, যি মহৎ কৰ্মৰ সপোন দেখিছিল, জ্ঞানৰ জ্যোতি বিলোৱাৰ সংকল্প লৈছিল, আদৰ্শত অটল আছিল, আজীৱন সংগ্ৰাম কৰিছিল— সেই কৰ্ম-যুদ্ধৰ সৈনিকজন ৰণত জিকি জীৱন-আৱৰ্ত্তত আঁতৰি গ'ল; কিন্তু তেওঁৰ মানস-পুত্ৰ আৰ্য্য বিদ্যাপীঠৰ প্ৰতিটো খুটাত, প্ৰতি চপৰা ইটাত তেওঁৰ হাতৰ স্পৰ্শ লাগি আছে। আৰ্য্য বিদ্যাপীঠৰ আদৰ্শেৰে উদ্বুদ্ধ হেজাৰ-বিজাৰ গুণমুগ্ধ ছাত্ৰ-ছাত্ৰীয়ে দেশ-বিদেশত জীৱনৰ ভেঁটি গঢ়োতে কৃতজ্ঞ অন্তৰেৰে তেওঁৰ স্মৃতিত মূৰ দোঁৱাইছে। এইবোৰৰ মাজতেই তেওঁ থাকি যাব— হৃদয়ৰ সাঁচতীয়া ধন হৈ; নেহেৰায়— যেতিয়ালৈকে আৰ্য্য বিদ্যাপীঠ থাকিব।

# কৰ্মই ধৰ্ম ঃ সৃষ্টিৰ আকুলতাই সদা ব্যাকুল কৰা শিক্ষাব্ৰতী গিৰিধৰ শৰ্মা

— ড° ৰুমা বৰদলৈ

স্কুললৈ যাওঁতে, ফুৰিবলৈ যাওঁতে ৰাস্তাত মাইঁতে গুৱাহাটীৰ বৃহত্তৰ ৰিহাবাৰী অঞ্চলত দেখুৱাই গৈছিল বিদ্বান লোকসকলৰ ঘৰবোৰ। অনুভৱ কৰিছিলো ৰিহাবাৰীখন যেন বিদ্বান লোকৰহে স্থান। ড° বাণীকান্ত কাকতি, ৰাধাকান্ত দাস, তাৰিণীকান্ত ভট্টাচাৰ্য, উমা শৰ্মা, কৰ্মযোগী গিৰিধৰ শৰ্মা আৰু বহুতো। তেতিয়া কিন্তু বুজি পোৱা নাছিলো গিৰিধৰ শৰ্মা কোন? কেইবছৰমানৰ পিছত জানিলো তেওঁ আৰ্য বিদ্যাপীঠ নামৰ কলেজখনৰ প্ৰতিষ্ঠাতা আৰু অধ্যক্ষ। ইমানেই! কিন্তু যেতিয়া ডাঙৰ হ'লো, ডাঙৰৰ কথাৰ পৰা বুজিব পৰা হ'লো, তেতিয়া বুজি পালো গিৰিধৰ শৰ্মা এজন অনন্য ব্যক্তি।

১৯১২ চনৰ ৩০ জুলাইত জন্মগ্ৰহণ কৰিছিল এটি শিশুৱে, যি ইচ্ছাশক্তি আৰু কৰ্মস্পৃহাৰে নিজৰ সপোন বাস্তৱত ৰূপায়িত কৰি অকল ৰিহাবাৰীৰেই নহয়, সমগ্ৰ অসমৰ ল'ৰা-ছোৱালীৰ বাবে শিক্ষাৰ মন্দিৰ প্ৰতিষ্ঠা কৰিছিল। সমাজতো এই আদৰ্শ প্ৰতিষ্ঠা কৰি থৈ গৈছিল যে আৰ্থিক অনাটনে সংকল্পৰ বাস্তৱায়ন প্ৰতিৰোধ কৰিব নোৱাৰে। একাগ্ৰতা আৰু দৃঢ়তাই যে ব্যক্তিক সফলতাৰ শিখৰত উপস্থাপন কৰিব পাৰে, তাৰেই দৃষ্টান্ত ৰাখি গ'ল কৰ্মযোগী গিৰিধৰ শৰ্মাই। এইজন শৰ্মা ছাৰে আৰ্থিক প্ৰয়োজনৰ তাড়নাত চাকৰি, টিউচন কৰি প্ৰাইভেটকৈ বি এ, এম এ পাছ কৰে। এম এ পাছ কৰাৰ পিছত কিছুদিনৰ বাবে গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত, তাৰ পিছত সন্দিকৈ মহাবিদ্যালয়ত যোগদান কৰে ১৯৫০ চনত। সেই চনৰ পিছৰফালে তেওঁ

কটন মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে সোমায় যদিও ভিতৰৰ মানুহজনে যেন আন কিবাহে বিচাৰিছে। ভিতৰৰ সত্তাই যেন সমাজক কিবা দিবলৈ বিচাৰিছে, সমাজৰ হকে কৰিবলৈ বিচাৰিছে; সৃষ্টিৰ আকুলতাই তেওঁক ব্যতিব্যস্ত কৰি পেলাইছিল আৰু সেয়ে সপোন দেখিবলৈ আৰম্ভ কৰিলে এটি স্বয়ংসম্পূৰ্ণ শিক্ষা প্ৰকল্পৰ। আজীৱন শিক্ষাব্ৰতী গিৰিধৰ শৰ্মাই অনুভৱ কৰিছিল যে নিজে থকা ৰিহাবাৰী অঞ্চলত প্ৰাথমিক বিদ্যালয়ৰে পৰা মহাবিদ্যালয়লৈকে শিক্ষানুষ্ঠান হোৱা প্ৰয়োজন। সেয়েহে মনত অদম্য আশা লৈ আৰ্য পাঠশালাৰ লগত সংহতি ৰাখি আৰ্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী স্কুল, বাণীকান্ত মেম'ৰিয়েল ছোৱালী হাইস্কুল আৰু আৰ্য বিদ্যাপীঠ কলেজ প্ৰতিষ্ঠা কৰিছিল। মনৰ সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ কটন কলেজৰ চৰকাৰী চাকৰি ত্যাগ কৰি নিজে গঢ় দিয়া কলেজখনত দেহ-মন ঢালি মনোনিবেশ কৰিছিল। 'কৰ্মই ধৰ্ম' নীতি সাৰোগত কৰি ক্ষিপ্ৰতাৰে কৰ্মত ব্ৰতী হৈছিল। 'কৰ্ম্যন্যেৱাধিকাৰস্তে মা ফলেষু কদাচন বচনকে সাৰোগত কৰি জীৱনৰ সকলো ঘাত-প্ৰতিঘাত নেওচি হেলাৰঙে আগবাঢ়ি গৈছিল। ১৯৫৫ চনত জননেতা মহেন্দ্ৰমোহন চৌধুৰী আৰু স্থানীয় লোকৰ সহযোগত চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ দুটা ক্লাছ আৰম্ভ কৰিবলৈ সিদ্ধান্ত লয়। এয়া আৰ্য বিদ্যাপীঠৰ প্ৰথম বীজ ৰোপণ। কিন্তু বীজ সিঁচিব ক'ত? ৰিহাবাৰীৰেই আৰ্য পাঠশালা নামৰ পঢ়াশালিতেই তাৰ বীজ সিঁচা হ'ল। কিন্তু কাক লৈ? ল'ৰা-ছোৱালী পাব ক'ৰ পৰা? কোনে পঢ়িব? কেনেকুৱা হ'ব? নতুনকৈ হোৱা এখন স্কুলত কোনে পঢ়াব? ইমান সাহস কোনে কৰিব? কিন্তু কৰিছিল। ৰিহাবাৰীৰ স্থানীয় ৰাইজে এই সাহসৰ সঁহাৰি দিছিল। তেতিয়া আমি তেনেই সৰু। সাধুকথাৰ নিচিনা পিছত মাৰ মুখত শুনিছিলো গিৰিধৰ শৰ্মা নামৰ ওখ-পাখ ধুতি পিন্ধা, সাহস আৰু দৃঢ়তাৰে আগবাঢ়ি অহা মানুহজন। এদিন আমাৰ ঘৰলৈ আহি মাক অনুৰোধ কৰিছিল—"আপোনাৰ চতুৰ্থ আৰু পঞ্চমমানত পঢ়া ছোৱালী দুজনী মোক দিয়ক।" মা হতবাক! দেউতা বাহিৰত থাকে চাকৰিৰ দায়িত্বত। পঢ়াই-শুনাই ডাঙৰ মানুহ কৰিবলৈ মায়ে অকলে ল'ৰা-ছোৱালীকেইটি বুকুত বান্ধি গুৱাহাটীত আছে। ইতিমধ্যে গুৱাহাটীৰ নামী-দামী স্কুলত নামভৰ্তি হৈ গৈছে। শৰ্মা ছাৰৰ কথাখিনি হজম কৰিবলৈ অলপ টান পালে। কিন্তু এই লৌহমানৱ

কৰ্মযোগীয়ে মাক এনেধৰণে আশ্বাস দিলে যে মায়ে অকণো চিন্তা কৰিব নালাগে। তেওঁ নিজে সকলো ব্যৱস্থা কৰি ছোৱালী দুজনী সেইখন স্কুলৰ পৰা বদলি কৰি আনি আৰ্য বিদ্যাপীঠত নাম লিখি দিব। এই মহান ব্যক্তিজনৰ আত্মবিশ্বাস আৰু দৃঢ়তাৰে লক্ষ্য ৰাখি মোৰ মাতৃ প্ৰয়াত কালিন্দ্ৰীপ্ৰভা ডেকাই দুয়োগৰাকী বাই-ভনীক বদলি কৰি আনিবলৈ অনুমতি দিছিল আৰু সৌভাগ্যবশতঃ তাৰেই এগৰাকীয়ে উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰথম উত্তীৰ্ণ হোৱা দলৰ দ্বিতীয় স্থান (নীৰদা ডেকা) অধিকাৰ কৰিছিল। এইদৰেই তেওঁ ৰিহাবাৰীৰ উচ্চ-নিম্ন সকলো ধৰণৰ পৰিয়ালৰ পৰা প্ৰায় পোন্ধৰগৰাকী ছাত্ৰ-ছাত্ৰী গোটাই নামভৰ্তি কৰি অসমৰ পৰা পৰীক্ষা দিয়া প্ৰথম উচ্চতৰ মাধ্যমিক পৰীক্ষাত আৰ্য বিদ্যাপীঠৰ ছাত্ৰ-ছাত্ৰীক বহুৱাইছিল। এই কৰ্মযোগীৰ কৰ্মৰ সাধনাৰ ফলস্বৰূপে প্ৰথমটো গোটৰ পৰীক্ষাত বহা পোন্ধৰজনৰ ভিতৰত দুজন ছাত্ৰ-ছাত্ৰীয়ে ক্ৰমে দ্বিতীয় আৰু যষ্ঠ স্থান লাভ কৰিছিল (নীৰদা ডেকা আৰু সুভাষ সেনগুপ্ত)। দ্বিতীয় বছৰত আন এজনে অষ্টম স্থান (প্ৰয়াত প্ৰবীৰ কাকতী) দখল কৰে। এইদৰে আৰম্ভ হয় বিজয়-অভিযান।

বিজয়ৰ ধ্বজা লৈ আগবাঢ়ি গ'ল গুৱাহাটীৰ দক্ষিণ দিশৰ চেৰাপভাতী অঞ্চলৰ দ পানী মেটেকাৰে পূৰ্ণ এডৰা মাটিত শিক্ষাৰ এক মন্দিৰ প্ৰতিষ্ঠা কৰিবলৈ। কঠোৰৰ পৰা কঠোৰতম কষ্ট মূৰ পাতি লৈ আগবাঢ়ি গৈছিল মন্দিৰৰ মুখ্য পূজাৰী আৰু চেৰাপভাতীৰ দ পিটনিত প্ৰাণ প্ৰতিষ্ঠা কৰিছিল আৰ্য নগৰৰ। স্কুল প্ৰতিষ্ঠা হ'ল। মাটি লাগে, মাটি হ'ল। ল'ৰা-ছোৱালীয়ে নিজে শ্ৰমদান কৰি বাঁহ কাটি মাটিৰে বেৰ লিপি, চাল বান্ধি গুৰুকুলৰ দৰে শিক্ষা গ্ৰহণ কৰিলে। লগে লগে প্ৰথম শিক্ষক হিচাপে বীৰেন শৰ্মা ছাৰ আহিল। তাৰ পিচত এজন দুজনকৈ কোনেও বেতনৰ কথা চিন্তা নকৰি শিক্ষাদান কৰিবলৈ আগবাঢ়ি আহিল। শিক্ষাপ্ৰেমী ব্যৱসায়ী মহল আগবাঢ়ি আহিল। ৰংগমঞ্চত অংকুৰিত হোৱা আৰ্য বিদ্যাপীঠ জলাহ-পিটনিৰ মাজত লহপহকৈ বাঢ়ি অতি কম সময়ত এক মহীৰুহত পৰিণত হ'ল। আৰ্য বিদ্যাপীঠ নাম দি তেওঁ সেই নামৰ বিশ্লেষণ এনেধৰণে কৰিছিল যে যিসকল ব্যক্তিয়ে একাগ্ৰচিত্তে নিজৰ কৰ্তব্য পালন কৰে আৰু সকলো দুষ্কাৰ্যৰ পৰা বিৰত থাকে, সেইসকলেই আৰ্য আৰু আৰ্য বিদ্যাপীঠ তেনে এক জ্ঞান-বিজ্ঞানৰ শিক্ষাৰ প্ৰতিষ্ঠান। মাধ্যম,

যি মাধ্যমে মানুহক কৰ্তব্যপৰায়ণ, কৰ্মঠ, সহানুভূতিশীল কৰি গঢ়ি তুলিব পাৰে। লাহে লাহে কৰ্মযোগীৰ লালন-পালনত স্কুল ডাঙৰ হ'ল। শিপা বহলকৈ মেলি কলেজ হ'ল। আৰ্য বিদ্যাপীঠ কলেজ।

এইবাৰ চিন্তা নাৰী-শিক্ষাৰ সুবিধা। ১৯৬৩ চন। হঠাৎ কৰ্মযোগীৰ চিন্তা হ'ল ছোৱালীৰ বাবে আছুতীয়া স্কুলৰ। হয়তোবা ৰিহাবাৰীৰ কোনো সংৰক্ষণশীল ব্যক্তিয়ে ছোৱালীক ল'ৰাৰ লগত একেলগে শিক্ষাগ্ৰহণ কৰিবলৈ নপঠিয়াব বুলি মনলৈ তেনে চিন্তা আহিছিল আৰু সেয়ে আৰ্য বিদ্যাপীঠত ছোৱালীৰ নামভৰ্তি বন্ধ কৰি আন এখন ছোৱালী স্কুল প্ৰতিষ্ঠা কৰিলে, সেইখন হ'ল বাণীকান্ত মেম'ৰিয়েলছোৱালী হাইস্কুল। আৰ্য বিদ্যাপীঠত পঢ়ি থকা ছোৱালীখিনিক লৈ আৰম্ভ কৰিছিল এইখন স্কুল। পুৱা ছয় বজাৰ পৰা দহ বাজি পোন্ধৰ মিনিটৰ পৰা আৰ্য বিদ্যাপীঠৰ ক্লাছ হৈছিল। তাৰ পিছত আৰ্য বিদ্যাপীঠ কলেজ। ঠন ধৰি উঠিল মুখে মুখে আৰ্য বিদ্যাপীঠৰ নাম। অসমৰ চুকে-কোণে থকা ভাল ল'ৰা-ছোৱালীয়ে কটনৰ পিছতে আৰ্য বিদ্যাপীঠত নাম লিখাৰ কথা চিন্তা কৰা হ'ল। বিজ্ঞান শাখাত ছিট নোপোৱা হ'ল। সুখ্যাতি বিয়পি পৰিল। নিজকে আৰ্য বিদ্যাপীঠৰ ছাত্ৰ-ছাত্ৰী বুলি ক'বলৈ ল'ৰা-ছোৱালীয়ে গৌৰৱবোধ কৰা হ'ল। ৰিহাবাৰীৰ প্ৰতিঘৰ মানুহৰ ল'ৰা-ছোৱালীয়ে আৰ্য বিদ্যাপীঠত পঢ়িবলৈ যোৱাৰ বাহিৰেও বাহিৰৰ ল'ৰা-ছোৱালীয়ে এইখন কলেজতে পঢ়ি অসম, ভাৰত তথা বিদেশতো নাম কৰিবলৈ সক্ষম হ'ল।

তাৰ পিছত ছাৰে আৰম্ভ কৰিলে স্নাতকোত্তৰ শ্ৰেণী। প্ৰথম আৰম্ভ কৰিলে অংক বিষয়ত। তাতো নাম কৰিবলৈ ল'লে অসমৰ চুকে-কোণে। আৰু কিছু বছৰ জীয়াই থকা হ'লে হয়তো আৰ্য বিদ্যাপীঠক এখন বিশ্ববিদ্যালয়ত পৰিণত কৰিলেহেঁতেন। লৌহমানৱ, কৰ্মযোগী শৰ্মা ছাৰ ইমানতো ক্ষান্ত নাথাকিল। নানান প্ৰশাসনিক, কলেজ প্ৰতিষ্ঠা, সংগঠন আদিৰ কামৰ মাজতো তেওঁ সুখ্যাতিৰে কেইবাখনো মূল্যৱান গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিলে। সংস্কৃত ব্যাকৰণ পুথি, প্ৰৱেশিকা ৰচনা শিক্ষা, Sanskrit Grammar, Composition and Translation আৰু Anglo-Assamese Dictionary আদিত অন্যতম।

তেওঁৰ কৰ্মধাৰাই বহু দিশ সামৰি লৈছিল। সেইসমূহৰ ভিতৰত অসম কলেজ শিক্ষক সংস্থাৰ পল্টনবজাৰত নিৰ্মিত আঁচনি, অসমীয়া অধ্যাপকৰ চ'ৰা গঠন, অসম কলেজ অধ্যক্ষ পৰিষদৰ প্ৰতিষ্ঠা, অসম পুথিভঁৰাল সংঘ, ৰিহাবাৰী উন্নয়ন সমিতিৰ জৰিয়তে বাট-পথ আদিৰ উন্নয়ন। শৰ্মা ছাৰৰ এই বিশাল ব্যক্তিত্বৰ যোগ্য সন্মান হিচাপে অসম সাহিত্য সভাই তেওঁক ৰঙিয়া ৪০ সংখ্যক অধিৱেশনত সাহিত্য সভাৰ সভাপতি হিচাপে নিৰ্বাচিত কৰিছিল। অসম সাহিত্য সভাৰ পত্ৰিকাখন তেওঁৰ দিনত নিয়মিতভাৱে মাহে মাহে প্ৰকাশ পাইছিল। তেওঁৰ দিনত নিয়মিতভাৱে মাহে মাহে প্ৰকাশ পাইছিল। তেওঁৰ অভিভাষণত অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ উন্নতিকল্পে যি বাৰদফীয়া আঁচনি দাঙি ধৰা হৈছিল, সেই আঁচনি অতিশয় মূল্যৱান আৰু দূৰদৰ্শিতাৰ পৰিচায়ক।

গিৰিধৰ শৰ্মা ছাৰক লগ পোৱা আৰু আৰ্য বিদ্যাপীঠত পঢ়াৰ সুযোগ মোৰো হৈছিল। বিশাল ব্যক্তিত্বৰ অধিকাৰী, বহুমুখী প্ৰতিভাসম্পন্ন, শুধ বগা চুলি, চকুত চছমাৰে শৰ্মা ছাৰ যেতিয়া কলেজৰ বাৰাণ্ডাৰে খোজ কাঢ়ি পৰিদৰ্শন কৰে, সেই সময়ত যেন এটা পৰুৱাও থিয় হৈ থাকিবলৈ ভয় কৰে। শ্ৰেণীকোঠাৰ ভিতৰত শিক্ষকে পাঠদান কৰি থকা অৱস্থাতো ছাত্ৰ-ছাত্ৰীয়ে বাৰাণ্ডাত তেওঁক দেখিলে এবাৰ পোন হৈ বহে। তেওঁৰ খোজকেইটা এজন সম্পূৰ্ণ পোছাকত থকা আৰ্মি অফিচাৰতকৈ কোনোগুণে কম নাছিল। নিজে এজন সু-ব্যক্তিত্বৰ গৰাকী বাবেই হয়তো ল'ৰা-ছোৱালীক উন্নতিৰ বাবে গুণী-মানী ব্যক্তিসকলক অনুৰোধ আৰু আমন্ত্ৰণ কৰি আনিছিল ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদানৰ অৰ্থে। কাৰোবাৰ ঘৰত কোনোবাই এম এ, এম এছ চি পাছ কৰিলেই মহাবিদ্যালয়লৈকে আমন্ত্ৰণ কৰি আনে। বহু কষ্টৰে আদৰেৰে ছাৰে গুণী-জ্ঞানী শিক্ষক-শিক্ষয়িত্ৰী গোটাইছিল। আৰ্য বিদ্যাপীঠৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে এনে কিছু শিক্ষকৰ সান্নিধ্যলৈ অহাৰ সুবিধা পাইছিল যাৰ বাবে আজিও প্ৰতিজন ছাত্ৰ-ছাত্ৰী ছাৰৰ ওচৰত চিৰঋণী। সেইসকলৰ ভিতৰত আৰ্য বিদ্যাপীঠৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ আটাইতকৈ সন্মানৰ, মৰমৰ দীনেশ বৰুৱা ছাৰ, নীলমণি ফুকন ছাৰ, নলিনীধৰ ভট্টাচাৰ্য ছাৰ, ড° প্ৰবীণ চন্দ্ৰ শৰ্মা ছাৰ, নবীন শৰ্মা ছাৰ, অজিত মিশ্ৰ ছাৰ আৰু বহুতো। আজি ভাবো ছাৰৰ পৰা যদি শিকিব

পাৰিলোহেঁতেন কেনেকৈ ইমান সুদক্ষতাৰে আৰু মৰমেৰে এখন কলেজ গঢ়ি তুলিছিল, যিখন কলেজক আমি ঘৰ বুলি ভাবিছিলো, ভাল পাবলৈ শিকিছিলো। শ্ৰদ্ধাৰে শিক্ষক-শিক্ষয়িত্ৰীক গ্ৰহণ কৰি পাঠ গ্ৰহণ কৰিছিলো, আজিও ক'ৰবাত কাৰোবাক লগ পালে, চিনি নাপালেও যদি আৰ্য বিদ্যাপীঠত পঢ়িছিল বুলি কয়, তেন্তে আপোন আপোন লাগে। তেওঁ নিজেই আছিল এটা অনুষ্ঠান। আজি তেওঁৰ এশ বছৰীয়া জন্ম-দিনটোত মাথোঁ ইয়াকেই বিচাৰিছো—ছাৰৰ কৰ্মময় জীৱনৰ সোঁৱৰণে আমাক, নৱপ্ৰজন্মক নতুন কিবা কৰাৰ, গঢ়াৰ বাবে প্ৰেৰণা দিয়ক। শৰ্মা ছাৰৰ নিয়মানুৱৰ্তিতা, দৃঢ়তা, অধ্যৱসায়, মাতৃপ্ৰেম, ভাতৃপ্ৰেম, সমাজপ্ৰেম নৱপ্ৰজন্মৰ পাথেয় হওক।

# আৰ্যবিদ্যাপীঠ আৰু গিৰিধৰ শৰ্মা

**— দুৰ্গেশ্বৰ শৰ্মা**

আৰ্যবিদ্যাপীঠৰ সৃষ্টিক শিক্ষাবিদ্ গিৰিধৰ শৰ্মাদেৱে “ঈশ্বৰপ্ৰেৰিত অনুষ্ঠান” বুলি সকলো সময়তে অভিহিত কৰিছিল। এনে উক্তিৰ কি তাৎপৰ্য আছে তাকে জানিবলৈ এদিন মই তেওঁক প্ৰশ্ন কৰিলোঁ, “আপুনি দেখিছোঁ সব কথা ঈশ্বৰে কৰা বুলি কয়। হয়তো এনে এদিন আহিব, যিদিনা আপুনি ৰাজহুৱাভাৱে ঘোষণা কৰিব যে কলেজৰ সকলো ক্লাছ ঈশ্বৰেহে লয় ; সেয়ে ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন পৰীক্ষাত ভাল ফল দেখুৱাব পাৰিছে। তেনেহ’লে আমি কাৰ ঘোঁৰাৰ ঘাঁহ কাটিলোঁ আৰু আমাক ইমানখিনি দৰমহা দি ৰখাৰ প্ৰয়োজনেই বা কি?”

মোক কথা বহলাবলৈ সুযোগ নিদি তেওঁ খিলখিলকৈ হাঁহিবলৈ ধৰিলে আৰু ক’লে— “সাহিত্যৰ অধ্যাপক হিচাপে তুমি জানিবই লাগিছিল, আমাৰ পুৰণি শাস্ত্ৰ অনুসাৰে ঈশ্বৰৰ ইচ্ছাৰ দ্বাৰাহে সকলো সজ কৰ্ম সাধিত হয়। আমি তেওঁৰ হাতৰ যন্ত্ৰ মাত্ৰ ; তেওঁ ইপ্সিত কাৰ্য মানুহৰ যোগেৰে সাধন কৰে। অৱশ্যে তোমালোকৰ দৰে নব্য প্ৰগতিবাদীসকলে ঈশ্বৰক বৰকৈ বিশ্বাস নকৰিব পাৰা। কিন্তু তোমালোকেও নিশ্চয় আৰ্থ-সামাজিক বিকাশ আৰু প্ৰয়োজনৰ ওপৰত নিশ্চয় বিশ্বাস কৰা। আৰ্য বিদ্যাপীঠ কলেজ গঢ়ি উঠাৰ মূলতে সামাজিক প্ৰয়োজনৰ প্ৰশ্ন জড়িত আছে বুলি মোৰ ধাৰণা। সামাজিক প্ৰয়োজনক ভিত্তি কৰিয়েই মই আৰ্য বিদ্যাপীঠ শিক্ষাচক্ৰ গঢ়িতোলাত নেতৃত্ব

গ্ৰহণ কৰিছিলোঁ । মোক এই কামত গুৱাহাটী আৰু গুৱাহাটীৰ বাহিৰৰ সকলো পৰ্যায়ৰ লোকে সহায় কৰিছিল। এইটো কথা স্বীকাৰ নকৰিলে পাপে চুব যে এই কামত মই বিশেষভাৱে জননেতা শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী, শিক্ষাবিদ শ্ৰীশৰৎচন্দ্ৰ গোস্বামী, শ্ৰীসন্তোক সিং, শ্ৰীপদ্মৰাম দাস, শ্ৰীদেৱপ্ৰসাদ সেন, শ্ৰীমেৰা সিং, শ্ৰীসৰ্বানন্দ বড়ো আৰু শ্ৰীসৰ্বেশ্বৰ দাসৰ পৰা সহায় পাইছিলোঁ। এওঁলোকে সহায় নকৰিলে আৰ্য বিদ্যাপীঠ শিক্ষাচক্ৰ স্থাপনত মোৰ নেতৃত্ব হয়তো বিশেষ ফলৱতী নহ'লহেঁতেন।"

তেওঁৰ কথাৰ শেষৰ বাক্যটো শুনি মোৰ হৃদয়ত এটি ক্ষোভ জাগি উঠিছিল আৰু মই সেই ক্ষোভ দমন কৰিব নোৱাৰি তেওঁৰ কথা শেষ নোহোৱা সত্ত্বেও প্ৰশ্ন কৰিলোঁ— "আপুনি আৰ্য বিদ্যাপীঠ শিক্ষাচক্ৰখনিত সকলো ধৰ্ম-সম্প্ৰদায় আৰু ভাষা-গোষ্ঠীৰ লোকৰ পৰা সহায় পোৱা বুলি স্বীকাৰ কৰাৰ উপৰিও কেতবোৰ লোকে বিশেষভাৱে সহায় কৰা বুলিও কৃতজ্ঞতাৰে স্বীকাৰ কৰিলে। এই কামত আৰ্য বিদ্যাপীঠ শিক্ষাচক্ৰত কাম কৰা শিক্ষকসকলৰ পৰা সহায় পোৱা নাছিলনেকি?"

মই লক্ষ্য কৰিছিলোঁ, মোৰ প্ৰশ্নটো শুনি তেওঁৰ চকুৰ কোণকেইটা সেমেকি পৰিছিল আৰু তেওঁ তপৰাই মোৰ প্ৰশ্নৰ উত্তৰ দিছিল— "কিয় নাপাম? শিক্ষকসকলে সহায় নকৰিলে এইখন বৃহৎ শিক্ষাচক্ৰ কেনেকৈ গঢ়ি উঠিব পাৰে? প্ৰথম অৱস্থাত অধ্যাপকসকলৰ বহুতে অবৈতনিকভাৱে কাম কৰিছিল। পিছত অৱশ্যে মাহকেত ৫০ টকা আৰু তাৰ পিছত ১০০ টকা মানকৈ পাৰিশ্ৰমিক দিয়া হৈছিল। এইসকল লোকৰ পৰা সহায় নোপোৱা বুলি তুমি ভাবানে? এখন সৰ্বাঙ্গসুন্দৰ শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিবলৈ ছাত্ৰ আৰু শিক্ষকসকলৰ সহযোগেই আটাইতকৈ বেছি প্ৰয়োজনীয়, তাৰ পিছতহে অভিভাৱক, সমাজ আৰু চৰকাৰী যন্ত্ৰৰ সহযোগৰ কথা আহে। শিক্ষা এটা সামূহিক প্ৰচেষ্টা। সমাজৰ কোনো অংশকে বাদ দি প্ৰকৃত অৰ্থত সুশিক্ষা আৰু আদৰ্শনীয় শিক্ষা-প্ৰতিষ্ঠান গঢ়ি উঠিব নোৱাৰে।"

শিক্ষাবিদ্ গিৰিধৰ শৰ্মাদেৱে ঈশ্বৰত বৰকৈ বিশ্বাস কৰিছিল। তেওঁৰ নিজৰ হাউলিতে গোসাঁইৰ ঘৰ আছে। পুৱা, দুপৰীয়া আৰু গধূলি বিগ্ৰহৰ সমুখত আঁঠু লৈ সেৱা-ভক্তি কৰিছিল ; আনকি কলেজৰ প্ৰধান তোৰণৰ সমুখত তেওঁ শাস্ত্ৰোক্ত স্তৱক এটি খোদিত কৰিও ভগৱৎ পৰাকাষ্ঠা দেখুৱাই গৈছে।

কলেজৰ বাৰাণ্ডাত 'মহৎ লোকৰ বাণী' নামেৰে আঁৰি থোৱা এখনি প্ৰাচীৰ-পত্ৰিকাৰো তেওঁ প্ৰধান পৃষ্ঠাপোষক আছিল। সেই পত্ৰিকাত ছাত্ৰ-ছাত্ৰীসকলে সংগ্ৰহ কৰা মহৎ লোকৰ বাণীসমূহ খোদিত কৰি নতুন পুৰুষক অনুপ্ৰাণিত কৰিবলৈ তেওঁ যত্ন কৰিছি। তাতো বিভিন্ন ধৰ্মৰ বাণীসমূহ লিপিবদ্ধ কৰাৰ ওপৰত তেওঁ গুৰুত্ব দিছিল।

এবাৰ মই তেওঁক প্ৰশ্ন কৰিছিলোঁ— "আমাৰ দেশ ধৰ্ম-নিৰপেক্ষ দেশ। আপুনি ধৰ্মৰ ওপৰত ইমান প্ৰাধান্য দিছে যে মানুহে আমাৰ কলেজখনক ধৰ্ম-প্ৰচাৰৰ মাধ্যম বুলিহে ভাবিব নেকি ?" মোৰ কথাৰ উত্তৰত তেওঁ ক'লে— "ধৰ্ম নিৰপেক্ষ মানে ধৰ্ম নামানিবলৈ নাইবা নাস্তিক হ'বলৈ কোৱা নাই; কোনো এটি ধৰ্মক ৰাজধৰ্ম কৰি আন ধৰ্মৰ মানুহক হিংসা আৰু শোষণ নকৰাৰ কথাহে কৈছে। ধৰ্ম ব্যক্তিগত আৰু সামাজিক জীৱনৰ লগত জড়িত কৰাত বাধা থাকিব নোৱাৰে। প্ৰকৃতপক্ষে সেই বাধা কোনেও কাৰো ওপৰত আৰোপিত কৰিব নোবাৰে। তোমাৰ প্ৰশ্নটোৰ শেষ অংশটো অবান্তৰ; কিয়নো আৰ্য বিদ্যাপীঠ জ্ঞান-বিজ্ঞান শিক্ষা-প্ৰচাৰৰহে মাধ্যম ; ধৰ্ম-প্ৰচাৰৰ মাধ্যম নহয়। শিক্ষাৰ লগত জড়িত দুই-এটা ধৰ্মীয় বাণী প্ৰচাৰ কৰিলেই কলেজখন ধৰ্ম-প্ৰচাৰৰ মাধ্যম হ'ব নোৱাৰে।"

গিৰিধৰ শৰ্মাদেৱে তেওঁৰ মাতৃক বৰকৈ শ্ৰদ্ধা কৰিছিল। ঘৰৰ বাহিৰলৈ ওলাই যাব লগা হ'লেই— কলেজলৈ হওক কিম্বা আন ঠাইলৈ হওক— তেওঁ মাতৃৰ চৰণ চুই সেৱা কৰা মই নিজ চকুৰে দেখিছিলোঁ। মাতৃক সেৱা কৰি উঠিয়েই তেওঁ গোসাঁইঘৰৰ সমুখত থিয় হৈ বিগ্ৰহৰ প্ৰতি প্ৰণিপাত জনাইছিল। এবাৰ তেওঁ কৈছিল— "সন্তানে পিতৃ-মাতৃকৈ ভক্তি কৰিলে বিগ্ৰহক

সেৱা নকৰিলেও হয় ; কিয়নো পিতৃ-মাতৃতকৈ সন্তানৰ কোনো ডাঙৰ গুৰু হ'ব নোৱাৰে"। নিচেই কম বয়সতে তেওঁ পিতৃক হেৰুৱাইছিল। পিতৃ-বিয়োগৰ কৰুণ কাহিনী তেওঁ বৰ হৃদয় বিদাৰকভাৱে সহৃদয় শ্ৰোতাৰ আগত ব্যক্ত কৰি মনৰ দুখ পাতলাইছিল আৰু পিতৃৰ স্মৃতি আপোন হৃদয়ত জাগৰুক কৰি ৰাখিছিল।

ঈশ্বৰৰ ওপৰত তেওঁৰ যেনে শ্ৰদ্ধা আৰু ভক্তি আছিল মানুহৰ ওপৰতো তেওঁৰ তেনে প্ৰগাঢ় বিশ্বাস আৰু স্নেহ আছিল। কৰ্ম-কুশল লোকক তেওঁ বৰকৈ শ্ৰদ্ধা কৰিছিল। তেওঁৰ মতে দুৰ্নীতিৰ পৰা মুক্ত কৰ্ম-কুশল লোকেই হৈছে সমাজৰ প্ৰধান মিত্ৰ। কলেজৰ সাহিত্য-চ'ৰাৰ আলোচনা-চক্ৰবোৰতো তেওঁ জাতীয় জীৱনৰ বিভিন্ন ক্ষেত্ৰত জড়িত বিচক্ষণ লোকৰ জীৱন আৰু কৰ্মৰ আলোচনাৰ ওপৰত বিশেষকৈ গুৰুত্ব আৰোপ কৰিছিল।

দুখীয়া-দৰিদ্ৰক তেওঁ সহানুভূতিৰ চকুৰে চাইছিল আৰু আতুৰত পৰা মানুহক সহায় কৰি তেওঁ বৰ আনন্দ পাইছিল। তেওঁ কলেজত অধ্যক্ষ হৈ থকাৰ সময়ত কলেজৰ পৰা ভিক্ষাৰী নুগুচিছিল। তেওঁ নিজে দুখীয়া-দৰিদ্ৰক দান কৰাৰ উপৰিও কলেজৰ অধ্যাপক আৰু আন আন সকলকো যথাসাধ্য দান কৰিবলৈ অনুৰোধ জনাইছিল। অধ্যক্ষৰ এই অনুৰোধত কোনো কোনো ব্যক্তি বিৰক্ত আৰু বিৰোধীও হৈ পৰিছিল। বহুতো দুষ্ট-দগাবাজে বিয়া-বাৰু, বেমাৰ-আজাৰ আৰু টকাৰ অভাৱত অধ্যয়ন স্থগিত ৰখাৰ অজুহাত দেখুৱাই তেওঁৰ পৰা টকা-পইচা সৰকাইছিল।

ছাত্ৰই 'এডমিচন' নোপোৱাত অভিভাৱকৰ চকুত চকুলো দেখিলে তেওঁৰ হৃদয় গলি গৈছিল আৰু কলেজৰ আসনৰ সীমাবদ্ধতাৰ কথা পাহৰি তেওঁ অভিভাৱকৰ অনুৰোধত ছাত্ৰক ভৰ্তি কৰি সতীৰ্থৰ গঞ্জনা খাব লগীয়াত পৰিছিল। শিক্ষক পৰিষদত তেওঁৰ এই নীতিবিৰুদ্ধ কাৰ্যৰ সমালোচনা কৰোঁতে এবাৰ তেওঁ জবাব দিছিল— "আপোনালোকে গালি পাৰিলেও মই বৰ নিৰুপায়। এই কাৰ্যৰ বাবে আপোনালোকৰ গালি খালেও মোৰ বেয়া নালাগে; কিন্তু আসনৰ সীমাবদ্ধতাৰ কাৰণে ছাত্ৰই পঢ়িব নোৱাৰিব— এই কথা মই সহ্য কৰিব নোৱাৰোঁ।"

অধ্যক্ষ শৰ্মাদেৱৰ ছাত্ৰ-বৎসলতা আৰু মহানুভৱতাৰ বাবে কোনো কোনো বছৰ এনেকুৱা পৰিস্থিতিৰ উদ্ভৱ হৈছিল যে আসনৰ সংখ্যাতকৈ শ্ৰেণীত অধিক ছাত্ৰ ভৰ্তি হৈছিল আৰু পাঠ-দানৰ সময়ত ছাত্ৰ-ছাত্ৰী শ্ৰেণীত থিয় দি থাকিব লগাত পৰিছিল। আটাইতকৈ আনন্দৰ কথা এইটোৱেই যে ছাত্ৰ-ছাত্ৰীয়ে কিন্তু হাই-উৰুমি নকৰাকৈ অধ্যাপকৰ 'লেকচাৰ' শুনিছিল আৰু থিয় দি থাকিব লগা হোৱাত কোনো ধৰণৰ বিদ্ৰোহ আচৰণ কৰা নাছিল। অৱশ্যে বিজ্ঞান বিভাগৰ পৰীক্ষাগাৰৰ অধ্যাপকসকলক এই ব্যৱস্থাই বৰ আহুকালত পেলাইছিল। কিন্তু পেটে-পেটে কোনোজন অধ্যাপকে বেয়া পালেও মুখ ফুটাই একো ক'বলৈ সুযোগ নাপাইছিল ; কিয়নো তেওঁ এনেদৰে আহুকালত পৰা অধ্যাপকৰ ওচৰ চাপি গাত হাত বুলাই কৈছিল— "হওক দিয়া ভাই, হওক দিয়া ; মোৰ এই দুৰ্বলতাৰ বাবে তুমি মোক ক্ষমা কৰা।" অধ্যক্ষৰ মুখত এই কথা শুনি কোন অধ্যাপকে বেয়া পাবলৈ চিন্তা কৰিব?

এবাৰ মই তেওঁক কলেজখনৰ নাম আৰ্য বিদ্যাপীঠ ৰখাৰ কাৰণ সুধিছিলোঁ। তাৰ উত্তৰত তেওঁ মোক ক'লে— "কৰ্তব্যমাচৰৎ কাৰ্যং কৰ্তব্যমাচৰৎ তিষ্ঠতি প্ৰকৃতাচাৰে স বা আৰ্য ইতি স্মৃতঃ। আৰ্য মানে এনেকুৱা লোকক বুজায় যিজনে একাগ্ৰচিত্তে নিজৰ কৰ্তব্য পালন কৰে আৰু নকৰিবলগীয়া কামৰ পৰা আঁতৰত থাকে। আৰ্য মানে বুৰঞ্জীত উল্লেখ কৰা অকল আৰ্যসকলকে নুবুজায়।" তেওঁ আৰ্য বিদ্যাপীঠৰ সকলো ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাকে নিজৰ কৰ্তব্য পালনৰ প্ৰতি সজাগ থকা আৰু নকৰিব লগীয়া কামৰ পৰা আঁতৰত থকাটো বাঞ্ছা কৰিছিল।

আনক তেওঁ যি আদেশ গ্ৰহণ কৰিবলৈ উপদেশ দিছিল, সেই আদেশ তেওঁ নিজেও নিষ্ঠাৰে পালন কৰি চলিছিল। দেশত বাঢ়ি অহা ক্ৰমবৰ্ধমান কৰ্মবিমুখিতাৰ বাবে তেওঁ বৰকৈ দুখ কৰিছিল। আৰ্য বিদ্যাপীঠত পঢ়া সকলো ছাত্ৰ-ছাত্ৰীকে তেওঁ কঠোৰ পৰিশ্ৰমী হ'বলৈ উপদেশ দিছিল। তেওঁ নিজেও কঠোৰ পৰিশ্ৰম কৰিছিল। ৰাতিপুৱা ৬ বজাৰ লগে লগে তেওঁ কলেজত উপস্থিত হৈছিল আৰু কলেজৰ গৃহ-নিৰ্মাণৰ কাম চাই ফুৰিছিল। তাৰ পিছত

ৰাতিপুৱা ১০ বজাৰ পৰা অফিচৰ কামত ব্যস্ত হৈ পৰিছিল। দুপৰীয়া ১২ বজাত তেওঁ ৰিহাবাৰীৰ ঘৰত দুপৰীয়াৰ আহাৰ খাবলৈ গৈছিল। আধা ঘন্টাৰ ভিতৰতে খোৱা-বোৱা সমাপ্ত কৰি দুপৰীয়া ১২-৩০ বজাৰ লগে লগে পুনৰ কলেজত উপস্থিত হৈছিলহি। আহিয়েই তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ বিবিধ সমস্যা সম্পৰ্কে তেওঁলোকৰ বক্তব্য শুনিছিল। তাৰ পিছত তেওঁ দুই-এগৰাকী অধ্যাপকৰ লগত কলেজৰ সমস্যা আৰু উন্নয়ন সম্পৰ্কে আলোচনা-বিলোচনা কৰিছিল। নিতৌ তেওঁ ক্লাছবোৰ ঠিক মতে চলিছে নে নাই নিজ চকুৰে চাবৰ কাৰণে দুই-তিনিবাৰ কলেজ হাউলিৰ কেউপিনে ঘূৰি ফুৰিছিল। এনেদৰে সকলো কামৰ তেওঁ নিজে তদাৰক কৰাৰ ফলত গোটেই কলেজখনেই জীৱন্ত আৰু কৰ্ম-মুখৰ হৈ পৰিছিল। ইয়াৰ ফলত কোনো কোনো লোকে তেওঁক বেয়া পাইছিল আৰু বিভিন্ন ধৰণে উপলুঙা আৰু সমালোচনাও কৰিছিল। এই সমালোচনাৰ ভেটি বোধ হয় এইটোৱেই আছিল— কোনো লোকে নিজৰ কৰ্তব্যক আওহেলা কৰি আড্ডা পতা নাইবা মেল পকোৱাৰ সুযোগ নাপাইছিল। আনকি ছাত্ৰ-ছাত্ৰীবিলাকে ক্লাছ নাথাকিলে ঘূৰি ফুৰাৰ সুযোগ নহৈছিল। তেওঁ নিজে ছাত্ৰ-ছাত্ৰীসকলক কেতিয়াবা মৰম-স্নেহ কৰি আৰু কেতিয়াবা দাবী-ধমকি দি গ্ৰন্থাগাৰৰ অধ্যয়ন-কক্ষলৈ লৈ গৈ কিতাপ পঢ়িবলৈ দিছিল। এনে কৰাৰ ফলত কোনো কোনো ছাত্ৰ-ছাত্ৰীয়ে খুব উৎসাহ পালেও আন কেতবোৰে বৰ বিৰক্তিও অনুভৱ কৰিছিল। সময়ে সময়ে তেওঁ ছাত্ৰ-ছাত্ৰীবিলাকৰ আগত বিভিন্ন আদৰ্শৰ বিষয়ে দীঘলীয়া ৰূপত কথাও কৈছিল। সেই কথা শুনিও বহুতে বিৰক্তি পাইছিল। অধ্যাপকে ক্লাছত লেকচাৰ দিলেও তেওঁ বাৰাণ্ডাত থিয় দি লেকচাৰ শ্ৰৱণ কৰিছিল। এই কাৰ্যৰ বাবেও কোনো কোনো লোকক বৰ অসন্তুষ্টি প্ৰকাশ কৰা দেখা গৈছিল। কিন্তু এই সকলো কাৰ্যৰ যোগেৰে কৰ্মৰ প্ৰতি তেওঁৰ যি নিষ্ঠা আৰু দায়িত্বৰ প্ৰতি যি আনুগত্য তাৰহে আভাস ফুটি উঠিছে। কোনো লোকক বিৰক্ত কৰা নাইবা অপদস্থ কৰা তেওঁৰ অভিপ্ৰায় নাছিল।

ৰাতি ১০ বজালৈ তেওঁ কলেজৰ কামত ব্যস্ত আছিল আৰু ১০ বজাৰ পিছতহে তেওঁ কলেজৰ পৰা ঘৰলৈ গৈছিল। আৰ্য বিদ্যাপীঠ কলেজত তেওঁ মুঠতে ১৬ বছৰ ৬ মাহ কাল চাকৰি কৰিছিল। এই গোটেই কালছোৱা তেওঁ ৰাতিপুৱা ৬ বজাৰ পৰা নিশা ১০ বজালৈ কলেজৰ কামত কটাইছিল। প্ৰকৃতপক্ষে কলেজখনেই তেওঁৰ হৈ পৰিছিল ঘৰ আৰু বিশ্ৰাম-ক্ষেত্ৰ। তেওঁৰ ঘৰত কি আছে কি নাই, তেওঁৰ খবৰ নাছিল। তেওঁৰ গুণমুগ্ধ দুই-এক বন্ধুৱে তেওঁক কৈছিল— "আপোনাৰ গাৰুটোও ইয়ালৈ আনি নিশাটোও ইয়াতে কটোৱাৰ ব্যৱস্থা নকৰে কিয়?" তেওঁৰ এই ব্যস্ততা নিজ চকুৰে নেদেখিলে বোধ হয় ক'লেও কোনো লোকে বিশ্বাস নকৰিব। তেওঁৰ কাৰণে দেওবাৰ বা বন্ধবাৰ নাইবা কলেজৰ কৰ্মবাৰ এক আৰু অবিচ্ছিন্ন আছিল। তেওঁৰ এই কৰ্ম-ব্যস্ততা দেখি আমি বহুতেই বিস্মিত আৰু অভিভূত হৈ পৰিছিলোঁ। কিন্তু এই কথাও সত্য যে তেওঁৰ এই ব্যস্ততাৰ কাৰণেই নিচেই কম দিনৰ ভিতৰতে এখন বিলৰ বুকুত আৰ্য বিদ্যাপীঠৰ দৰে এখনি অদ্বিতীয় কলেজৰ সৃষ্টি হ'ব পাৰিছিল। 'আৰ্য শব্দটো 'ৰি' ধাতুৰ' পৰা উদ্ভৱ। 'ৰি' মানে যোৱা, সাধন কৰা নাইবা মহান। গিৰিধৰ শৰ্মাদেৱৰ নেতৃত্বৰ আৰ্য বিদ্যাপীঠৰ দৰে এটি মহান শিক্ষানুষ্ঠানৰ সৃষ্টি সাধন কাৰ্য কম দিনৰ ভিতৰতে হৈ উঠাৰ কাৰণে প্ৰতিষ্ঠানটিৰ নাম 'আৰ্য বিদ্যাপীঠ' কৰাটো যুক্তিযুক্ত হৈছে আৰু নামটিৰ আদৰ্শ আৰু কামৰ লগত এটি নিবিড় সম্পৰ্ক আছে বুলিও ভাবিবৰ থল আছে।

আৰ্য বিদ্যাপীঠৰ সকলো দিশৰ পৰা গতিবেগ লক্ষ্য কৰি শ্ৰদ্ধেয় গিৰিধৰ শৰ্মাদেৱৰ কোনো কোনো বন্ধুৱে মন্তব্য কৰিছিল যে জৰাসন্ধৰ ভয়ত শ্ৰীকৃষ্ণই সাগৰৰ বুকুত দ্বাৰকাপুৰী নিৰ্মাণ কৰাৰ দৰে চেৰাপভাটিৰকাষত ভৰলুপাৰৰ বিলৰ মাজত গিৰিধৰ শৰ্মাদেৱে আৰ্য বিদ্যাপীঠ নিৰ্মাণ কৰি দেশৰ আৰু দহৰ সেৱা কৰাৰ লগতে নিজৰ কাৰণেও মহৎ খ্যাতি অৰ্জন কৰিলে। তেওঁৰ গুণমুগ্ধসকলৰ এই উক্তি কিমানখিনি যুক্তিৰ ওপৰত আৰু কিমানখিনি ভাৱপ্ৰৱণতাৰ ওপৰত প্ৰতিষ্ঠিত সেই কথা গভীৰভাৱে বিচাৰ-বিশ্লেষণ কৰি চাবলগীয়া। আৰ্য বিদ্যাপীঠ নিৰ্মাণৰ কাৰণে সকলো যশস্যা শ্ৰদ্ধেয় গিৰিধৰ

শৰ্মাৰ গাত ছটিয়াই দিলেও সেই যশস্যাৰ ভাগ অকল তেওঁৰে প্ৰাপ্য হ'ব নোবাৰে ; কিয়নো এইখন কলেজ গঢ়ি উঠাত বহুতে শকত ধনৰ বৰঙণিৰে সহায় কৰাৰ উপৰিও বহুতে বিনা-বেতনে নাইবা সামান্য বেতন লৈও কলেজত শিক্ষাদান কৰিছিল। কলেজৰ কাৰণে দান-বৰঙণি বিচাৰি কেনেদৰে অধ্যাপকসকলৰ বহুতেই লঘু-লাঞ্ছনা পাবলগীয়া হৈছিল, সেই কথা ভাবোচ্ছ্বাসৰ বশৱৰ্তী হৈ পাহৰি গ'লে নচলিব। চৰকাৰেও কলেজক ভূমি আৰু বিত্তীয় সাহায্যৰে উৎসাহিত কৰিছিল। যশস্যা বিতৰণ কৰোঁতে এইবোৰ কথাও বিবেচনালৈ আনিব লাগে। তাকে নকৰি অত্যুচ্ছাসৰ বশৱৰ্তী হৈ কোৱা কথাই সমাজৰ হিত সাধন নকৰি অহিত সাধন কৰাহে বেছি স্বাভাৱিক। এই কথা গণতান্ত্ৰিক দেশ এখনৰ কাৰণে গ্ৰহণযোগ্য হ'ব নোৱাৰে। অবশ্যে এইটোও ঠিক যে শৰ্মাদেৱে কেন্দ্ৰস্থ ব্যক্তি হিচাপে গুৰি নধৰিলে আৰ্য বিদ্যাপীঠ অনুষ্ঠানে আজিৰ এই ৰূপ পালেহেঁতেন নে নাই সন্দেহৰ কথা।

আমাৰ জাতীয় জীৱনত ত্যাগীৰ ত্যাগৰ কথা পাহৰি যোৱা অভ্যাসৰ কাৰণে ৰাজহুৱা কাৰ্যৰ প্ৰতি মানুহৰ উদাসীনতা, অশ্ৰদ্ধা আৰু তাৰ ফলস্বৰূপে প্ৰতিক্ৰিয়শীলতাৰ সৃষ্টি। সকলো দেশ-হিতৈষী লোকে এই দিশলৈ নজৰ দিয়া উচিত। যি ত্যাগীয়ে ভোগৰ সুবিধা নাপায় সমাজে তেওঁৰ ত্যাগৰ কথা স্বীকাৰ কৰিবলৈ টান পায়। ভাৰতীয় শাস্ত্ৰত ত্যাগৰ পিছত ভোগৰ যি বিধান দিয়া আছে, বোধ হয় সেই বিধানমতেই সমাজ চলি থাকিবলৈ আগ্ৰহান্বিত। কিন্তু এই আগ্ৰহ যিমানে ব্যাপক, গভীৰ আৰু সমাদৃত হ'ব সিমানেই সমাজত বিশৃঙ্খলা আৰু প্ৰতিক্ৰিয়াই মুৰ দাঙি উঠিব। আৰ্য বিদ্যাপীঠ কলেজ নিৰ্মাণত গিৰিধৰ শৰ্মা ডাঙৰীয়াই ত্যাগ কৰিছিল আৰু ফলস্বৰূপে কলেজৰ অধ্যক্ষ পদ পাই সমাজত গণ্য-মান্য ব্যক্তিৰূপে সমাদৃত হৈছিল। কিন্তু যিসকলে ত্যাগ কৰিলে কিন্তু অধ্যক্ষ পদ নাপালে তেওঁলোকৰ সকলো ত্যাগ অথলে গ'ল, সমাজেও তেওঁলোকক পাহৰি পেলালে। এইচাম ব্যক্তিৰ যিসকল দুৰ্বল তেওঁলোকে সমাজৰ এই চৰিত্ৰ দেখি নিজৰ ভাগ্যক জগৰীয়া কৰি সান্ত্বনা লভিলে; কিন্তু যিসকল বলিষ্ঠ তেওঁলোকে নিজক প্ৰতিষ্ঠাৰ কাৰণে প্ৰতিবিপ্লৱ

কৰাটো স্বাভাৱিক। এই প্ৰতিবিপ্লৱৰ ফলত সমাজে আন এচাম কৰ্মকুশল লোক লাভ কৰে আৰু প্ৰতিবিপ্লৱৰ ফলত যিসকল পৰাজিত হয়, তেওঁলোক হৈ পৰে প্ৰতিক্ৰিয়াশীল। প্ৰতিক্ৰিয়াশীল শক্তিৰ পৰাই সমাজত বিশৃঙ্খলা আৰু ধ্বংসৰ উদ্ভৱ। ইয়াৰ বাবে প্ৰতিক্ৰিয়াশীল শক্তি যেনেদৰে জগৰীয়া সমাজো তেনেদৰে দায়ী। গণতান্ত্ৰিক দেশ এখনত জন-কল্যাণমূলক কাৰ্যত পাকে-প্ৰকাৰে সকলো লোক জড়িত হৈ পৰে। গণতান্ত্ৰিক দেশৰ সকলো অনুষ্ঠানৰে নেতৃত্ব সেই কাৰণে সামূহিক নেতৃত্বৰ অধীন। তাত ব্যক্তি সত্তাতকৈ সামূহিক সত্তা বেছি প্ৰকট আৰু প্ৰৱল। এই কথা যিসকলে স্বীকাৰ কৰিব নোখোজে তেওঁলোক গণতন্ত্ৰৰ শত্ৰু। কিন্তু আৰ্য বিদ্যাপীঠ কলেজ নিৰ্মাণৰ ক্ষেত্ৰত গিৰিধৰ শৰ্মাদেৱ অন্যতম ব্যক্তি, একমাত্ৰ ব্যক্তি নহয়। বৰ আনন্দৰ কথা, তেওঁ নিজেও এই কথাকে একাধিকবাৰ ক্ষেত্ৰত স্বীকাৰ কৰিছে। সেই কাৰণে শিক্ষাবিদ গিৰিধৰ শৰ্মা এগৰাকী মহৎ ব্যক্তি, শ্ৰদ্ধাৰ্হ ব্যক্তি, সমাজক সেৱা কৰিবলৈ যোগ্যতম ব্যক্তি।

এই কথা স্বীকাৰ্য যে গিৰিধৰ শৰ্মাদেৱ অজাতশত্ৰু নাছিল। ৰাজহুৱা কামৰ শত্ৰু থকাটো স্বাভাৱিক। অসম সাহিত্য সভাৰ কামতেই হওক বা আৰ্যবিদ্যাপীঠ কলেজৰ কামতে হওক তেওঁ পদে পদে বাধাপ্ৰাপ্ত হৈছিল। কিন্তু তেওঁ কোনো বাধা-বিঘিনিলৈ কেৰেপ নকৰি তেজী ঘোঁৰাৰ দৰে গন্তব্য পথত আগ বাঢ়ি গৈছিল আৰু অৱশেষত তেওঁ প্ৰতিপক্ষক পৰাস্ত কৰি জয়যুক্ত হৈছিল।

এবাৰ তেওঁ কৈছিল— "চোৱা, নিচেই সৰুতে মই পিতৃক হেৰুৱালোঁ। দৰিদ্ৰতাই মোক কেউদিশৰপৰা আক্ৰমণ কৰিলে। মানুহৰ আটাইতকৈ ডাঙৰ শত্ৰু দৰিদ্ৰতাৰ বাহিৰে প্ৰৱণ বাধা আন একো হ'ব নোৱাৰে। কঠোৰ পৰিশ্ৰমেৰে সেই শত্ৰুক পৰাজিত কৰি মই শিক্ষা লাভ কৰিলোঁ। প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগ পোৱাৰ উপৰিও সংস্কৃত পৰীক্ষাত সোণৰ পদক পালোঁ। পৰিশ্ৰমেই যে শত্ৰুক পৰাজয় কৰাৰ তীক্ষ্ণ অস্ত্ৰ সেই কথা মই ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰ পৰাই শিকিছোঁ।"

যোৱা কুৰিটা বছৰ শ্ৰদ্ধেয় গিৰিধৰ শৰ্মাদেৱৰ লগত বিভিন্ন ৰাজহুৱা কামত অংশ গ্ৰহণ কৰাৰ সৌভাগ্য হৈছিল। আৰ্য বিদ্যাপীঠ কলেজ প্ৰতিষ্ঠাত সামান্যভাৱে হ'লেও তেওঁৰ লগত মযো অংশ গ্ৰহণ কৰিছিলোঁ। অসম পুথিভড়াল সংঘ, কামৰূপ সাহিত্য পৰিষদ, অসমীয়া অধ্যাপক চ'ৰা আৰু শেষত অসম সাহিত্য সভাৰ বিভিন্ন কামৰ আঁচনি সাফল্যমণ্ডিত কৰাত তেওঁৰ লগত সহযোগী হিচাপে কাম কৰাৰ সৌভাগ্য মই লাভ কৰিছিলোঁ। তেওঁৰ কাম কৰাৰ শক্তি আৰু ধৈৰ্য দেখি মই বৰ আচৰিত মানিছিলো। কামৰ সময়ত দুখ-ভাগৰ কাক বোলে তেওঁ সমূলি পাহৰি গৈছিল। হাতত লোৱা কামটো শেষ নহয় মানে তেওঁৰ মনত শান্তি নাছিল।

এবাৰ তেওঁৰ পৰম শ্ৰদ্ধেয়া মাতৃদেৱীয়ে মোক কৈছিল— "মোৰ ল'ৰাজনে যাতে নোখোৱাকৈ নাথাকে তালৈ চাবা। তোমালোকৰ দৰে হাঁহিমুখৰ তজৱজীয়া ডেকা ল'ৰাবোৰক কামত সহযোগী হিচাপে পালে তেওঁ খোৱা- বোৱাৰ কথাও পাহৰি যায়। তেওঁৰ যে এতিয়া বয়স হৈছে সেই কথাও মনত নপৰে। তেওঁৰ পিতাকে অকালতে মোক মূৰৰ ওপৰত জুইৰ চৰু তুলি দি সিপুৰীলৈ গ'ল। তেওঁলোক দুজনলৈ (গিৰিধৰ শৰ্মাৰ ভ্ৰাতৃ অসমৰ অৱসৰপ্ৰাপ্ত শিক্ষাধিকাৰ শ্ৰীউমাকান্ত শৰ্মা) চাই মই জীৱনৰ সকলো দুখ-ভাগৰ পাহৰি যাওঁ। তেওঁলোকৰ কষ্ট দেখিলে মইকেনেকৈ সহিম!"

মাতৃৰ স্পৰ্শকাতৰ উক্তি ভাবপ্ৰৱণতাৰ ভেটিত ৰূপ লোৱা বচন নহয়। মই নিজে দেখিছিলোঁ, কলেজৰ হাউলিৰ কোনো অংশত গৃহ নিৰ্মাণ নাইবা মাটি পোতা কাম আৰম্ভ হ'লে তেওঁ নিজ চকুৰে সকলো কাম চাইছিল আৰু তন্ন তন্নকৈ পৰীক্ষা-নিৰীক্ষা কৰি কামটি নিটোল আৰু সম্পূৰ্ণাঙ্গ হৈ উঠাটো বাঞ্ছা কৰিছিল। কলেজ হাউলিত এনে ধৰণৰ কাম চলিলে শ্ৰদ্ধেয় গিৰিধৰ শৰ্মাদেৱে ৰাতিপুৱাৰ পৰা ৰাতি প্ৰায় ১২ বজালৈকে অবিচ্ছিন্নভাৱে কামৰ তদাৰক কৰিছিল। ফলত তেওঁৰ কেতিয়াবা দিনৰ সাঁজ ভাত-পানী খোৱা নহৈছিল। তেওঁৰ মাতৃৰ কথা স্মৰণ কৰি ঘৰৰ পৰা ভাত খুজি আনি তেওঁক কলেজত দিবল'গা হৈছিল। মাতৃয়ে দি পঠিওৱা আহাৰ তেওঁ পৰম তৃপ্তিৰে

খাইছিল। তেওঁ ভাত কমকৈ খাইছিল ; কিন্তু এটুকুৰা মাছ, অকণমান গাখীৰ আৰু এটি কল ভাতৰ লগত পালে সন্তোষ পাইছিল। তামোল তেওঁ খাইছিল ; কিন্তু বিড়ি, চিগাৰেট আদিক দূৰতে বিদূৰ কৰিছিল। চাহ তেওঁৰ খুব প্ৰিয় আছিল। কলেজত থাকিলে প্ৰতি ঘন্টাই ঘন্টাই তেওঁ চাহ খাইছিল। কলেজৰ অধ্যাপক আৰু আন আন লোককো তেওঁ সাদৰে মাতি আনি চাহ খুৱাই আনন্দ পাইছিল।


তেওঁৰ লগত মোৰ বিভিন্ন ৰাজহুৱা সভা-সমিতিতো যোগদান কৰি বক্তৃতা প্ৰদান কৰাৰ সৌভাগ্য হৈছিল। তেওঁ অসমীয়াত সুললিত কণ্ঠে হৃদয়গ্ৰাহীভাৱে বক্তৃতা দিব পাৰিছিল। প্ৰধানকৈ ভাষা-সাহিত্য-সংস্কৃতি, জাতীয়তাবাদ, প্ৰাচীন ভাৰতৰ আদৰ্শ আৰু শিক্ষা সম্পৰ্কে ভাষণ দি তেওঁ নিজেও আনন্দ পাইছিল আৰু শ্ৰোতামণ্ডলীকো আনন্দ বৰ্ধন কৰিব পাৰিছিল। ইংৰাজী ভাষাত তেওঁ বক্তৃতা দিবলৈ টান পাইছিল আৰু ইংৰাজীত কথা-বতৰা পাতোতেও তেওঁৰ খোকোজা লাগিছিল। কিন্তু তেওঁ নিৰ্ভুল আৰু সুন্দৰ ইংৰাজী লেখিছিল। হাতৰ আখৰো তেওঁৰ গোট-গোট আৰু ধুনীয়া আছিল। তেওঁ যি ঠাইৰে সভা-সমিতিলৈ গৈছিল, সেই ঠাইৰ শিক্ষক আৰু বিশিষ্ট ব্যক্তিসকলৰ ঘৰলৈ গৈ তেওঁলোকৰ লগত চিন্তা, ধ্যান-ধাৰণা আৰু ভাৱৰ আদান-প্ৰদান কৰিছিল। তেওঁৰ এনে বিনয়ী স্বভাৱৰ কাৰণে বহুতো লোকে তেওঁক দেৱতুল্য ব্যক্তি বুলি প্ৰশংসা কৰিছিল। তেওঁ কৈছিল— “মানুহৰ জীৱন কচুপাতৰ পানী। ধন-দৌলত, বিদ্যা-বুদ্ধি আৰু ক্ষমতাৰ কাৰণে অহংকাৰ কৰিব নালাগে। আমি সকলো এজন ঈশ্বৰৰ সন্তান। গতিকে ভাই-ভাইৰূপে পৃথিৱীত থকা দিনকেইটা মিলা-প্ৰীতিৰে চলিব লাগে।”

শ্ৰদ্ধেয় গিৰিধৰ শৰ্মাদেৱৰ গুণৰ তুলনা নাই। চন্দ্ৰত কলংক থকাৰ দৰে তেওঁৰ গাতো মই দুই-এটি দোষ দেখিছিলোঁ। ভাৱোচ্ছ্বাসৰ বশৱৰ্তী হৈ তেওঁ কেতিয়াবা কথা বেছিকৈ কৈছিল আৰু এয়ে তেওঁৰ স্বাস্থ্যৰ আৰু সন্মানৰ ক্ষতি সাধন কৰিছিল। সমাজৰ পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য নাৰাখি কেতিয়াবা তেওঁ অপদাৰ্থ, জলহু ভকতকো বেছিকৈ গুৰুত্ব দান কৰিছিল— যাৰ কাৰণে আৰ্থ-

সামাজিক আৰু সাংস্কৃতিক পৰিৱৰ্তনৰ ভাৰসাম্য বিচৰাসকলে তেওঁক সমালোচনা কৰাত শতমুখ হৈ পৰিছিল। তোষামোদকাৰীৰ মায়াজালত বন্দী হৈ তেওঁ সময়ে সময়ে কৰ্মদক্ষ আৰু সজ চৰিত্ৰৰ লোকৰ স্নেহ আৰু শ্ৰদ্ধাৰ পৰা বঞ্চিত হৈছিল। চাতুকাৰৰ মৌ-বৰষা কথাত ভোল গৈ তেওঁ খাল খান্দি ঘঁৰিয়াল চপাই লৈছিল আৰু নিজৰ ভুল বুজিব পাৰি অনুতপ্ত হৈছিল। এনে ভুলৰ মূলতে হৈছে সকলো পৰ্যায়ৰ মানুহৰ ওপৰতে তেওঁৰ অগাধ বিশ্বাস আৰু শ্ৰদ্ধাৰ ভাৱ। অপাত্ৰত দান আৰু বিশ্বাস স্থাপন কৰি শ্ৰদ্ধেয় গিৰিধৰ শৰ্মাদেৱে সাময়িকভাৱে মনোকষ্ট পালেও সেই কষ্ট তেওঁৰ জীৱনত স্থায়ী হ'ব নোৱাৰিছিল। গিৰিধৰ শৰ্মাদেৱৰ মন আছিল আকাশৰ দৰে বিশাল আৰু হৃদয় আছিল সাগৰৰ দৰে গভীৰ। ক্ষমা, আপোচ আৰু বিনয় ভাৱ আছিল তেওঁৰ চৰিত্ৰৰ মহৎ গুণ। তেওঁ লোকৰ দোষ খোঁচৰা বিধৰ লোক নাছিল। মানুহৰ চৰিত্ৰৰ উজ্জ্বল অংশটোহে তেওঁৰ চকুত পৰিছিল। তেওঁ কৈছিল— "দোষে-গুণে মানুহ। মানুহৰ গুণখিনি লৈ গুণী হ'বলৈ যত্ন কৰিব লাগে, দোষ দেখোন সকলোৰে আছে। আনৰ দোষ নিজে খুঁচৰি দোষৰ ভাগ লোৱাৰ প্ৰয়োজন কি? আনৰ দোষ খোঁচৰা শাস্ত্ৰৰ মতে পাপ। ভাৰতীয় সংস্কৃতিত পাশ্চাত্য জগতৰ অনুকৰণত সম্প্ৰতি পৰচৰ্চাৰ স্বভাৱ বাঢ়িবলৈ ধৰিছে। ই শুভ লক্ষণ হ'ব নোৱাৰে।"

এইজনেই আছিল শিক্ষাবিদ গিৰিধৰ শৰ্মা, যিজনাৰ ভাৰতীয় সংস্কৃতি আৰু আদৰ্শৰ ওপৰত অটল বিশ্বাস আছিল। তেওঁ জাতে-পাতে, পোছাকে-পৰিচ্ছদে, বাহিৰে-ভিতৰে অসমীয়া হৈও ভাৰতীয় আছিল। তেওঁৰ চৌপাশে আৱৰি থকা সমাজৰ লগত, মাটিৰ লগত তেওঁৰ প্ৰাণৰ নিবিড় সম্পৰ্ক আছিল আৰু সেই কাৰণে সকলো পৰ্যায়ৰ লোকে তেওঁক প্ৰাণভৰি ভাল পাইছিল।

## অসম সাহিত্য সভাৰ ত্ৰিৰত্ন ঃ



অধ্যক্ষ গিৰিধৰ শৰ্মা, অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, বুৰঞ্জীবিদ্ শ্ৰীবেণুধৰ শৰ্মা

# আৰ্য্য বিদ্যাপীঠত
# যৌৱনৰ কেইটামান সোণোৱালী দিন

ড° জয়কান্ত শৰ্মা

১৯৬৩ চনৰ আগষ্ট মাহৰ প্ৰথম সপ্তাহ, তাৰিখটো মনত নাই। প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীত নামভৰ্তিকৰিবলৈ গাঁৱৰ পৰা আহিছোঁ। কটন কলেজৰ নামভৰ্তিকৰণৰ প্ৰথম দিনাখন সুবিধা নাপাই দিশটো এগৰাকী সম্বন্ধীয় দাদাৰ ঘৰত কটাইছোঁ। তাতেই দাদাই পিতাক ক'লে, ইয়াক আৰ্য্য বিদ্যাপীঠতে ভৰ্তি কৰাই নিদিয়া কিয় ? গিৰিধৰ শৰ্মাই সেইখন ভাল কলেজ খুলিছে। গিৰিধৰ শৰ্মাক পিতাই আগৰে পৰা ভালদৰে জানিছিল। স্বাধীনতা আন্দোলনৰ সময়তে হেনো গিৰিধৰ শৰ্মাৰ পৰিয়ালৰ লগত যোগাযোগ ঘটিছিল। কিন্তু আৰ্য্য বিদ্যাপীঠত যে বিজ্ঞান শাখাও খোলা হৈছে সেইটোহে নাজানিছিল।

ভাতৃসম হ'লেও গিৰিধৰ শৰ্মাৰ ওপৰত পিতাৰ শ্ৰদ্ধা আৰু বিশ্বাস আছিল। গতিকে পাছদিনা কটন কলেজলৈ নগৈ আমি আৰ্য্য বিদ্যাপীঠলৈহে গ'লোঁ। প্ৰায় দুৰ্গম ঠাই, চিটীবাছৰ কথাই নাই, বিক্সাও যাব নোখোজে। গিৰিধৰ শৰ্মাই ঠাইটুকুৰাৰ নাম 'বিদ্যাপীঠ নগৰ' দিলেও নামটো জনপ্ৰিয় হোৱা নাই। চেৰাপভাটি বুলিহে সকলোৱে চিনি পায়।

আৰ্য্য বিদ্যাপীঠত সোমাই কেনেবা কেনেবা লাগিছিল। কলেজ চৌহদৰ বাহিৰৰ পৰিৱেশৰ কথাই নকওঁ, ভিতৰৰ পৰিৱেশো মনোগ্ৰাহী নাছিল। বাঁওফালৰ আৰ্য্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ঘৰবোৰ তেতিয়া প্ৰায় সম্পূৰ্ণ হৈছে, কিন্তু সোঁফালে কলেজৰ ঘৰ বুলিবলৈ মাথোন ৭/৮টামান অসম আৰ্হিৰ কোঠা। প্ৰথম কোঠাটোতে অধ্যক্ষ বহে। পাছফালে প্ৰকাণ্ড পিটনি। অ'ত-ত'ত মাতিৰ দ'ম, ইটা-বালিৰ দ'ম। পিতাৰ লগত গিৰিধৰ শৰ্মাই কথা-বতৰা পাতিলে। মোৰ ভৰ্তিকৰণ সম্পূৰ্ণ হ'ল। তেতিয়া আৰ্য্য বিদ্যাপীঠত পূৰ্ণগতিত ক্লাছ চলি আছিল। গিৰিধৰ শৰ্মাই নিজে উঠি গৈ মোক বহিবলৈ শ্ৰেণীকোঠাটো দেখুৱাই

দিলে। মোৰ হাতত কিতাপ-বহী একো নাই, সাজ-পোছাকো কলেজীয়া নহয়। এক অস্বস্তিকৰ অৱস্থা, তথাপি উপায় নাই। শেষত বেঞ্চখনত গৈ বহি পৰিলোঁ। সেয়াই আৰম্ভণি।

প্ৰথম অৱস্থাত কলেজত পৰীক্ষাগাৰ নাছিল, উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাগাৰত প্ৰেক্টিকেল ক্লাছবোৰ কৰিবলগীয়া হৈছিল। কলেজত শিক্ষকৰো অভাৱ আছিল। কটন কলেজৰ ভালেমান বছা বছা শিক্ষকে আহি আৰ্য্য বিদ্যাপীঠত পাঠদান কৰিছিল। সুনীল দেৱ, বৈদ্যনাথ ভূঞা, কমলেশ্বৰ শৰ্মা ছাৰৰ কথা মনত আছে। কিন্তু দ্ৰুতগতিত কলেজৰ পৰিৱেশ সলনি হ'বলৈ ধৰিলে। কলেজৰ নিজা পৰীক্ষাগাৰ গঢ়ি উঠিল, পিটনিবোৰ পুতি তাত শ্ৰেণীকোঠা সজা হ'ল। আনকি কলেজ চৌহদতে এটা খেৰীঘৰত ছাত্ৰাবাসো স্থাপিত হ'ল। গিৰিধৰ শৰ্মাই বিশ্ববিদ্যালয়লৈ গৈ বিভিন্ন বিভাগত মেধাৱী ছাত্ৰৰ সন্ধান কৰিবলৈ ধৰিলে আৰু স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছতে তেওঁলোকক আৰ্য্য বিদ্যাপীঠত নিযুক্ত হ'বলৈ অনুপ্ৰাণিত কৰিলে। আৰ্য্য বিদ্যাপীঠৰ ছাত্ৰই সুখ্যাতি দেখুৱাবলৈ ধৰিলে। শদিয়াৰ পৰা ধুবুৰীলৈ, আনকি বৰাক উপত্যকালৈও আৰ্য্য বিদ্যাপীঠৰ আহ্বান বিয়পি গ'ল। আৰ্য্য বিদ্যাপীঠৰ ছাত্ৰ-ছাত্ৰীয়ে বুকু ফুলাই পৰিচয় দিব পৰা হ'ল। পৰীক্ষাৰ ফলাফলতেই আৰ্য্য বিদ্যাপীঠৰ ছাত্ৰৰ কৃতিত্ব সীমাবদ্ধ নাছিল। খেলা-ধূলা, নাট সমাৰোহ আৰু গীত-মাততো তেওঁলোকে দক্ষতা দেখুৱাইছিল।

চকুৰ আগতে দেখিছোঁ, আৰ্য্য বিদ্যাপীঠ গঢ়ি উঠিছে তিল তিলকৈ। কলেজে ঘাটি মঞ্জুৰি পালে, অসমৰ ভিতৰতে স্নাতকোত্তৰ শ্ৰেণী খোলা প্ৰথমখন কলেজ হ'ল, নিজাববীয়াকৈ চিকিৎসালয় স্থাপিত কৰা প্ৰথমখন কলেজো আৰ্য্য বিদ্যাপীঠ। খেৰীঘৰৰ ছাত্ৰাবাস ৰূপান্তৰিত হ'ল দুমহলীয়া অট্টালিকালৈ। সেই বুলি গিৰিধৰ শৰ্মাই যে বাধা পোৱা নাছিল এনে নহয়। এচাম গুণ্ডা প্ৰকৃতিৰ অশিক্ষিত লোকে কলেজ স্থাপনত নানা বাধাৰ সৃষ্টি কৰিছিল। আকৌ এচাম চকুচৰহা শিক্ষিত লোকেও বিশ্ববিদ্যালয় আয়োগৰ অনুদান লাভ কৰাত বিধি-পথালি দিছিল। কিন্তু শুভাকাংক্ষীসকলৰ প্ৰত্যক্ষ সাহায্য আৰু ছাত্ৰ-শিক্ষকৰ সহযোগিতাৰ মাজেৰে গিৰিধৰ শৰ্মাই যি গতিৰে আগুৱাই গৈছিল, তাক বাধা দিব পৰা ক্ষমতা যেন কাৰোৰেই নাছিল।

ছাত্ৰ-শিক্ষকৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক গঢ়ি তুলিছিল গিৰিধৰ শৰ্মাই।

প্ৰাক্‌বিশ্ববিদ্যালয় পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ পাছত তেওঁ মোক মাতি নি ক'লে— তুমি এই কলেজত ৰসায়নত অনাৰ্ছ লৈ পঢ়িবা। প্ৰথম খণ্ডৰ স্নাতক পৰীক্ষাত আশানুৰূপ ফল লাভ নকৰাত তেওঁ মোক ক'ত থাকোঁ, কেনেকৈ থাকোঁ সুধিলে। তাৰ পাছত ক'লে তুমি তৃতীয় বাৰ্ষিকটো হোষ্টেলত থাকি পঢ়া। আকৌ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত মোৰ ঘৰুৱা আৰ্থিক অৱস্থাৰ বাবে দুবছৰমান চাকৰি কৰাৰ সিদ্ধান্তৰ কথা জনোৱাৰ পাছত তেওঁ ক'লে— তুমি যিকোনো প্ৰকাৰে কষ্ট কৰি হ'লেও স্নাতকোত্তৰ শ্ৰেণীত ভৰ্তি হ'ব লাগিব, নহ'লে পাছত পঢ়া নহ'বগৈও পাৰে। এইবোৰ উপদেশ আছিল আমাৰ বাবে আদেশ। এনেধৰণৰ সম্পৰ্ক তেওঁ সকলো ছাত্ৰৰ লগতে ৰক্ষা কৰিছিল।

গিৰিধৰ শৰ্মাৰ প্ৰেৰণাৰ ফলতে আজি আমি সমাজত থিয় দিব পৰা হ'লোঁ। এয়া মোৰ ব্যক্তিগত অনুভূতি নহয়, সেই সময়ৰ সকলো ছাত্ৰ-ছাত্ৰীৰ একেই উপলব্ধি। আনকি কলেজ এৰি যোৱাৰ পাছতো কোনো প্ৰাক্তন ছাত্ৰই দেখুওৱা কৃতিত্বৰ বাবে গিৰিধৰ শৰ্মা আনন্দত জঁপিয়াই উঠিছিল— 'চোৱা, এয়া আমাৰ ছাত্ৰৰ কৃতিত্ব।'

ছাত্ৰ-শিক্ষকৰ লগত যোগসূত্ৰ ৰক্ষা কৰাত গিৰিধৰ শৰ্মাৰ সমকক্ষ দ্বিতীয় ব্যক্তি এজন আছিল বুলি মোৰ বিশ্বাস নহয়। সাহিত্য সভা বা আন ৰাজহুৱা কামত গুৱাহাটীৰ বাহিৰলৈ গ'লে তেওঁ পথত পোৱা অধ্যক্ষসকলৰ মূল ঘৰত সোমাই চাহ-পানী খাই আহে। পাছদিনা হয়তো কলেজত অধ্যাপকজনক কয়— কালি তোমাৰ ঘৰত সোমাই আহিলোঁ, বৰ ভাল। এবাৰ গৰমৰ বন্ধত গাঁৱৰ ঘৰত আছোঁ। হঠাৎ দুপৰীয়া গিৰিধৰ শৰ্মা আমাৰ ঘৰত উপস্থিত। লগত এজন সম্বন্ধীয় লোক। আমাৰ ঘৰৰ সন্মুখত এখন ঘাঁহনি আৰু পদূলিত এজোপা আম গছ, তাতে দুজোপা মাধৱীলতা ফুল বগাই আছিল। তেওঁ গাড়ীৰ পৰা নামিয়েই কালিদাসৰ কাব্যৰ পৰা এফাকি শ্লোক মাতি এই সৌন্দৰ্যৰ বৰ্ণনা কৰিলে। পিতা ঘৰতে আছিল। চাহ-পানীৰ যোগাৰ কৰিবলৈ ওলোৱাত ক'লে— বাটত কেইবাবাৰো চাহ খালোঁ। এতিয়া একেবাৰে ভাতেই খাম।

দেখাত কঠোৰ যেন লাগিলেও গিৰিধৰ শৰ্মা আছিল এজন শিশুৰ দৰে সৰল। ১৯৬৫ চনৰ কথা, আমি স্নাতক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ। ভাৰত-পাকিস্তানৰ যুদ্ধ চলিছে, ৰাতি ব্লেক আউট চলে, পঢ়া-শুনা নামমাত্ৰও কৰিব নোৱাৰি।

ছাত্ৰসকলে দাবী জনালে বাছনি পৰীক্ষা পাতিব নালাগে। গিৰিধৰ শৰ্মাই ক'লে— 'পৰীক্ষা হ'বই, পৰীক্ষা এটা অভ্যাস। তোমালোকৰ পঢ়া-শুনা হোৱা নাই, লাগিলে মই সকলোকে পাছ কৰাই দিম।' সেইটোৱে জেদ হৈছিলগৈ। ছাত্ৰই পৰীক্ষা নিদিলে। পাছত এখন সভাত ছাত্ৰসকলৰ সন্মুখতে তেওঁ এই দুখত হুকহুকাই কান্দি পেলাইছিল। নৱাগত আদৰণী সভাই হওক বা কলেজ সেৱা সপ্তাহ, গিৰিধৰ শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক কৈছিল— তোমালোকক মই বিশেষ সা-সুবিধা দিব পৰা নাই, কিন্তু এই সীমিত সা-সুবিধাৰ মাজেৰে তোমালোকে মানুহ হ'ব লাগিব। তোমালোকে তুলসী গোৱালিনীৰ ত্যাগৰ কথা পাহৰি নাযাবা।

তুলসী গোৱালিনী আছিল এগৰাকী নিৰক্ষৰ দৰিদ্ৰ মহিলা। এপইচা-দুপইচা কৰি তেওঁ জমা কৰি সমুদায় ধন (সম্ভৱতঃ এহাজাৰ টকা) গিৰিধৰ শৰ্মাৰ হাতত তুলি দিছিল কলেজৰ বাবে। আন আন দাতাসকলৰ দৰে তুলসী গোৱালিনীৰ নামতো এটা কোঠা উৎসৰ্গিত হৈ আছে।

ফাগুনা কুৰ্মী নামৰ নিৰক্ষৰ বনুৱাজন হৈছিলগৈ তেওঁৰ অতি বিশ্বাসৰ পাত্ৰ, আৰ্য্য বিদ্যাপীঠ নিৰ্মাণত সোঁহাত স্বৰূপ। 'ফাগু-চাচা'ৰ অজ্ঞাতে এচপৰা ইটাৰো ইফাল-সিফাল হ'ব নোৱাৰে। আমি তেতিয়া খেৰীঘৰৰ ছাত্ৰাবাসত থাকোঁ, লাইটৰ ব্যৱস্থা নাই। ই ফালে কেৰাচিনৰো নাটনি। গতিকে পঢ়োঁ কেনেকৈ। ফাগু চাচাৰ অনুমতি লৈ হোষ্টেলৰ ওচৰতে থকা উদ্ভিদবিদ্যা বিভাগৰ পৰা সংযোগ তাঁৰ আনি লাইট জ্বলাই ল'লোঁ। এদিনাখন গধূলি গিৰিধৰ শৰ্মাই তাকে দেখি টিঙিৰি তুলা যেন হ'ল। 'তোমালোকে লাইট জ্বলাইছা কিয়, কিবা দুৰ্ঘটনা হ'লে কোন দায়ী হ'ব' ইত্যাদি। আমাৰ প্ৰাণবায়ু ওলাই যোৱা অৱস্থা। তথাপি মৰসাহ কৰি ক'লোঁ— 'ছাৰ, ফাগু চাচাক সুধিহে আমি লাইট জ্বলাইছোঁ।' লগে লগে অগ্নিশৰ্মা চেঁচা হ'ল। লাহেকৈ ক'লে— 'বাৰু হ'ব দিয়া, সাৱধানে ব্যৱহাৰ কৰিবা কিন্তু।' ১৯৬৬ চনৰ কথা। সমগ্ৰ দেশতে চাউলৰ অনাটন। এক কিলোগ্ৰাম চাউলৰ বাবে ৰেচনৰ দোকানত শাৰী পাতি থাকিব লাগে ঘণ্টাৰ পাছত ঘণ্টা। হোষ্টেলত ৰাতিৰ সাঁজত ভাত নাই, ৰুটী খাব লাগে। ৰুটী খোৱাত আমাৰ আপত্তি নাছিল, কিন্তু ৰুটীবোৰ হৈছিল আধা-সিজা, তাকো ৰাতি এঘাৰ-বাৰ বজাতহে খাবলৈ পোৱা যায়। আৱশ্যকীয় সংখ্যক ৰান্ধনিশালৰ যোগালি নথকাটোৱে এই বিপৰ্যয়ৰ কাৰণ আছিল। সেই সময়ত ছাত্ৰাবাসৰ খোৱাঘৰত কনিষ্ঠ আবাসীক আগতে

খাবলৈ দিয়া নিয়ম। এদিনাখন ৰাতি দহ বজালৈকে ৰুটী খাবলৈ নাপাই কনিষ্ঠসকলে খঙত একো নাই হৈ নাখাই-নবৈ শুই থাকিল। এতিয়া আমি জ্যেষ্ঠসকলে কেনেকৈ খাওঁ? কথাটো ছাত্ৰাবাসৰ অধীক্ষকক ক'বলৈ গ'লোঁ। কিন্তু তেওঁ দুৱাৰকে খুলি নিদিলে। উপায় নাপাই আমি অধ্যক্ষৰ ঘৰলৈকে গ'লোঁ। নিশা প্ৰায় বাৰ বাজিছে। কিনকিনীয়া বৰষুণত তিতি-বুৰি বাৰাণ্ডাত থিয় হ'লোঁ। তেওঁ দুৱাৰ খুলি চক খাই উঠিল, নিশ্চয় কিবা অঘটন ঘটিছে। আমি তেওঁক সকলো বিৱৰি ক'লোঁ। তেওঁ ছাতি এটা লৈ আমাৰ লগতে আহিল। ছাত্ৰাবাসৰ ঠাকুৰহঁতক ধমকি দিলে, যদি যোগালি লাগে তেনেহ'লে ইমান দিনে তেওঁক কোৱা নাই কিয়? তাৰ পাছত তেওঁ কনিষ্ঠসকলক দুৱাৰত টুকৰিয়াই টুকৰিয়াই শোৱাৰ পৰা উঠালে আৰু খোৱা ঘৰত ৰুটীৰ পাতত বহুৱালে। কি শক্তিৰ বলত গিৰিধৰ শৰ্মাই এনে অভিভাৱকত্বৰ দায়িত্ব গ্ৰহণ কৰিব পাৰিছিল, তাকে ভাবি আজিও বিচূৰ্তি খাওঁ।

গিৰিধৰ শৰ্মা আছিল এক বৈচিত্ৰ্যপূৰ্ণ চৰিত্ৰ। ছাত্ৰ-ছাত্ৰীৰ লগত তেওঁ থাকে খেলপথাৰত, পুথিভঁৰালৰ পঢ়াকোঠাত, আলোচনা-চক্ৰত, সকলোতে। ব্যাকৰণ শাস্ত্ৰী আৰু অসমীয়া বিষয়ৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী হোৱা সত্ত্বেও তেওঁ বিজ্ঞানৰ বিভাগবোৰত জড়িত হৈ পৰিছিল। বিজ্ঞানবিষয়ক বক্তৃতা আৰু আলোচনা-চক্ৰত উপস্থিত থকাৰ উপৰিও তেওঁ বিজ্ঞানৰ বিষয়বোৰ বুজিবলৈও চেষ্টা কৰিছিল। এবাৰ ৰসায়ন বিভাগৰ আলোচনা-চক্ৰ এখনত তেওঁ হাঁহি মাৰি কৈছিল— 'মই অন্ততঃ এটা কথা বুজিছোঁ যে তেজস্ক্ৰিয় ৰশ্মিবোৰৰ ভিতৰত গামা ৰশ্মিয়েই আটাইতকৈ শক্তিশালী। প্ৰয়োগশালাৰ সা-সঁজুলি সম্পৰ্কে তেওঁ সকলোবোৰ খৰচি মাৰি জানি লৈছিল। কলেজৰ দশম বাৰ্ষিকী উৎসৱ অনুষ্ঠানত অন্তৰ্ভুক্ত হোৱা বিজ্ঞান প্ৰদৰ্শনীখনো গুৱাহাটীবাসীক চমক খুৱাই তোলাৰ মূলতে আছিল গিৰিধৰ শৰ্মা। তেনে এখন বিজ্ঞান প্ৰদৰ্শনী আজিও কোনো কলেজত হোৱা বুলি ডাঠি ক'ব নোৱাৰি।

শিক্ষকসকলৰ লগত গিৰিধৰ শৰ্মাই এক আৱেগিক সম্পৰ্কৰো সৃষ্টি কৰি লৈছিল। কোনোবা শিক্ষক অনুপস্থিত থাকিলে ছুটীৰ দৰ্খাস্তখনতকৈও তেওঁ অধিক গুৰুত্ব দিছিল। শিক্ষকজনৰ সমস্যাৰ ওপৰতহে। কোনোবা শিক্ষক ক্লাছলৈ যোৱাত দেৰি কৰিলে তেওঁ নিজেই ক্লাছলৈ সোমাই গৈ ছাত্ৰসকলৰ লগত কথা-

বতৰা পাতিছিল। পাঠ্যক্ৰম শেষ কৰাৰ বাবে আৰ্য্য বিদ্যাপীঠত দেওবাৰে বা আন বন্ধৰ দিনাও দুই-এটা বিষয়ৰ শ্ৰেণী বহিছিল আৰু তেতিয়াও গিৰিধৰ শৰ্মা কলেজত উপস্থিত আছিল।

গিৰিধৰ শৰ্মাৰ কৰ্মজীৱনলৈ লক্ষ্য কৰিলে মানুহজনক 'ভীমকৰ্মা' বোলাৰ কাৰণ সহজে বুজিব পাৰি। আৰ্য্য বিদ্যাপীঠৰ যোগেদি তেওঁ যে এচাম ছাত্ৰক মানুহ কৰাৰ দায়িত্বহে গ্ৰহণ কৰিছিল এনে নহয়, তেওঁ এচাম উচ্চশিক্ষিত ব্যক্তিক দায়িত্বশীল শিক্ষকৰূপে গঢ়ি তুলিছিল।

আৰ্য্য বিদ্যাপীঠক স্বায়ত্তশাসিত কলেজ ৰূপে গঢ়ি তোলাৰ দিশত তেওঁ খোজ দিছিল, কাৰণ তেওঁৰ বাবে আৰ্য্য বিদ্যাপীঠ এক অনুষ্ঠান নাছিল, ই আছিল এক সামাজিক আন্দোলন। গিৰিধৰ শৰ্মাৰ সান্নিধ্য লাভ কৰা যিকোনো ব্যক্তিয়েই আৰ্য্য বিদ্যাপীঠৰ লগত জড়িত নোহোৱাকৈ থকাটো প্ৰায় অসম্ভৱ আছিল। আজিও তেখেতৰ সান্নিধ্য লাভ কৰা যিসকল ছাত্ৰ আৰু শিক্ষক আৰ্য্য বিদ্যাপীঠত জড়িত হৈ আছে, সেইচামৰ পৰাই নতুন চামে প্ৰেৰণা লাভ কৰি আহিছে।

গিৰিধৰ শৰ্মাই আৰ্য্য বিদ্যাপীঠত আৰম্ভ কৰা বিদ্যায়তনিক আন্দোলনটো আজি স্তিমিত হৈছে, তাক অস্বীকাৰ কৰিব নোৱাৰি। সময় সলনি হৈছে, মূল্যবোধৰো পৰিৱৰ্তন ঘটিছে। তথাপি আৰ্য্য বিদ্যাপীঠে পোহৰ বিলাবলৈ এৰা নাই।

ব্যক্তিগতভাৱে অনুভৱ কৰোঁ, গিৰিধৰ শৰ্মা সম্ভৱতঃ আমাৰ বাবে প্ৰেৰণা দিব পৰা লোকসকলৰ অন্যতম আছিল। তেৱেঁই দেখুৱাই দিছিল শিক্ষালাভ কৰা আৰু শিক্ষাদান কৰাৰ মাদকতা। ক'বলৈ গ'লে যৌৱনৰ সোণোৱালী দিনকেইটা এনেদৰে এক গঠনমূলক আন্দোলনৰ মাজেদি পাৰ হৈ গৈছিল আমাৰ অজানিতে। যোল্ল বছৰ বয়সত ভৰ্তি হোৱা ছাত্ৰজন আজি দুকুৰি যোল্ল বছৰ বয়সত শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছোঁ আৰ্য্য বিদ্যাপীঠত। তথাপিও ভাব হয়, এই দীঘলীয়া সময়ছোৱা যেন যৌৱনৰ কেইটামান সোণোৱালী দিনহে। যুৱক-যুৱতীৰ উচ্ছ্বাস মুখৰিত আৰ্য্য বিদ্যাপীঠত যৌৱন মৰহি নাযায়, কাৰণ অগ্ৰসৰ হোৱাৰ লক্ষ্যই যে যৌৱনৰো লক্ষণ।

# পিতাৰ পৱিত্ৰ স্মৃতিত

— প্ৰশান্ত শৰ্মা

আজি যেন শূন্যতা অনুভৱ কিৰছো। পিতাবিহীন ঘৰখনৰ গাম্ভীৰ্যতা বহুখিনি যেন হ্ৰাস হৈ গৈছে। পিতাৰ বিষয়ে লিখিব বিচাৰিছো কিন্তু আবেগে ৰুদ্ধ কৰিব বিচাৰিছে মোৰ হাতৰ কলম। পিতাৰ স্মৃতিয়ে জোঁকাৰি গৈছে মন। বুকুত বিষাদৰ বোজা। ভাবিবই পৰা নাই যে পিতা আজি আমাৰ মাজত নাই। এই সংসাৰ-ত্যাগ কৰি তেওঁ অনন্ত ধামলৈ গৈছে। পিতাৰ অভাবনীয় মৃত্যুৰ কথা মোৰ যেন কল্পনাৰো অতীত। ঘৰৰ ডাঙৰ ল'ৰা হিচাপে যি কোনো ঘৰুৱা কাম পিতাই মোৰ লগত আলোচনা নকৰাকৈ নকৰিছিল। পিতাৰ দৰে মহান আৰু বিশাল ব্যক্তিত্বৰ লোকৰ বিচাৰ-বিবেচনাৰ লগত মোৰ কোনো তুলনাই নহয়, তথাপি প্ৰতিটো কামেই মোৰ লগত আলোচনা কৰিহে কৰিছিল। কামৰ প্ৰতি পিতাৰ আছিল গভীৰ শ্ৰদ্ধা। ঘৰৰ ডাঙৰ ল'ৰা হ'লেও পিতাই মোক মাতিছিল সৰু বুলিহে। সৰু অমুকটো কৰিব লাগিছিল; সৰু এই কামটো আজি শেষ কৰিবই লাগিব বুলি প্ৰতিটো কামতে উৎসাহ যোগাবলৈ পিতা সংসাৰত নাই। কামৰ বোজা বাঢ়িলে কেতিয়াবা হতাশ হৈ পৰো, কিন্তু পিতাৰ কৰ্মাবলী আৰু আদৰ্শৰ কথা চিন্তা কৰি পিছ মুহূৰ্ততে সাহস গোটাই লওঁ। মনলৈ দৃঢ়তা আহে। তেখেতৰ আত্মা আমাৰ মাজত ব্যাপ্ত হৈ আছে। অসূয়া, অশান্তি নাশ কৰি সেই আত্মাই আমাক, বিশেষকৈ মোক সৎ পথেৰে আগবঢ়াই নিব। পিতা মোৰ কাৰণে অকল এজন পিতৃয়েই নাছিল, মোৰ কাৰণে পিতা আছিল মোৰ বন্ধু, মোৰ গুৰু আৰু মোৰ ঈশ্বৰ।

ময়ো আছিলো পিতাৰ চকুৰ মণি। পিতাই বেয়া পোৱা কোনো কামেই মই কোনো দিনেই কৰা নাছিলো আৰু তাক লৈয়েই পিতাই মানুহৰ আগত গৌৰৱ কৰিছিল। পঢ়া-শুনাত মই বৰ চোকা নাছিলো। কিন্তু তাৰ কাৰণে পিতাৰ পৰা কোনোদিনে কোনো কথা শুনা নাছিলো। কিয়নো মানুহৰ চৰিত্ৰ গঠনৰ ওপৰতহে তেখেতে অধিক গুৰুত্ব আৰোপ কৰিছিল। তেখেতে আমাক কৈছিল, "তহঁতে যিমানখিনি পঢ়িছ সেয়ে ঠিক আছে। কিন্তু জীৱনত এটা কথা সদায় মনত ৰাখিবি। সৎ চৰিত্ৰবান লোক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সদায় যত্ন কৰিবি। কাপোৰৰ চেকা ধুলে গুচি যাব, কিন্তু চৰিত্ৰত যদি এবাৰ চেকা লাগে তাক আঁতৰোৱাৰ সাধ্য নহ'ব। সদায় কামত ব্যস্ত থাকিবি। কৰ্মই ধৰ্ম। কৰ্মত ব্যস্ত মানুহৰ জীৱনলৈ নীচ বা অহংকাৰ ভাব কেতিয়াও নাহে। কোনোবাই যদি তহঁতৰ অন্যায় চিন্তা কৰে তথাপি তহঁতে সিহঁতৰ অন্যায় চিন্তা নকৰিবি। এদিন দেখিবি তহঁতৰ অন্যায় কৰিব বিচৰা-সকলে নতশিৰে ভুল স্বীকাৰ কৰিব। অতিথিক শক্তি অনুসাৰে শুশ্ৰূষা কৰিবি। আৰ্তজনক পাৰ্যমানে সহায় কৰিবি।"

বহুদিনৰ আগতে এবাৰ নলবাৰীলৈ গৈছিলো পিতাৰ লগত। তেতিয়া এজন সম্পৰ্কীয় মানুহে পিতাক কৈছিল, "দাদা, আপোনাক অমুকে (নামটো উল্লেখ নকৰো) এনেকৈ কৈছে।" কথাখিনি শুনি পিতাই হাঁহি দিছিল। কৈছিল, "সঁচা নেকি? এইবাৰ মই সিহঁতৰ ঘৰলৈ নাযাওঁ বুলি ভাবিছিলো- এতিয়া যাব লাগিব। এইবাৰ মই তহঁতৰ ঘৰলৈ নাযাওঁ; কিয়নো তহঁতে মোৰ ব্যস্ততাৰ কথা বুজি পাব, গতিকে তহঁতৰ ঘৰলৈ নগ'লেও বেয়া নাপাব। কিন্তু সিহঁতৰ ঘৰলৈ যাবই লাগিব; নহ'লে সিহঁতে মোক সদায় বেয়া পাই থাকিব।" মানুহজনে আচৰিত হৈ পিতাক কৈছিল, "আপুনি কেনেকুৱা মানুহ বুজি নাপালো। সিহঁতে আপোনাৰ বিৰুদ্ধে ইমান বেয়াকৈ কোৱা সত্ত্বেও খং নকৰি সিহঁতৰ ঘৰলৈ যাবলৈ ওলাইছে?" তেতিয়া পিতাই বুজাইছিল - "মই আজি সিহঁতৰ ঘৰলৈ যাব লাগিব। সিহঁতে মোক খং

কৰিছে কৰক। তাৰ বাবে ময়ো যদি সিহঁতৰ ওপৰত খং কৰি থাকো তেনেহ'লে কথাটো বৰ বেয়া নহব জানো?"

পিতা সেই মানুহ ঘৰলৈ গৈছিল। হাস্যবদনে মৃদুভাষাৰে কৈছিল, "মই আজি তহঁতৰ ঘৰত ভাত খাইহে যাম দে।" পিতাৰ কথাত পৰিয়ালটোৰ লোকসকল আচৰিত হৈ পৰিছিল আৰু পিতাৰ আন্তৰিকতাৰ উমান পাই বেয়া ভাব্‌ আঁতৰাই বেছি আপোন হৈ পৰিছিল। পিতাৰ দৰে মহান ব্যক্তিৰ বাবে এইবোৰ যেন আছিল একেবাৰে সাধাৰণ কথা। পিতাক ঘৰখনৰ সকলো সদস্যই শ্ৰদ্ধা কৰিছিল আৰু তেখেতেও প্ৰতিজন সদস্যকে সমানে মৰম কৰিছিল। আটাইতকৈ ডাঙৰ কথা, পিতাই নিজৰ কাৰণে ভাবিবলৈ কেতিয়াও সময় উলিয়াব পৰা নাছিল। খোৱা-লোৱাৰ ক্ষেত্ৰতো কোনো বিলাসিতা নাছিল। সাধাৰণ বস্তুখিনিকেই ভালকৈ বনাই চাফ-চিচুণকৈ পৰিবেশন কৰিলে পৰম তৃপ্তিৰে গ্ৰহণ কৰিছিল। ভাত, দাইল আৰু আলু পিটিকা গৰমে গৰমে খাবলৈ পালে পিতাই অধিক আনন্দ অনুভৱ কৰিছিল। আমাৰ ঘৰত ৰান্ধনি ল'ৰাও আছিল। কিন্তু তাৰ ৰন্ধা খাই পিতাই কোনোদিনে ভাল পোৱা নাছিল। সেয়েহে কেতিয়াবা মাক কৈছিল, "এৰা, আজি তুমিয়েই ৰান্ধাহা। ঠাকুৰৰ ৰান্ধা খাই খাই বেজাৰ লাগছি। সেহাটে গুই-গবৰে এসোপৰা ৰান্ধে। পইচা বিলাক এনাই খেদাই।"

সেয়েহে ৰান্ধনি ল'ৰা থাকিলেও প্ৰায়ে মাই নিজে ৰান্ধিছিল। মাই ৰন্ধা ভাত আঞ্জা খাবলৈ পোৱা দিনা পিতাই খুব তৃপ্তিৰে খাইছিল আৰু কৈছিল, "আজি বৰ ভালকে খালুদে।"

ভাত পেলোৱাটো পিতাই খুব বেয়া পাইছিল। গালি খোৱাৰ ভয়ত পিতাৰ লগত বহি ভাত খাবলৈ আমি বৰ ভয় কৰিছিলো। আমি ভাত এৰিলে কৈছিল, "ভাত নেপেলাবি - লক্ষ্মী ছাৰ দিব।" জীৱনৰ প্ৰথমছোৱাত ভাত-কাপোৰৰ বাবে পিতাই কঠোৰ সংগ্ৰাম কৰিবলগীয়া হৈছিল। সেয়েহে তেখেতৰ এই সাৱধানতা।

পিতাৰ জীৱনত নিজৰ বুলিবলৈ একোৱেই ধন বিত নাছিল। আৰ্জনৰ সকলো ধন আমাৰ বাবেই খৰচ কৰিছিল। আনকি প্ৰভিডেন্ট ফাণ্ডৰ পৰা যিখিনি সাঁচতীয়া ধন লাভ কৰিছিল, সেইখিনিও প্ৰেচৰ কামত খৰছৰ বাবে দিছিল। সঁচাকৈ, আমাৰ প্ৰতি পিতাৰ মৰমৰ কথা ভবিলে মোৰ আজিওঁ চকুপানী ওলায়। অকল মৰমেই নহয়, তেখেতে মোক অতি বিশ্বাসো কৰিছিল। পেছৰ টকা পইচাৰ সকলো লেন-দেন মোৰ হাতৰেই কৰিব দিছিল। প্ৰথমতে মোৰ ইমান গধুৰ দ্বায়িত্ব লবলৈ বৰ ভয় লাগিছিল কিয়নো এনেধৰণৰ কামত একেবাৰে অনভিজ্ঞ আছিলো। কলেজৰ পৰা অৱসৰ লোৱাৰ পিছত পিতাক প্ৰেছৰ টকা পইচাৰ দ্বায়িত্ব লবলৈ অনুৰোধ কৰিছিলো। তেতিয়া তেখেতে হাঁহি হাঁহি মোক কৈছিল, "নাই-নাই, এতিয়া আৰু মই পইচা নালাৰু, এই দায়িত্ব তোৰ কান্ধতে থাককচোন। এদিন তয়েতো এই ঘৰখনৰ দায়িত্ব লব লাগিব। গতিকে অভ্যাস কৰ।" মোৰ প্ৰতি থকা পিতাৰ অগাধ বিশ্বাসৰ বাবে মাজে মাজে মই সন্ত্ৰসিত হৈছিলো। এই বিশ্বাসৰ মূল্য যাতে উচিতভাৱে দিব পাৰো তাৰ বাবে সদায় সজাগ আছিলো। তেখেতৰ দৰে ব্যক্তি এজনক পিতৃ হিচাপে সদায় গৌৰৱ কৰি আহিছো আৰু আমৃত্যু মই এই গৌৰৱেৰে গৌৰবান্বিত হৈ থাকিম। পিতা স্বৰ্গঃ, পিতা ধৰ্মঃ, পিতাহি পৰমং তপঃ .... আৰু এয়াই মোৰ বাবে সৰ্বস্ব। পিতা মোৰ মনত আদৰ্শৰ এক মূৰ্ত প্ৰতীক, মোৰ সকলো কৰ্মৰ প্ৰেৰণা। ভীমকৰ্মা পিতৃদেৱতাৰ মৰমৰ ছত্ৰছায়াত থাকিয়েই জীৱনত বহু কথা বুজাৰ লগতে শিকাৰ সুযোগ পাইছিলো ল'ৰালি কালৰ পৰা।

পিতাই সৰু-বৰ সকলোকে সমান চকুৰে চাইছিল। কলেজত থাকোতে বিভিন্ন কামত প্ৰায়েই গুৱাহাটী বিশ্ববিদ্যালয়লৈ যাব লগীয়া হৈছিল। সেই সময়ৰ এদিনাখনৰ এটি সৰু কথাই মোৰ মনত গভীৰ ৰেখাপাত কৰিছিল। পিতাৰ লগত ময়ো বিশ্ববিদ্যালয়লৈ গৈছিলো সিদিনা। গাড়ী ড্ৰাইভাৰে চলাইছিল। জৰুৰী সভা এখনত অংশগ্ৰহণ কৰিছিল পিতাই। প্ৰায় চাৰি ঘন্টামান আলোচনা হোৱাৰ পিছত সভাত চাহৰ যোগান ধৰা হৈছিল।

অসম সাহিত্য সভাৰ চত্বাৰিংশ ৰঙিয়া অধিবেশন



সভা মণ্ডপৰ সন্মুখত শ্বহীদ-স্তম্ভ উন্মোচন কৰোঁতে শৰ্মাদেৱ



মুকলি অধিবেশনৰ সভাপতিৰ আসনত শৰ্মা ডাঙৰীয়া।
তেখেতৰ সোঁফালে ( পিছ মুখ দি ) বিদায়ী সভাপতি হেম বৰুৱা।

মই তেতিয়া সৰু আছিলো। এজন লোক আহি মোকো মাতি নি চাহ খাববৈল দিছিল। চাহৰ কাপ হাতত লৈ পিতাই পিয়ন এজনক মাতি আনি কৈছিল, "হেৰা, মোৰ গাড়ীত ড্ৰাইভাৰজন আছে। তাক এই টকাটো দিবা আৰু চাহ খাবলৈ ক'বা।" পিতাৰ এই কথা শুনি সভাত সমৱেত সকলো লোক আচৰিত হৈছিল। কোনোবা এজনে কৈছিল - "শৰ্মা, আপুনি বৰ সাংঘাতিক মানুহ হে, আমাৰোতো গাড়ীৰ ড্ৰাইভাৰ আছে, কিন্তু ড্ৰাইভাৰৰ কথা আমাৰ দেখোন এবাৰো মনলৈ অহা নাই।"

পিতাৰ সান্নিধ্যত অহৰহভাৱে থকা বাবে এনে ধৰণৰ অলেখ ঘটনাৰ মই সাক্ষী হৈ পৰিছিলো। আৰ্য বিদ্যাপীঠ কলেজৰ পিয়নবোৰকো পিতাই খুব ভাল ব্যৱহাৰ কৰিছিল। কেতিয়াবা কাৰোবাৰ অসুখ- বিসুখ হোৱা শুনিলে নিজে ঘৰলৈ গৈ খা-খবৰ লৈছিল আৰু উপযুক্ত দিহ–পৰামৰ্শ আৰু সাহায্য আগবঢ়াইছিল। তেওঁলোকেও পিতাক যথেষ্ট শ্ৰদ্ধা কৰিছিল আৰু তেওঁলোকক দিয়া কামবোৰ পিতা সন্তুষ্ট হোৱাকৈ কৰিবলৈ সদায় যত্ন কৰিছিল। ভাবিলে আচৰিত লাগে, যিদিনা পিতাৰ মৃত্যু হয় সেইদিনা ৰাতি ন বজাত কলেজৰ বাহাদুৰে (ছবিলাল) পিতাক চাবলৈ আহিছিল। তেতিয়া তিনিজনমান ডাক্তৰে পিতাক পৰীক্ষা কৰি আছিল। তাৰ মাজতে বাহাদুৰক দেখি পিতাই কৈছিল, "বাহাদুৰ আহিছ! মোৰ অসুখ বেছিয়েই হল।" মূকআৰ্ত হৈ চকুপানী টুকিটুকি সি নীৰৱে আঁতৰি গৈছিল।

পিতাৰ সান্নিধ্যলৈ অহা যিকোনো লোকেই অতি কম সময়ৰ ভিতৰতে পিতাৰ আপোন হৈ পৰিছিল। সমাজত এনে ধৰণৰ লোকো আছে যিয়ে আনৰ ভাল হোৱাটো কেতিয়াও সহ্য কৰিব নোৱাৰে। তেনে লোকৰ লগত কোনো ধৰণৰ সম্পৰ্ক নাৰাখিবলৈ আমি বাৰে বাৰে কৰা অনুৰোধো পিতাই প্ৰত্যাখ্যান কৰিছিল আৰু তেনে লোকৰ সুস্থ মানসিকতা গঢ়িবলৈ যত্ন কৰিছিল।

পিতা অকল মোৰ বা আমাৰ পৰিয়ালৰেই যে এক আদৰ্শৰ প্ৰতীক সেইটো নহয়। সমাজৰ এক বৃহৎ অংশৰ বাবে তেখেতে আছিল আদৰ্শৰ

প্ৰতীক। জীৱনত যথেষ্ট কষ্ট স্বীকাৰ কৰি সমাজত প্ৰতিষ্ঠা লাভ কৰিছিল। সেয়েহে যি সকল শ্ৰমবিমুখ নহয়, যিয়ে কষ্ট স্বীকাৰ কৰিবলৈ সকলো সময়তে ৰাজী তেওঁলোকক পিতাই সদায় মৰম-চেনেহ কৰি দিহা-পৰামৰ্শ দিছিল আৰু আগুৱাই যাবলৈ অনুপ্ৰেৰণা যোগাইছিল। পিতাৰ আদৰ্শৰে অনুপ্ৰানিত অজস্ৰ গুণমুগ্ধ অসমৰ চুকে-কোনে লগ পাইছো। আজিও অনেকে পিতাৰ পৰা পোৱা উপকাৰৰ কথা অকপটে স্বীকাৰ কৰে। অনেকেই কয়, "সৰু তোমাৰ পিতা থাকোঁতে কিহলৈ ভয় কৰিছা? কিয় চিন্তা কৰিছা? আমাৰ জীৱন তেখেতেই গঢ়ি দিছে, যাৰ ফলত এজন মানুহ হৈ সমাজত থিয় হব পাৰিছো। নহ'লে হাইস্কুলৰ দেওনা পাৰ নহওঁতেই শিক্ষা সামৰিব লাগিলহেঁতেন। তেখেত আমাৰ জীৱনৰ গুৰু। তোমালোকেও গুৰু বুলি মানিবা। সকলো সমস্যাৰ সমাধান হাততে পাবা।" বহু মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা বিভিন্ন দৃষ্টি-ভঙ্গীৰ ৰাজনৈতিক নেতা লগ পাইছো। সকলোৰে পিতাৰ মানৱীয় গুণবাজি, অধ্যবসায় আৰু কৰ্মময় জীৱনৰ ভূয়সী প্ৰশংসা কৰে।

এটা নামঘৰত উচ্চ মাধ্যমিক বিদ্যালয়ৰ দুটামান শ্ৰেণী আৰম্ভ কৰি শেষত সেই সময়ত পাণ্ডৱবৰ্জিত স্থানত বিল পুতি এখন পূৰ্ণ পৰ্যায়ৰ উচ্চতৰ বহুমুখী বিদ্যালয় (আৰ্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়) পিতাই স্থাপন কৰা আমি নিজ চকুৰে দেখিছো। সেই চৌহদতে পিতাই এখন পূৰ্ণাংগ কলেজো স্থাপন কৰি অসমৰ লগতে সমগ্ৰ উত্তৰ-পূব ভাৰতৰ শিক্ষা জগতত এটা নতুন বিপ্লৱৰ সূচনা কৰিছিল। পিতাই অশেষ কষ্ট আৰু যত্নেৰে কলেজখনত স্নাতকোত্তৰ শ্ৰেণী পৰ্যন্ত খুলি সকলোকে অবাক কৰিছিল। এইবোৰ ভাবিলে এতিয়াও সপোন যেন লাগে। শিক্ষাদানৰ প্ৰতি আগ্ৰহী উপযুক্ত ব্যক্তিক পিতাই আদৰেৰে কলেজলৈ আমন্ত্ৰণ কৰি আনিছিল। শিক্ষকসকলৰ মাজৰ পৰা পিতাৰ উত্তৰসূৰী যোগ্য ব্যক্তি গঢ়ি তুলিবলৈ যত্ন কৰিছিল, যিয়ে পিতাৰ অৱসৰ গ্ৰহণৰ পিছত পিতাৰ দায়িত্ব নিষ্ঠা সহকাৰে বহন কৰিব পাৰে। কিন্তু এচাম স্বাৰ্থান্বেষী লোকে পিতাৰ এই মহৎ প্ৰচেষ্টাক

পদে পদে বাধা দিবলৈ চেষ্টা কৰিছিল। কিন্তু পিতাৰ সদিচ্ছা আৰু সৎ সাহসৰ সমুখত এই লোকসকল পৰাভূত হৈছিল। মৰমেৰে বুকুত সাবটি লোৱা দুই-এজন লোকে শেষ অৱস্থাত পিতাক ভুল বুজিছিল। কিন্তু পিতাই সদায় তেওঁলোকৰ মঙ্গল কামনা কৰিয়েই গ'ল।

আৰ্য বিদ্যাপীঠ অনুষ্ঠানটো আছিল পিতাৰ প্ৰাণৰো আপোন। আৰ্য বিদ্যাপীঠ চৌহদটো দেখিলে ভাব হয় - পিতা যেন সেই চৌহদৰ মাজতে ক'ৰবাত আছে। হয়তো কোনো শ্ৰেণীত সোমাই ছাত্ৰক ধমক দিছে। কোনো ছাত্ৰই যাতে অসুবিধা নাপায় তাৰ বাবে চকু দিবলৈ শিক্ষকসকলক বাৰে বাৰে সোঁৱৰাই দিছে। তেখেতে আৰ্য বিদ্যাপীঠৰ কামৰ মাজত এনেদৰে সোমাই পৰিছিল যে খোৱা-লোৱাৰ কথাও পাহৰি গৈছিল। কোনোবাই মনত পেলাই দিলে কলেজৰ পৰাই মাক ফোন কৰি ভাত বাঢ়িবলৈ কৈছিল আৰু আহি ভাত খাই থিয়ৈ থিয়ৈ তামোল এখন মুখত ভৰাই পুনৰ কলেজ পাইছিলগৈ। কেতিয়াবা আকৌ হঠাতে দুই-চাৰিজন মানুহ লৈ আহিছিল আৰু খুৱাই-বুৱাই লৈ গৈছিল। পিতাই ৰবিবাৰেও কলেজলৈ গৈ অফিচৰ কাম কৰিছিল । কলেজৰ সন্মুখতে থকা চেলুনখনৰ পৰা নাপিত মাতি আনি বাৰাণ্ডাতেই ডাঢ়ি খুৱাইছিল। আনকি কেতিয়াবা আধা ডাঢ়ি কটা অৱস্থাতে উঠি গৈ অফিচৰ মানুহক জৰুৰী কামৰ পৰামৰ্শ দিছিল। সেয়েহে ভাব হয় পিতা যেন আৰ্য বিদ্যাপীঠ নামৰ অনুষ্ঠানটোৰ মাজতে চিৰবিদ্যমান। এই অনুষ্ঠানৰ অনিষ্টকাৰীক পিতাৰ আত্মাই কেতিয়াও ক্ষমা নকৰে।

১৯৭০ চনত মই বিজ্ঞানৰ স্নাতক ডিগ্ৰী পাইছিলো। স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ বাবে মোৰ প্ৰবল ইচ্ছা আছিল কিন্তু দুৰ্ভাগ্যবশতঃ মোৰ প্ৰিয় বিষয় ৰসায়ন বিভাগত চিট নাপালো। শেষত অংক বিভাগত নাম ভৰ্তি কৰিছিলো যদিও বিষয়টোত মোৰ বিশেষ ৰাপ নথকা বাবে আৰু আগ নাবাঢ়িলো। সৰুৰে পৰা চাকৰি-জীৱনৰ প্ৰতি মোৰ কোনো আৰ্কৰ্ষণ নাছিল। নিজৰ কাৰবাৰৰ জৰিয়তে স্বাৱলম্বী হৈ চলাৰ দুৰ্বাৰ ইচ্ছা আছিল। অৱশ্যে প্ৰথমতে মই সাহসো কৰিব পৰা নাছিলো। ব্যৱসায় বংশগত ধাৰাবাহিকতা

আৰু আমাৰ বংশত ব্যবসায় কৰা কোনো লোক নাছিল। সকলো শিক্ষা বিভাগৰেই চাকৰিয়াল। মোৰ পিতৃদেৱ আছিল সম্পূৰ্ন বেলেগ ধৰণৰ। তেওঁ আমাৰ ইচ্ছাৰ বিৰুদ্ধে কোনোদিনেই মাত মতা নাছিল ; বিশেষকৈ কিবা এটা কৰিবলৈ আগ বাঢ়িলে কোনোদিনেই হকা-বধা কৰা নাছিল। এদিন মই পিতাক কৈছিলো, "মই এম.এছ.ছি পঢ়ি একেবাৰে ভাল পোৱা নাই। এনেয়ে দুটা বছৰ লোকচান কৰাতকৈ কিবা এটা কাৰবাৰেই কৰিম বুলি ভাবিছো।" পিতায়ো মোক নিৰাশ কৰা নাছিল। সেয়েহে মই এটা মটৰ গেৰেজ আৰম্ভ কৰিছিলো। ব্যৱসায় কৰিবলৈ মানা নকৰিলেও গেৰেজৰ ব্যবসায় কৰাটো পিতাৰ মনঃপূত হোৱা নাছিল। কিন্তু মোৰ ওপৰত থকা গভীৰ বিশ্বাসৰ বাবে একো কোৱা নাছিল। পিতাই জানিছিল-মই কোনোদিনেই বেয়া কাম নকৰো। তেওঁৰ লক্ষ্য আছিল এটা আধুনিক ছপাশাল খোলা আৰু তেওঁৰ অতি বিশ্বাসী ল'ৰা এই সৰুক ছপাশালৰ দ্বায়িত্ব অৰ্পণ কৰা। গেৰেজ আৰম্ভণিৰে তেওঁ মোক এইটোকে শিকিবলৈ দিছিল-"What is business?" সচাঁকৈয়ে মই আজি স্বীকাৰ কৰিছো যে গেৰেজ চলোৱা মাত্ৰ দুটা বছৰতে মই ব্যৱসায় সম্পৰ্কে বহুত কিবাকিবি শিকি পেলাইছিলো। ব্যৱসায় আচলতে এটা বেলেগ বস্তু, সেয়া এখন সম্পূৰ্ন বেলেগ ৰাজ্য। ইয়াত প্ৰৱেশ নকৰাকৈ এই কথা কোনেও উপলব্ধি কৰিব নোৱাৰে।ব্যৱসায়ৰ আটাইতকৈ ডাঙৰ কথা - মানুহৰ লগত কৰা ব্যৱহাৰ। কিন্তু ইয়াক কিতাপ পঢ়ি আয়ত্ত কৰিব নোৱাৰি। জীৱনৰ অভিজ্ঞতাৰ দ্বাৰাহে ইয়াক আহৰণ কৰিব পাৰি।

অৱসৰ গ্ৰহণৰ দুবছৰ আগতে পিতাই বহুদিনৰে পৰা সাঁচি থোৱা মনৰ কল্পনা প্ৰকাশ কৰিছিল।পিতাৰ কল্পনাৰ বিষয়ে জানিব পাৰি মোৰ বৰ ভাল লাগিছিল আৰু তেওঁৰ উপদেশ মতেই মই গেৰেজৰ কাম বাদ দি ছপাশালৰ দায়িত্ব লবলৈ স্থিৰ কৰিছিলো। তেতিয়াৰ ইউ বি আইৰ এজেন্ট গিৰিশ কাকতিদেৱৰ সহায়ত পিতাই ঋণৰ ব্যৱস্থা কৰিছিল আৰু মোক লৈ কলিকতা পাইছিল। তাত ছপাশাল আৰু ইয়াৰ লগত জড়িত বহু মানুহৰ লগত মোক চিনাকি কৰি দিছিল। কলিকতাৰ Eastern Type Froundry

নামৰ প্ৰতিষ্ঠান এটাৰ লগত ছপাশালৰ মেচিনৰ বাবে কথা পাতিছিলো। তেওঁলোকেও মেচিন দিবলৈ সন্মতি প্ৰকাশ কৰিছিল। ছপাশালৰ কাম-কাজৰ বিষয়ে কিছু আভাস লবলৈ প্ৰায় এমাহৰ বাবে পিতাই মোক কলিকতাত এৰি আহিছিল। ঘূৰি আহি পদূলিমুখ পায়েই মই অবাক হৈ গৈছিলো। ঘৰৰ সমুখত থকা চোতালৰ দৰে খোলা ঠাইখিনিত ছপাশালৰ বাবে এমাহৰ ভিতৰতে এটা ঘৰ সজা হৈছিল। যদিও পিতাৰ কামৰ গতি মই জানিছিলো, তথাপি ক্ষন্তেকৰ কাৰণে থমকি ৰৈছিলো। তেওঁৰ মনৰ বল আৰু কামৰ গতিয়ে মোক দুগুণে উৎসাহিত কৰিছিল। ঘৰত প্ৰৱেশ কৰাৰ আগতেই পিতাৰ মনৰ কামনা পূৰ্ন কৰিবলৈ মই দৃঢ়প্ৰতিজ্ঞ হৈ গৈছিলো। সময়ত কলিকতাৰ পৰা ছপাশালৰ যন্ত্ৰপাতি লগতে এইবোৰ ঠিক কৰি স্থাপ'ন কৰা কাৰিকৰ আহিল আৰু এদিন ছপাশালৰ কাম আৰম্ভ হ'ল। চাকৰি- কালত পিতাই কলেজৰ কামতে অধিক সময় পাৰ কৰিছিল বাবে ছপাশালৰ কাম-কাজত মনোযোগ দিব পৰা নাছিল। আৰাম বোলা শব্দটো পিতাৰ বাবে আছিল অত্যন্ত যন্ত্ৰণাদায়ক। কৰ্মই জীৱন। এই বাণীকেই সাৰোগত কৰি পিতাই আমৃত্যু জীৱনৰ লগত অবিৰত সংগ্ৰাম কৰি গৈছিল। বিছনাত পৰি থকাটো পিতাই এক প্ৰকাৰ শাস্তি বুলিয়েই অনুভৱ কৰিছিল। সেয়েহে প্ৰায়েই ভগৱানক খাটিছিল, "প্ৰভু, মোক যেন এদিনো বিছনাত পেলাই নাৰাখা। কাম কৰি থাকিব পৰা অৱস্থাতেই যেন তোমাৰ ওচৰলৈ লৈ যোৱা।" ভগৱানো তেওঁৰ প্ৰতি সদয় হৈছিল আৰু মনৰ আশা পূৰণ কৰিছিল। কলেজৰ পৰা অৱসৰ গ্ৰহণৰ পিছত কৰ্মময় জীৱনৰ শেষ লগনত পিতাই মনোকষ্ট পাব বুলি আমাৰ সন্দেহ হৈছিল। কিন্তু তেওঁ নতুন উদ্যমেৰে ছপাশালৰ কামত মনোনিবেশ কৰি অতি কম সময়ৰ ভিতৰতে ছপাশালৰ সমস্ত কাম-কাজৰ খুটি-নটি বুজি লৈছিল। মেচিনমেন, প্ৰুফৰীডাৰৰ পৰা বাইণ্ডাৰলৈ পিতাই সকলোৰে লগত সু-সম্পৰ্ক ৰাখিছিল আৰু প্ৰতিটো কামেই যত্ন সহকাৰে নিৰ্দিষ্ট সময়ৰ ভিতৰত শেষ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। জৰুৰী কাম-কাজৰ সময়ত পিতায়ো বহু নিশালৈ ছপাশালতে থাকিছিল। বাৰম্বাৰ

অনুৰোধ কৰাৰ পিছত শুবলৈ গৈছিল যদিও কিছু সময়ৰ পিছতে পুনৰ ছপাশালত উপস্থিত হৈছিল। ছপাশালৰ কৰ্মচাৰীখিনিৰ সুবিধা-অসুবিধা খোৱা-লোৱাৰ প্ৰতি মই সদায় সচেতন আছিলো। তথাপি পিতাই ৰাতি বাৰ বজাতো আহি সোধে - ইহঁতে কিবা খালেনে? খোৱাৰ পিছতো কেতিয়াবা ঘৰৰ পৰা ৰুটি ভাজি আনিবলৈ নিৰ্দেশ দিয়ে। কৰ্মচাৰী খিনিয়ে যাতে কষ্ট নাপায় তাৰ বাবে পিতা সদায় সচেষ্ট থাকিছিল। আৰ্য বিদ্যাপীঠক যেনেদৰে শ্ৰেষ্ঠ শিক্ষাপীঠ হিচাবে গঢ়ি তুলিছিল, আমাৰ ছপাশালটোও তেনেধৰণে গঢ়ি তুলিবলৈ যত্ন কৰিছিল। ৰাতিপুৱা ছপাশাল খোলাৰ লগে লগে কম্পোজ, মেচিন আৰু বাইণ্ডিং বিভাগৰ মুৰব্বীসকলক মাতি আনি সকলো কামৰ খুটি-নটি বুজি লৈছিল আৰু কামখিনি ঠিকমতে ভগাই দিছিল। নিজেও সকলো কাম এখন বহীত লিখি লৈছিল আৰু প্ৰাথমিকতা অনুযায়ী কামবোৰ যাতে সুচাৰুভাৱে কৰিব পৰা যায় তাৰ প্ৰতি নজৰ ৰাখিছিল। বিশেষকৈ Text Book Corporation ৰ কামৰ প্ৰতি আছিল অতি বেছি চিৰিয়াছ। কাৰণ সেইবোৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ কিতাপ। Text Book Corporation-ৰ নিয়ম হৈছে - বিভাগটোৱে কিতাপবোৰ ছপাশালত দিওতে এটা নিৰ্দ্ধাৰিত সময় বান্ধি দিয়ে আৰু বান্ধি দিয়া সময়ত কিতাপ জমা দিব নোৱাৰিলে ছপাশালবোৰে জৰিমনা ভৰিব লাগে। আমি জৰিমনা ভৰাৰ ভয়ত কিতাপবোৰ সময়মতে দিবলৈ যত্ন কৰিছিলো যদিও পিতাই কিন্তু জৰিমনাৰ কথা চিন্তা কৰা নাছিল। তেওঁৰ চিন্তা আছিল - কিতাপখিনি যদি সোনকালে দিব পৰা নাযায়, তেনেহলে ছাত্ৰ-ছাত্ৰীখিনিৰ সময়মতে পঢ়া-শুনা কৰাত বহুত অসুবিধা হ'ব। সেই কাৰণে নিৰ্দ্ধাৰিত সময়ৰ আগতেই কিতাপ ছপা কৰি বিভাগক জমা দিবলৈ যত্ন কৰিছিল আৰু সফলো হৈছিল। কেতিয়াবা এনেকুৱাও হৈছিল যে ৰবিবাৰ বা অন্য বন্ধৰ বাবে পাঠ্যপুথি নিগমৰ কাৰ্যালয়ৰ পৰা প্ৰিন্ট অৰ্ডাৰ দিয়া প্ৰুফ ঘূৰি নাহে। তেতিয়া পিতাই কাৰ্যালয়ৰ পৰা অহা প্ৰিন্ট অৰ্ডাৰৰ কাৰণে অপেক্ষা কৰি নাথাকি ৰাতি বাৰ বজালৈ ছপাশালত বহি প্ৰুফ চাই দিছিল। মানুহে আমাৰ ছপাশালত হোৱা ছপাৰ কাম ভাল হোৱা বুলি ক'লে

খুব আনন্দ বোধ কৰিছিল। কেতিয়াবা আমাৰ ঘৰলৈ অহা আলহী-অতিথিকো ছপাশালত হোৱা কামবোৰ দেখুৱাইছিল আৰু ছপাশালৰ কৰ্মচাৰী সকলে গুৰুত্ব সহকাৰে কাম কৰাৰ কাৰণে শলাগিছিল। কাম ভাল হ'লে পিতাই যেনেদৰে আনন্দিত হৈছিল তেনেদৰে কেতিয়াবা কিবা কাৰণত যদি ছপা বেয়া হয় তেতিয়া সকলো কৰ্মচাৰীকে খুব গালি পাৰিছিল। ভাল ছপাৰ ওপৰত গুৰুত্ব দি পিতাই কৈছিল, "কিতাপ যদি ল'ৰা-ছোৱালীয়ে পঢ়িবই নোৱাৰে তেনেহ'লে ছপা কৰি লাভ কি ?"

পিতাৰ গালি খাই বহুতো কাম নতুনকৈ ছপা কৰিব লগাত পৰিছিলো, যিবোৰ হয়তো আমি চলাই দিব পাৰিলোহেঁতেন! ফলত বহু ক্ষেত্ৰত লাভ হোৱাৰ সলনি লোকচানহে ভৰিবলগীয়া হৈছিল। পাঠ্যপুথি সংক্ৰান্তীয় বিষয়ত পিতাৰ দৃষ্টিভঙ্গী ব্যৱসায়িক নাছিল। কেতিয়াবা বিশেষ কাৰণত পাঠ্যপুথি নিগম বা অন্য প্ৰতিষ্ঠানৰ পৰা নিৰ্দ্ধাৰিত সময়তকৈ অধিক সময় বিচাৰিলে পিতাই বেয়া পাইছিল কিন্তু অসুবিধাৰ বিষয়ে সকলো কথা পাৰ্টিক কলেজৰ ছাত্ৰক কোৱাৰ দৰে খোলাখুলিকৈ কৈছিল।

ভাবিলে আচৰিত লাগে, পিতা ঢুকোৱাৰ কিছুদিন আগৰে পৰা তেওঁ প্ৰেছৰ হিচাপ নিকাচত বেছি জোৰ দিছিল। মোক সদায় কৈছিল, "সৰু, হিচাপ সদায় ঠিক ৰাখিবি। ব্যৱসায়ত হিচাপেই আচল বস্তু।" শেষৰ পিনে পিতাই নিজে প্ৰেছৰ হিচাপ লিখিব লৈছিল আৰু খুব কম সময়ৰ ভিতৰতে হিচাপৰ কাম শেষ কৰিছিল। পিতা ঢুকোৱা বছৰটোৰ মাত্ৰ দুমাহ মানৰ কামহে পিতাই শেষ কৰিব নোৱাৰিলে। তেখেতৰ গা বেয়াৰ ফালে ঢাল খোৱা সময়তো মাজে মাজে প্ৰেছত বহিছিল। মেনেজাৰ ভট্টক প্ৰায়েই কৈছিল, "ভট্ট, তুমি মোক সোনকালে তোমাৰ হিচাপখিনি দিয়া। দুমাহমানৰ হিচাপ বাকী। এইখিনি শেষ কৰিব পাৰিলে এই বছৰৰ হিচাপ সম্পূৰ্ণ হৈ যাব।" ভট্ট নানা কামত ব্যস্ত থকা বাবে সময়মতে লাগতিয়াল ৰচিদ-পাতি ছপাশালত জমা দিব পৰা নাছিল। পিতাই মোকো কৈছিল, "ভট্টক মই হিচাপখিনি সম্পূৰ্ণ কৰি দিব কৈ আছো। তেওঁ বোধ হয় সময় পোৱা নাই।

কোনোমতে এই বছৰৰ হিচাপটো ঠিক কৰি দিব পাৰিলে ভাল আছিল। এবাৰ মই ঠিক কৰি দিলে পিছত তইঁতে সকলো কৰিব পাৰিবি।" কিন্তু পিতাই বছৰটোৰ হিচাপ শেষ কৰিব নোৱাৰিলে। শেষ দায়িত্ব মোৰ কান্ধতেই অৰ্পণ কৰি চিৰদিনৰ বাবে শান্তিধামলৈ গুচি গ'ল।

পিতা বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ আছিল। সমাজৰ বিভিন্ন জাতৰ বিভিন্ন শ্ৰেণীৰ লোকৰ লগত আত্মীয়তা গঢ়ি তুলিছিল আৰু আদি-অন্তহীন লোকৰ নাম-ঠিকনা তেওঁৰ নখ দৰ্পণত আছিল। কিছুমান কাম পিতাই আনক কোৱাৰ আগতে দহবাৰ বিচাৰ-বিবেচনা কৰি চাইছিল আৰু উচিত বুলি বিবেচিত হ'লে অকস্মাতে সংশ্লিষ্ট লোকৰ আগত উল্লেখ কৰিছিল। মোৰ বিয়াৰ প্ৰস্তাৱটোও পিতাই উত্থাপন কৰিছিল অকস্মাতে। তেনেকুৱা এটা মুহূৰ্তৰ সন্মুখীন হ'ম বুলি মই কেতিয়াও ভবা নাছিলো। ছোৱালী চাই সকলো খা-খবৰ কৰি সন্তুষ্ট হোৱাৰ পিছতে মাক আৰু মোক জনাইছিল। বিয়াও পতা হৈছিল খুব ধুমধামকৈ। পিতাৰ বাইজৰ লগত থকা সু-সম্পৰ্কৰ বাবে এটা সময়ত ৰভাথলীত বিৰ দি বাট নোপোৱা অৱস্থা হৈছিল। পিতাৰ প্ৰতি মানুহৰ মৰম আৰু শ্ৰদ্ধা যে অসীম আছিল তাক সেইদিনাই আৰু বেছিকৈ উপলব্ধি কৰিব পাৰিছিলো। পিতাই ৰভাস্থলীত উপস্থিত হোৱা প্ৰতিজন লোকক হাঁহিমুখে মাত লগাইছিল আৰু খোৱা-বোৱাৰ খবৰ কৰিছিল। গোটেই দিনটো লৰা ঢপৰা কৰাৰ পিছতো পিতাৰ মুখত ক্লান্তিৰ লেশমানো ভাব প্ৰকাশ পোৱা নাছিল।

মহাবিদ্যালয়ৰ দায়িত্ব, ৰাজহুৱা দায়িত্ব আৰু ছপাশালৰ কামৰ পিছতো ঘৰখনৰ সকলো খবৰ ৰাখিছিল। দীপালীকো (মোৰ পৰিবাৰ) পিতাই নিজৰ ছোৱালীৰ দৰেই মৰম কৰিছিল আৰু ঘৰুৱা কাম-কাজৰ বাবে যাতে কষ্ট নাপায় তাৰ প্ৰতি নজৰ ৰাখিছিল। কেতিয়াবা দীপালী কামত ব্যস্ত থাকিলে টিংকুক (মোৰ ল'ৰা) কোচত বহুৱাই লৈয়েই পিতাই ছপাশালৰ প্ৰুফ চাই দিছিল। পিতা আছিল সৰ্বব্যাপ্ত। তেওঁৰ ব্যাপ্ততা যেন এতিয়াও আমাৰ ঘৰত আমাৰ হৃদয়ত বিৰাজমান।

চিকিৎসক, পৰিয়ালৰ লোক আৰু বন্ধু-বান্ধৱ সকলোৱে পিতাক বিশ্ৰাম লোৱাৰ বাবে অনুৰোধ কৰিছিল। কিন্তু কাৰো অনুৰোধ নামানি তেওঁ পুনৰ কামত লাগি গৈছিল পূৰ্বৰ উদ্যমেৰে। এইবাৰ পিতাৰ শাৰীৰিক অৱস্থা অতি দুৰ্বল হৈ পৰিছিল, কিন্তু মনোবল অটুট আছিল।

মৃত্যু শাশ্বত, মৃত্যু চিৰন্তন। ইয়াক ৰোধ কৰাৰ শক্তি কাৰো নাই। আমিও পিতাক জীয়াই ৰাখিব নোৱাৰিলো। পিতাই আমাক এৰি গ'ল। কিন্তু দি গ'ল এটা আদৰ্শ। কৰ্মৰ মহান প্ৰেৰণা। পিতাৰ পবিত্ৰ স্মৃতিত অভাগা সন্তানে যাচিছো ভক্তিৰ অশ্ৰু অঞ্জলি।

# ১৯৬৭ চনৰ সদৌ অসম অধ্যক্ষ পৰিষদৰ মুকলি অধিৱেশনত গিৰিধৰ শৰ্মাদেৱে প্ৰদান কৰা সভাপতিৰ অভিভাষণ

## All Assam Principals' Council.
## Open Conference 4th October, 1967 : 7 P.M.
### ARYA VIDYAPEETH COLLEGE, GAUHATI.

Welcome Address by the Principal, Arya Vidyapeeth College Gauhati.

**Mr. President, Hon'ble Chief Guest, Member-Principals of the Council, Ladies and Gentlemen present.**

As the Principal of the College where the annual conference of the council is being held, I, at the very outset express my joy at having this opportunity to welcome you all. Since I happen to be the Secretary of the council too, I must, in fact, play the double role of the Secretary and the host throughout the conference.

I am glad to note here that many distinguished guests have graced the first ceremoniously held conference of our council by their presence. I welcome the Hon'ble Vice-Chancellor of Gauhati University, the Director of Public Instruction, Assam, the Principals of different colleges of the State and all other guests who have been kind enough to accept our invitation to be present in this open conference.

The Principals' Council was established with a purely academic objective in view. As persons connected with higher education in its practical aspects, the Principals have, we feel, an important role to play in the field of education, and unless there is a common forum for all of them to meet and discuss things, they may not be able to do anything concrete for the improvement of education in the State as a whole. With such things in our mind we established the Principals' Council. Its aims were to strive for and contribute towards all-round improvement of education in the State, in general, and of higher education in particular, to work for

raising the efficiency in teaching and administration, to improve the standard of discipline in the colleges of Assam, to extend full co-operation to the Universities by playing an effective role in all matters concerning academic policies and programmes, and to establish friendly relations with and extend co-operation to other teachers' organisations and associations striving for similar aims and objects inside and outside the State.

The Universities in modern times are the torch-bearers in the world of education, and education is the guiding force behind progress in all spheres scientific, cultural and spiritual. The future of the country depends upon the education we give to the young men and women at present. Therefore, the educationists must always try to maintain the standard of education and in no circumstances must allow its deterioration. There is no doubt that it is the duty of the University to formulate the policies of higher education and to translate them into action. But these policies have direct bearing upon the affililiated colleges which can be regarded as smaller units of the University itself. Here arises the necessity of active co-operation and participation of the teachers of the affiliated colleges in all-round development of higher education. In fact, the whole structure of education down from the primary stage upto the post-graduate level is a composite whole and, therefore, the process of imparting instruction in all stages is a continuous one. So proper co-ordination between different stages is essential. As such we must always keep in mind the necessity of maintaining a link between secondary and collegiate education on one hand, and collegiate and post-graduate education on the other.

Moreover, as Principals of different colleges of the State, we should concentrate our attention to the improvement of collegiate education and, in doing so, should take into consideration the standards of secondary and post-graduate levels. Because, while we have to deal with products of secondary schools, we must produce students fit for post-graduate education, and teachers fit for secondary schools.

In different stages of education, stress must be laid on different things according to the psychological growth of a student. At the collegiate level emphasis must be given on understanding and not on memorisation. After all, the act of giving

a student mere information is not education. Education must bring out the inner potentialities of a student. He must be able to digest and assimilate the things he is given and to think and make conclusions about them himself. To acquire this, a student needs intensive practice under the constant guidance of his teacher. The present system of delivering lectures before a large number of students in not sufficient in this regard. Tutorial works, group-discussions and seminars should go side by side with the general classes.

In tutorial classes the teacher has the opportunity to know the needs of the individual students and, therefore, can give them concrete help. In degree classes, particularly in Honours classes, group-discussions and paper-wise seminars, if regularly held, will be of immense help for the student. He then find the opportunity to express their own opinions about the topic under discussion and to discuss it freely and openly with the teachers and his fellow-students. In this process the subject becomes clear to the student and he also develops his faculty of thinking and of expressing. Group-discussions and seminars should be regarded as regular routine-work particularly in the Honours classes and not as rare occasions of grandeur and ceremony. The method of giving credit to a student for his performances in the tutorial classes or the seminars is, to my mind, a sound one, and we, in fact, have been following it since a few years back. This makes the student serious in his tutorial classes or seminars and prompts him to take active part in them. In this connection, I may be allowed to refer to another method which, along with the one already mentioned, helps lessen the importance of only one examination in promoting a student to the next higher class or sending him to the University examination. This is the practice of carrying over a certain percentage of marks from the so-called terminal examinations for the final assessment in the examination at the end of an academic session. This system of giving importance to tutorial works or seminars and all the examinations held during the session has a very good effect upon the students : it keeps them engaged in study throughout the session. In the general colleges the students, particularly the arts students lack

seriousness of purpose and take their studies rather in a leisurely way. These measures may help to a large extent, in keeping the students engaged in their studies from the beginning to the end of the session.

Education, in all its spheres, is in a state of change today. We have felt the necessity of a change in the whole pattern of education and its policies and, attempt has already been made at the highest level to effect such a change. All of us must contribute our mite to bring about this revolution in education avoiding cautiously any possible chaos and confusion. But frequent changes in syllabi, rules and regulations etc. done by different Universities, and Boards without proper thinking may adversely affect education. I am of the opinion that such changes should be effected very carefully after due consultion with the persons in the actual working field.

The Present-day world of knowledge is a fast-changing one. To keep themselves abreast of the recent advancement of knowledge in their subjects, the teachers should have the opportunity to attend some short training or reorientation course now and then. The Summer Institutes organised annually have been providing much help to a few teachers of certain subjects. But only a few subjects have been covered under this Scheme. The University can arrange such courses on all the subjects during vacation and the teachers of affiliated colleges may thereby be given the chances of acquainting themselves with the modern trends of the subject as well as to refresh their knowledge on the content of the subject by turn.

In the absence of any specific training for college teachers such courses will prove helpful both in widening the mental horizon of the teachers in the subjects concerned and in enlightening them in the new methods of imparting instructions in those subjects.

You are all aware of the present controversy over the medium of instruction in the Universities. However, it is no longer a controversial matter for us, because we have already accepted the principle of phased changeover of the medium to the regional languages. Now we must prepare the ground for this switchover. For this purpose the University should make an eleborate plan in consultation with the affiliated colleges for preparation of suitable

text and reference books. Proper persons should be engaged in these tasks without further delay.

I wish to draw here your attention to the state of affairs in collegiate education of Assam, which is certainly not such as to be complacent with. There is scope for improvement and things may deteriorate if proper actions are not taken right now. The growth of educational institutions in the State has not been in a planned way. The University may take care at least of the collegiate education in its growth and development. A high-power committee should be constituted by the University with proper representation to study the present state of affairs in collegiate education and to prepare a comprehensive scheme for its improvement. This scheme when completed may be submitted to the State Government and the University Grants Commission for proper action.

This committee will ascertain how many undergraduate colleges should be established during the coming five years in Arts, Science and Commerce, what amount of money will be required for maintaining their proper standard, how to get the resources for the purpose and such other relevant things. This Committee will also examine the performances of the existing colleges in various aspects. The policy of University and Government in this matter should be to encourage the Colleges which have been consistently doing good work.

We, as administrative heads of the colleges, cannot overlook the problems of administration too. We have to perform our administrative duties under the Governing Body, the University and the Government. There should be proper co-ordination anongst them so that status, powers and limitations of Principals become well-defined. They also should give a thought to the questions of recruitments, Service conduct rules, the security of service and retirement benefits and the financial position of the colleges, and should see if some ways and means can be found out for the improvement of these matters.

The problem of student indiscipline has been engaging the attention of the educationists during the past few years. While this indiscipline in symptomatic of the general unrest in the country, the lack of proper facilities in the educational institutions, insecurity about their future after the completion of their students

and such other things are no less responsible for it. We may try to eliminate the causes of indiscpline by infusing in the students a feeling of love for the institution and by establishing a closer relation between the teachers and the taught. If we can keep the students engaged in productive and recreational works, the indiscipline among students, will, at least, be lessened, if not completely removed. We may also form some committees, associations and clubs with student-members giving them certain responsiblities for checking acts of indiscipline amongst their fellow-students. This kind of faith in their good sense and recognition of their good work will make them more responsible and they will help the authority in maintaining, proper discipline amongst students. In this connection I feel, moral teachings are useful for the students of all stages.

I also wish to note more with gratitude the contribution of the generous public in the growth of collegiate education in Assam. But for their help many colleges would not have been what they are now. I take this opportunity to express my thanks to all of them.

Mr. President, Hon'ble Chief Guest, Ladies and Gentelmen present, I have taken much of your valuable time in my welcome address. I could not resist the temptation of expressing before such a distinguished gathering some of my thoughts that came to my mind in connection with the preparation for this conference of the Principals' Council. I do feel, that we, who have been engaged in the field of education, should put our heads together to do something for the betterment of education in the State.

With these words, I, once again, welcome you all to this annual conference of the all Assam Principals' Council.

Thanking you all.

Gauhati
The 4th October, 1967

Giridhar Sarma
Principal,
Arya Vidyapeeth College, Gauhati
&
Secretary, All Assam Principals' Council.

# শৰ্মাদেৱৰ জীৱনৰ বিশেষ ঘটনা-পঞ্জী

১৯১২ চনৰ ৩০ জুলাই (১৮৩৪ শকৰ ১৪ শাওণ)—জন্ম, ককয়া গাঁৱত

১৯২০ চন — পিতৃ বিয়োগ

১৯২৫ চন — প্ৰাথমিক স্কুল পৰীক্ষাত বৃত্তি লাভ (ককয়া নিম্ন প্ৰাইমাৰী স্কুল)

১৯২৯ চন — প্ৰথম বিভাগত মাইনৰ পৰীক্ষাত উত্তীৰ্ণ (চামতা এম. ই. স্কুল)

১৯৩৩ চন — তিনিটা বিষয়ত সন্মান (লেটাৰ) সহ প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত, উত্তীৰ্ণ (চামতা হাইস্কুল)

১৯৩৩ চনৰ ১- ১৫ জুলাই—গন্ধিয়া বালিকা প্ৰাইমাৰী স্কুলত শিক্ষ.কতা

১৯৩৩ চনৰ ১৬ জুলাই—গন্ধিয়া মজলীয়া স্কুলত শিক্ষকতা

১৯৩৫ চন — ককয়া কামদা চতুস্পাঠী (পিছত ললিতচন্দ্ৰ স্মৃতিতীৰ্থৰ টোল) ৰ পৰা সুখ্যাতিৰে ব্যাকৰণ- শাস্ত্ৰী উপাধি লাভ

— কাব্য বিয়য়ৰ আদ্য পৰীক্ষাত উত্তীৰ্ণ হৈ স্বৰ্ণ পদক লাভ

— বনগ্ৰাম গাঁৱৰ শ্ৰীমতী সাবিত্ৰীবালা দেৱীৰ লগত বিবাহ

— যোৰহাট নৰ্মাল স্কুলত অধ্যয়ন

১৯৩৭ চন — নলবাৰী ছোৱালী এম. ই. স্কুলত শিক্ষকতা

১৯৩৯-৪৯ — কহিমা স্কুলত এম. ই. আৰু শিৱসাগৰ, ধুবুৰী, উত্তৰ লক্ষ্মীমপুৰ স্কুলত আৰু গুৱাহাটী চৰকাৰী হাইস্কুলত শিক্ষকতা

১৯৪০ চন — কহিমাত থাকোঁতে প্ৰাইভেটকৈ পৰীক্ষা দি ১ম বিভাগত আই. এ. পাছ

১৯৪৩ চন — ধুবুৰী হাইস্কুলত কাম কৰোঁতে পাইভেটকৈ বি. এ. পাছ

১৯৪৮ চন — উত্তৰ লক্ষ্মীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কাম কৰোতে প্ৰাইভেটকৈ অসমীয়া বিভাগত ২য় শ্ৰেণীৰ ১ম স্থান লৈ এম. এ. পাছ


১৯৫০ চন — গুৱাহাটী সন্দিকৈ ছোৱালী কলেজত অধ্যাপনা

১৯৫০-৬২' চন — কটন কলেজত অধ্যাপনা

| | | |
|---|---|---|
| ১৯৫৮ চন | — | ৰিহাবাৰীত আৰ্যবিদ্যাপীঠ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী স্কুল স্থাপন |
| | — | ৰিহাবাৰীত আৰ্যবিদ্যাপীঠ মহাবিদ্যালয় স্থাপন |
| ১৯৭১ চন | — | সদৌ অসম লাইব্ৰেৰী সংঘৰ সম্পাদক |
| ১৯৭২-৭৩ চন | — | কামৰূপ সাহিত্য পৰিষদৰ সভাপতি |
| ১৯৭২ চন | — | মাধ্যম আন্দোলনৰ লগত সক্ৰিয়ভাৱে জড়িত |
| ১৯৭৩-৭৪ চন | — | অসম সাহিত্য সভাৰ সভাপতি |
| ১৯৭৩-৭৮ চন | — | কোচবিহাৰত থকা বৈকুণ্ঠপুৰ সত্ৰ-নিৰ্মাণত জড়িত |
| ১৯৭৫-৭৮ চন | — | ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ প্ৰান্তীয় সংঘ চালক |
| ১৯৫০-৭৮ চন | — | এই কালছোৱাৰ ভিতৰত শৰ্মাদেৱে উল্লিখিত অনুষ্ঠানসমূহৰ বাহিৰেও আন কিছুমান শিক্ষা-সংস্কৃতিমূলক অনুষ্ঠানৰ লগত সভাপতি, সম্পাদক বা সদস্যৰূপে নিবিড়ভাৱে জড়িত হৈ আছিল। তেনে কিছুমান অনুষ্ঠান হ'ল—ৰিহাবাৰী উন্নয়ন সমিতি, ৰিহাবাৰী নামঘৰ, দাস-ভ্ৰাতৃ ৰঙ্গমঞ্চ (১৯৫৫), ৰিহাবাৰী এম. ই. স্কুল ককয়া হাইস্কুল (সভাপতি), বাণীকান্ত বি. টি. কলেজ (সদস্য), গুৱাহাটী বিশ্ববিদ্যালয় আৰু Academic Council আৰু Executive Council ৰ সদস্য, অসম মাধ্যমিক শিক্ষা পৰিষদ (সদস্য), অসম কলেজ শিক্ষক সন্থা, অসম কলেজ অধ্যক্ষ সন্মিলন (প্ৰতিষ্ঠাতা-সম্পাদক) আৰু হৰিদেৱ সংঘ (সভাপতি)। |

১৯৭৮, ১০ মে'—গুৱাহাটীৰ ৰিহাবাৰীত থকা নিজা বাসভৱন 'ৰাধা' কুটীৰ'ত পৰলোক।

# পণ্ডিত গিৰিধৰ শৰ্মাদেৱৰ হস্তাক্ষৰ



বছর ২০ । [illegible] নিয়ম, [illegible] ~~[illegible]~~ [illegible] হলো এবং [illegible]
[illegible]
৭০০ [illegible] । [illegible]
[illegible]
[illegible]
[illegible]
[illegible]
[illegible]
[illegible]

স্বা: শ্রী [illegible]

# গিৰিধৰ শৰ্মা দেৱৰ কেইখনমান বিশেষ ফটো



কৰ্মৰত অৱস্থাত শৰ্মাদেৱ



আৰ্যবিদ্যাপীঠ কলেজৰ অধ্যক্ষ পদৰপৰা অৱসৰ গ্ৰহণৰ আগমুহূৰ্তত, ১৯৭৫

## গিৰিধৰ শৰ্মাদেৱৰ জীৱনত বিশেষ প্ৰভাৱ পেলোৱা এগৰাকী ব্যক্তি



মাতৃ — দশম প্ৰিয়া দেৱী

জন্ম ঃ আগষ্ট, ১৮৯১ মৃত্যু ঃ ২ জুলাই, ১৯৬৮




গিৰিধৰ শৰ্মা আৰু তেওঁৰ সহধৰ্মিণী শ্ৰীমতী সাবিত্ৰীবালা দেৱী


## ১২/০৯/২০১৮ তাৰিখলৈকে
## পণ্ডিত গিৰিধৰ শৰ্মা ন্যাসলৈ বৰঙণি আগবঢ়োৱা ব্যক্তিসকলৰ তালিকা

1. Dr. Pradip Kr. Bhattacharya, Principal, A.V. College - Rs. 20,000/-
2. Dr. Mrinal Sarma, Vice Principal, A.V. College - Rs. 20,000/-
3. Sri Madan Mohan Sarma (ex-student), Tinsukia - Rs. 10,000/-
4. Bhupen Dutta Sharma, Math Dept, A.V. College - Rs. 10,000/-
5. Dilip Ch. Sarma, Ex. HoD, Botany Dept., A.V. College - Rs. 10,000/-
6. Dr. Rahul S. Mazumdar, History Dept., A.V. College - Rs. 10,000/-
7. Sumita Bhattacharjee, Bengali Dept, A.V. College - Rs. 10,000/-
8. Dr. Gitanjali Hazarika, Assamese Dept, A.V. College - Rs. 10,000/-
9. Dr. Girish Ch. Sarma, Ex. Principal, A.V. College - Rs. 5,000/-
10. Dr. Ganesh Choudhury, Chemistry Dept. A.V. College -Rs. 5,000/-
11. Dr. Arcchana Puzari, Assamese Dept. A.V. College - Rs. 5,000/-
12. Chanda Biswas, Economics Dept, A.V. College - Rs. 5,000/-
13. Dr. Diteemoni Baruah, History Dept., A.V. College - Rs. 3,000/-
14. Dr. Dalimi Devi (Librarian) A.V. College - Rs. 2,500/-
15. Mr. Prasanta Sarma (Member, GST) - Rs. 2,000/-
16. Mr. Jitumoni Das, Math. Dept., A.V. College - Rs. 2,000/-


The Aryavidyapeeth Academic Campus : 1958




The Aryavidyapeeth Academic Campus : 1963



The Aryavidyapeeth Academic Campus : 1968




ENROLMENT OF STUDENTS FROM
1958 - 1973
A.V.C.
2700
2500
2300
2100
1900
1700
1500
1300
1100
900
700
500
300
100
1958
'59
'60
'61
'62
'63
'64
'65
'66
'67
'68
'69
'70
'71
'72
1973

# গিৰিধৰ শৰ্মাদেৱৰ স্মৃতিত

## অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱৰ স্ব-ৰচিত কবিতা

ভীমকৰ্মা বন্ধুবৰ!
নামে-কামে গিৰিধৰ
ৰত্নতুমি গীতাকাৰ গোৱিন্দ-বংশৰ,
সমাহাৰ ব্ৰহ্মতেজ, শক্তি ক্ষত্ৰিয়ৰ।।
শিক্ষা-খনিকৰ হৈ
আৰ্যৰ নিচান লৈ
বায়ুবেগে ধাৱমান, অসাধ্য সাধন,
হ'লা তুমি অসমৰ মদনমোহন।।
সংগঠন, প্ৰকাশন
শ্ৰমদান অতুলন
কামৰূপ-পৰিষদ, সাহিত্য সভাৰ,
গতিশীল নেতৃত্বৰে হ'লা কৰ্ণধাৰ।।
স্বজাতিৰ, স্বধৰ্মৰ
সত্যাশ্ৰয়ী ধনুৰ্ধৰ
ছাত্ৰবন্ধু, দীনবন্ধু, সংঘৰ চালক,
গীতাৰ মন্ত্ৰৰে হ'লা সংগ্ৰামী নায়ক।।
মৃত্যুকো পৰাস্ত কৰি
গ'লা তুমি আগবাঢ়ি
জনতাই জয়মালা কৰিলে প্ৰদান,
"কৰ্মযোগী গিৰিধৰ" "সবিতা সন্মান"।।
অহা আহে, যোৱা যায়
আদি নাই, অন্ত নাই
তাৰ মাজতেই তুমি থাকিলা স্মৃতিত
এৰি গ'লা খোজ এটি সময়-বালিত।।
ৰাখিলা জাতিৰ নাম
কৰিলা অজস্ৰ কাম
মাতৃভক্ত, ভ্ৰাতৃপ্ৰাণ নাছিল বিৰাম,
কৰ্মযোগী হে ব্ৰাহ্মণ, তোমাক প্ৰণাম।।

## পণ্ডিত গিৰিধৰ শৰ্মা ন্যাসৰ সদস্যমণ্ডলী

ড° গিৰীশ শৰ্মা (সভাপতি)

ড° প্ৰদীপ কুমাৰ ভট্টাচাৰ্য (কাৰ্যকৰী সভাপতি)

ড° গীতাঞ্জলি হাজৰিকা (সম্পাদক)

ড° মৃণাল শৰ্মা (সভ্য)

ড° গণেশ চৌধুৰী (সভ্য)

ড° অৰ্চনা পূজাৰী (সভ্য)

শ্ৰী প্ৰশান্ত শৰ্মা (সভ্য)

শ্ৰী চন্দা বিশ্বাস (সভ্য)

শ্ৰী জিতুমণি দাস (সভ্য)